● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন



যাৰ কিবা আছে, তাক হেৰুৱাব বুলি তেওঁ শংকিত হৈ থাকে আৰু যাৰ একো নাই তেওঁ সদায় তেনেকৈয়ে থাকিব বুলি শংকিত হৈ থাকে। সকলো একেই।

হাৰুকি মুৰাকামি
*জাপানী সাহিত্যিক*

৭ অতিমাৰীৰ কালত ঘণ্টাত আম্বানীৰ উপাৰ্জন ৯০ কোটি
১৩ নিউজিলেণ্ডেই বিশ্ব চেম্পিয়ন ক্ৰিকেট টেষ্টৰ
৪ মূল্যায়ন পদ্ধতিৰ উৎকণ্ঠাৰ অন্ত কেতিয়া?

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৫৪তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৯ আহাৰ ১৪২৮ ভাস্কৰাব্দ ২৪ জুন ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 24 June 2021 মূল্য ঃ ৭.০০ টকা

■ মেট্ৰিক-হাই মাদ্ৰাছা পৰীক্ষাৰ ফলাফল মূল্যায়নৰ সন্দৰ্ভত বৈঠকত উত্থাপিত প্ৰশ্ন

# বিগত পৰীক্ষাত অনুত্তীৰ্ণৰ কি হ'ব?

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ জুন ঃ** ইতিমধ্যে বাতিল ঘোষণা কৰা হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষাৰ মূল্যায়নৰ আধাৰ হ'ব শিক্ষাৰ্থীসকলে ইয়াৰ পূৰ্বৰ পৰীক্ষাসমূহত নৱম আৰু দশম শ্ৰেণীৰ পৰীক্ষাত লাভ কৰা নম্বৰ। সম্প্ৰতি এই বিষয়টোক লৈ অনুষ্ঠিত হোৱা সঘন বৈঠক আৰু আজিও এনে সম্পৰ্কীয় বৈঠকত এনে ইংগিতেই স্পষ্ট হৈছে। কি পদ্ধতিৰ পৰীক্ষাৰ মূল্যয়ন কৰিব পৰা যাব তাকে লৈ আজি অনুষ্ঠিত আলোচনাত আন এক বিষয়ে চৰ্চা লাভ কৰিছে। এনে বহু ছাত্ৰ-ছাত্ৰী আছে যিসকলে পূৰ্বৰ পৰীক্ষাসমূহত উন্নত ফলাফল দেখুৱাব পৰা নাই। পৰৱৰ্তী পৰীক্ষাতহে অধিক মনোযোগী হ'ব বুলিও ভবা বহু ছাত্ৰ-ছাত্ৰী আছে। তদুপৰি *১০ পৃষ্ঠাত চাওক*

বিয়লি ঘৰৰ পৰা ওলাই যোৱা ব্যৱসায়ীজনৰ বন্ধ ম'বাইল ফোন

## মহানগৰীৰ শ্ব'হম শ্বপীৰ চিইঅ' সন্দীপ জালান ৰহস্যজনকভাৱে সন্ধানহীন

পাৰিবাৰিক কন্দল-অপহৰণ নে হানি ট্ৰেপিং



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ জুন ঃ** মহানগৰীৰ প্ৰতিষ্ঠিত ব্যৱসায়ী তথা শ্ব'হম শ্বপীৰ মুখ্য কাৰ্যবাহী বিষয়া সন্দীপ জালান কালি সন্ধিয়াৰে পৰা সন্ধানহীন হৈ থকা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩৩° | ২৬° |
| ডিব্ৰুগড় | ৩২° | ২৫° |
| দিল্লী | ৪০° | ২৮° |
| কলকাতা | ৩৩° | ২৬° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৯° | ১৯° |
| শ্বিলং | ২৩° | ১৯° |

*২৩ জুন, ২০২১*

■ দেৱালয়ৰ মূল দুৱাৰ বন্ধ ■ নাই সমাগম ■ হা-হুমুনিয়া কাঢ়িছে

## অম্বুবাচীত সুদিনৰ আশাৰে দূৰৈৰ পৰাই কামাখ্যা দেৱীলৈ সেৱা ভক্তৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ জুন ঃ** নীলাচল পাহাৰত অৱস্থিত কামাখ্যাধামৰ অম্বুবাচীত এইবাৰ দ্বিতীয়বাৰলৈ ক'ভিড পৰিস্থিতিৰ ফলত নাই কোনো সমাগম অথবা মেলামুখী পৰিৱেশ। দেৱীক দৰ্শন কৰিবলৈ অহা বহু ভক্তই মূল প্ৰৱেশদ্বাৰৰ পৰাই সুদিন উভতি অহাৰ আশাৰে সেৱা জনাইছে। ক'ভিডৰ বাবেই কেৱল অম্বুবাচীৰ মূল ধৰ্মীয় ৰীতি-নীতিহে পালন কৰা হৈছে। এইবাৰো মঙলবাৰে আবেলি দুই বাজি ছয় মিনিটত কামাখ্যাধামত অম্বুবাচী মহোৎসৱৰ *১০ পৃষ্ঠাত চাওক*



## মাজুলীতো হ'ব উপ-নিৰ্বাচন

সোণোৱাল কেন্দ্ৰীয় মন্ত্ৰী হোৱাৰ ইংগিত শইকীয়াৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ জুন ঃ** অসমত অহা ছমাহৰ ভিতৰত তিনিটা বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিকেইটা হ'ল ক্ৰমে গোসাঁইগাঁও, তামুলপুৰ আৰু মৰিয়নি। এই তালিকাত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতিনিধিত্ব কৰা *১০ পৃষ্ঠাত চাওক*

## অসমক গ্ৰুপিঙৰ পৰা ৰক্ষাৰ ক্ষেত্ৰত বৰদলৈক সহায় কৰিছিল ড° শ্যামাপ্ৰসাদে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ঐতিহাসিক টঙৰা সত্ৰ চৌহদত আয়োজিত 'বলিদান দিৱস'ৰ কাৰ্যসূচীত অংশ লৈ ভাৰত কেশৰী ড° শ্যামাপ্ৰসাদ মুখাৰ্জীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উদ্যোগ মন্ত্ৰী ড° মুখাৰ্জীয়ে ১৯৫৩ৰ আজিৰ দিনটোতে জম্মু-কাশ্মীৰত কাৰাবন্দী অৱস্থাত ৰহস্যজনকভাৱে মৃত্যুবৰণ কৰিছিল। *১০ পৃষ্ঠাত চাওক*

গেলেকীত আৰক্ষীৰে গুলীয়াগুলি

## ৪২টা হত্যাত অভিযুক্ত 'মষ্ট ৱাণ্টেড' বুবু কোঁৱৰৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ২৩ জুন ঃ** ৪২টাকৈ হত্যাকাণ্ডত অভিযুক্ত অসম আৰক্ষীৰ মূৰৰ কামোৰণি হৈ পৰা কুখ্যাত গাড়ী চোৰ বুবু কোঁৱৰৰ আজি এক সংঘৰ্ষত মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, ম'ষ্ট ৱাণ্টেড এই দুৰ্ধৰ্ষ অভিযুক্ত বুবুৰ আজি সন্ধিয়া আৰক্ষীৰে এক *১০ পৃষ্ঠাত চাওক*

৪০ শতাংশ পৰ্যন্ত ভুল নাম সোমাল

## প্ৰতীক হাজেলাৰ বিৰুদ্ধে চি আই ডিত গোচৰ এ পি ডব্লিউৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ জুন ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি)ৰ অসমৰ প্ৰাক্তন সমন্বয়ক প্ৰতীক হাজেলাৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ অভিযোগ উত্থাপন কৰি গোচৰ ৰুজু কৰিছে অসম পাব্লিক ৱৰ্কছ নামৰ সংস্থাটোৱে। হাজেলাৰ বিৰুদ্ধে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ *১০ পৃষ্ঠাত চাওক*

■ তৃতীয় দিনা ৩,৪৬,৬৮০জনক প্ৰতিষেধক প্ৰদান ■ নতুনকৈ আক্ৰান্ত ২৭২৮ ■ শোণিতপুৰত ছজনৰ মৃত্যু

## ক'ভিডৰ সংক্ৰমণ হ্ৰাস পালেও ৰাজ্যত পুনৰ ৩০ জনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৩ জুন ঃ** ৰাজ্যত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পালেও ঠায়ে ঠায়ে উদ্বেগজনকভাৱে বৃদ্ধি পাই আছে আক্ৰান্তৰ সংখ্যা। আজিও ৰাজ্যত ৩০ জন ক'ভিড আক্ৰান্তৰ মৃত্যু হোৱাৰ বিপৰীতে নতুনকৈ আক্ৰান্ত হয় ২,৭২৮ জন। আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ১,৬৬,২২৭ জনৰ ক'ভিড পৰীক্ষা কৰা হৈছিল। সেই অনুসৰি আক্ৰান্তৰ হাৰ ১.৬৪ শতাংশ। আজি গোলাঘাটত সৰ্বাধিক ২১২ জন *১০ পৃষ্ঠাত চাওক*



আপোনাক সহায় কৰিবলৈ আমাক সহায় কৰক



বিমল বড়া
মাননীয় শক্তি, ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা আৰু পৰ্যটন মন্ত্ৰী, অসম চৰকাৰ

প্ৰিয় বিদ্যুৎ গ্ৰাহক,

আমি সকলোৱে মিলি আপোনালোকলৈ উন্নতৰ পৰা উন্নততৰ সেৱা আগবঢ়াবলৈ নিৰন্তৰ চেষ্টা চলাই আহিছোঁ। এই প্ৰচেষ্টাত সহায়ক হোৱাকৈ আমি আপোনালোকক অনুৰোধ জনাই আহিছোঁ যাতে আপোনালোকৰ ম'বাইল ফোন নম্বৰ পঞ্জীয়ন কৰে আৰু আধাৰ নম্বৰ, ই-মেইল (যদিহে আছে), জীৱিকা (Occupation) আদি সম্পৰ্কে জনায়। ম'বাইল নম্বৰ পঞ্জীয়ন কৰিলে আপোনালোকে ম'বাইল ফোনৰ যোগেদিয়েই বিলৰ সবিশেষ, বিল আদায় দিয়াৰ বিভিন্ন উপায় (লগতে নতুন সুযোগ), ছাট ডাউন আৰু লাইন পুনৰ চাৰ্জ কৰাৰ সময়, বিদ্যুৎ কৰ্তন বা যোগান ব্যাহত হ'লে তাৰ কাৰণ আৰু ম্যাদ আদিৰ বিষয়ে সবিশেষ জানিব পাৰিব আৰু আমিও আপোনালোকৰ পৰিচয় সম্পৰ্কে নিশ্চিত হ'ব পাৰিম। জীৱিকাৰ উল্লেখ থাকিলে আমি সেই জীৱিকাৰ ক্ষেত্ৰত আগবঢ়োৱা বিশেষ সুবিধাৰ বিষয়ে আপোনালোকক জনাব পাৰিম।

কিন্তু আমাৰ প্ৰচেষ্টা আৰু বিনম্ৰ অনুৰোধ সত্বেও আমাৰ ৬৪ লাখ গ্ৰাহকৰ বেছি ভাগেই এইবোৰ তথ্য আমাক জনোৱা নাই। কিছুমানে ম'বাইল নম্বৰ ভুলকৈ দিয়াৰ ফলত আমি সেইবোৰ ফোনলৈ বাৰ্তা প্ৰেৰণ কৰিব পৰা নাই। গতিকে আমি কিছু কঠোৰ হ'বলৈ বাধ্য হৈছোঁ। যিসকল গ্ৰাহকে অহা ১৫ জুলাই ভিতৰত ম'বাইল নম্বৰ পঞ্জীয়ন নকৰে আৰু নিৰ্দিষ্ট তথ্য আমাক নজনায়, সেই সকলৰ বিদ্যুৎ সংযোগ সাময়িকভাৱে বিচ্ছিন্ন কৰা হ'ব পাৰে।



আপোনালোকে দাখিল কৰিবলগীয়া তথ্যসমূহঃ-

| | | |
| --- | --- | --- |
| নাম | কনজুমাৰ নম্বৰ | ম'বাইল ফোন নম্বৰ |
| আধাৰ নম্বৰ (যদিহে আছে) | ই-মেইল আইডি (যদিহে আছে) | জীৱিকা |

কেনেকৈ তথ্যসমূহ অনলাইন আপডেট কৰিব?

- এ পি ডি চি এল-ৰ নিজা ৱেবছাইটত (www.apdcl.org) লগ ইন কৰক।
- সেই পেজৰ 'Upload mobile number' টেবলৈ গৈ ক্লিক কৰক। তেতিয়া এখন নতুন পেজ ওলাব।
- তাৰ 'Consumer No' অপশনত আপোনাৰ কনজুমাৰ নম্বৰ ভৰাওক। তেতিয়া আপোনাৰ কি কি তথ্য এ পি ডি চি এল-ৰ ওচৰত আছে, সেয়া ডিছপ্লে হ'ব।
- খালী স্থানসমূহত (যেনে আধাৰ নম্বৰ, ম'বাইল ফোন নম্বৰ আদিত) তথ্যসমূহ ভৰাওক।
- যদি কিবা তথ্য ভুল হৈ আছে তেন্তে 'এডিট' কৰি শুদ্ধ তথ্য দিয়ক।
- তাৰ পাছত 'Submit' বুটামটো টিপক।
- এইবাৰ আপোনাৰ ম'বাইল ফোনলৈ এটা 'OTP' যাব।
- 'OTP' টো ভৰাই 'Verify' কৰি দিয়ক। আপোনাৰ কাম সম্পূৰ্ণ হ'ল।

SIG/2021-22/08

যদি কোনোবাই অনলাইনযোগে এই কাম কৰিবলৈ অসুবিধা পায়, তেন্তে সেই তথ্যসমূহ কাগজত লিখি নিজৰ বৈদ্যুতিক উপ-সংমণ্ডলৰ কাৰ্য্যালয়ত জমা দিয়ক বা তেওঁলোকৰ পৰা সহায় বিচাৰক

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড
(এক সম্পূৰ্ণ উপভোক্তাকেন্দ্ৰিক প্ৰতিষ্ঠান)

**PROPERTY SALE**

One BHK Flat at Gandhibasti for sale.
Contact No- 8133872642

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

**বিভিন্ন আস্থান/ ঠাই সমূহত বানপানীৰ বাবে সংৰক্ষিত অংশৰ পুনৰুদ্ধাৰ**

ই-নিবিদা জাননী নংঃ 26/W-2/APDJ দিনাংকঃ 22.06.2021; তলত উল্লেখ কৰা কামৰ বাবে নিম্নস্বাক্ষৰীতৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। নিবিদা নংঃ 08-AP-III-2021; কামৰ নামঃ চিংগল ব'ল্ডাৰ যোগান ধৰা- ওজন - 1 টাৰ কমেও 35 কে.জি.ৰ পৰা 55 কে.জি. লৈ আৰু 'ঢ্ৰুন' নলগোৱা চিংগল সমূহ এ.পি.দি.জে. ডিভিজনৰ বিভিন্ন আস্থান/ ঠাই সমূহত বানপানীৰ বাবে সংৰক্ষিত অংশৰ পুনৰুদ্ধাৰৰ বাবে যোগান ধৰা। নিবিদা মূল্যঃ ₹ 1,52,02,654.29; আগধন মূল্যঃ ₹ 2,26,000/-; ই-নিবিদা বন্ধৰ সময় আৰু তাৰিখঃ 16.07.2021 তাৰিখৰ দিনৰ 1 টা বজাত আৰু খোলাৰ সময় আৰু তাৰিখঃ 16.07.2021 তাৰিখৰ দিনৰ 3 টা বজাত দি. আৰ. এম. (ডব্লিউ)/ এ. পি. দি. জে'ৰ কাৰ্যালয়ত। সবিশেষ জানিবৰ বাবে আগ্ৰহীসকলে www.ireps.gov.in ৱেব্‌চাইটত চাব পাৰে।

দি.আৰ.এম. (ৱৰ্কচ) আলিপুৰদুৱাৰ জং
উত্তৰ-পূৱ সীমান্ত ৰে'লৱে
গ্ৰাহকৰ সেৱা এটি হাঁহিৰ সতে

## PRESS NOTICE

The Superintending Engineer, PWD, Guwahati Building Circle-II, Chandmari, Guwahati-3 on behalf of Governor of Assam invites item rate bids in two bid system for the work "Renovation/Repairing of Doctor's Qtr. at Nagarbera BPHC, Nagarbera in Kamrup District for the Financial year 2020-21" with at approximate value of work of Rs. 28,98,285.00 from APWD registered Class-I (A/B/C) class-II contractors (under this Circle)/ class-III contractors of the Division having experience of similar nature of work Details of the bids may be seen in the office of the undersigned during office hours upto 29.06.2021.

Superintending Engineer, P.W.D
Guwahati Building Circle-II
Chandmari, Guwahati-3

Janasanyog/C/1288/21

## সোঁৱৰণ



জন্ম ঃ ০১ আগষ্ট, ১৯৬০ চন

মৃত্যু ঃ ২৪ জুন, ২০১৮ চন

**স্বৰ্গীয় উষাৰাণী পাটোৱাৰী**

*ৱাসাংসি জীৰ্ণানি য়থা ৱিহায়*
*নৱানি গৃহ্ণাতি নৰোহ পৰাণি।*
*তথা শৰীৰাণি ৱিহায় জাৰ্ণা*
*ন্য ন্যানি সংয়াতি নৱানি দেহী। (গীতা ২/২২)*

*অৰ্থাৎ, যেনেদৰে মনুষ্যই পুৰণা বস্ত্ৰ ত্যাগ কৰি*
*বেলেগ নতুন বস্ত্ৰ গ্ৰহণ কৰে, তেনেদৰে*
*আত্মাইয়ো পুৰণা শৰীৰ এৰি বেলেগ*
*নতুন শৰীৰ গ্ৰহণ কৰি যায়।*

*তোমাৰ শৰীৰটোৱেও আমাক এৰি যোৱা তৃতীয় বৰ্ষ সম্পূৰ্ণ হ'ল। নিশ্চয় তুমি আমাৰ মাজতে আছা, য'তে আছা কুশলে থাকা; পৰম-পিতা শিৱ পৰমাত্মা তোমাৰ লগত সদায় থাকিব।*

*পৰিয়ালবৰ্গৰ হৈ*
*তোমাৰ ভনী*
*দিপালী পাটোৱাৰী কানু জটিয়া, গুৱাহাটী*

## NOTICE

In pursuance of the report of Tamaranga Konora Group Fishery, Bongaigaon District submitted by the Officer in Charge, LAR, Abhayapuri, AFDC Ltd it is seen that the Lessee namely Shri Uttam Kr. Das has failed to clear the outstanding revenue even after several notices and opportunities were given from Regional and Head Office. Now it is required to examine and rethought the matter as there is report of violation of Fishery Norms of the Corporation as per Tender norms and clause no-3, 4 and 5.

As per Clause no-3 and 4 of the Lease Agreement, the Lessee is bound to pay the fixed revenue. Now in view of the default to pay the revenue by the Lessee as per Clause No-3 of the agreement the Corporation can terminate the Lease. As such in the light of the above major violation of the norms Lease License of Shri Uttam Kr. Das is hereby cancelled.

Officer in Charge, LAR is hereby directed to take up the possession of the Beel and process for management of the Beel as per norms.

This has the approval of Hon'ble Chairperson, AFDC Ltd.

Managing Director,
Assam Fisheries Development Corporation Ltd.
VP Road, Chachal, Guwahati-36

*Janasanyog/ DF/ 212/ 21*

## PRESS NOTICE INVITING TENDER

The Divisional Forest Officer, Chirang Division, Kajalgaon invites bids for the 2 (two) Nos. scheme under SOPD-G (Forest) for the year 2021-22 for total contract value of Rs.1,14,62,193/- (Rupees One crore fourteen lakhs sixty two thousand one hundred ninety three) only under Chirang Forest Division, Kajalgaon from the eligible class-II contractors & above category of PWD (Roads) Assam and BTC, Kokrajhar. The details may be seen at the website http://assamtenders.gov.in. and also in the office of the undersigned during office hours. The bill of the contractor will be paid only after received the fund from BTC.

Sd/-Divisional Forest Officer,
Chirang Division, Kajalgaon.

Janasanyog/CF/346/21

## PRESS NOTICE

The Executive Engineer, PWD, Guwahati Building Division-I, Guwahati-I on behalf of Governor of Assam invites item rate bid in two bids system for the work "Construction of Video Conferencing Room in Dibang Room at Raj Bhawan" with an approximate value of work of Rs. 24,98,576.00 from APWD registered Class-I (A/B/C) and class-II contractors (Under Guwahati Building Circle-II) having experience of similar nature of work. Details of the bids may be seen in the office of the undersigned during office hours upto 25.06.2021.

Sd/-
Executive Engineer, P.W.D.
Guwahati Building Division-I
Fancy Bazar, Guwahati-1

Janasanyog/C/1300/21

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৯ আহাৰ বৃহস্পতিবাৰ ২৪ জুন

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪০।৪৮, **সূৰ্যাস্ত ঃ** ঘঃ ৬।৮।৫৮। **তিথি ঃ** পূৰ্ণিমা, দং ৪৮।৪৯।৩৩ ৰাঘঃ ১২।১২।৩৭। **নক্ষত্ৰ ঃ** জ্যেষ্ঠা, দং ১০।৫০।২। ঘঃ ৯।০।৪৯। **যোগ ঃ** শুভ, দং ৪।১৩।২৩ প্ৰাতঃঘঃ ৬।২২।৯, শুক্ৰ, দং ৫৭।০।২৮ ৰাঘঃ ৩।২৮।৫৯। **কৰণ ঃ** বিষ্টি। **জন্মত ঃ** বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, দেৱাৰিগণ, হৰিণৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি, বিংশোত্তৰী শনি, বিংশোত্তৰী বুধৰ দশা, ঘঃ ৯।০।৪৯ যোৱাত ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, গন্ধৰ্বৰ অস্থি, বিংশোত্তৰী কেতুৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ মতান্তৰে সাত দিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** দক্ষিণত, প্ৰাতঃঘঃ ৪।৫৭।৩৭ যোৱাত পশ্চিমত, ৰাঘঃ। ২।৩১।১৯ যোৱাত ঈশানকোনত। **যাত্ৰাঃ** নাই। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মাছ-মাংস, তেল খোৱা আৰু প্ৰায়শ্চিত্ত, ৰাঘঃ ১২।১২।৩৭ যোৱাত কোমোৰা খোৱা যোৱাত আৰু খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** (গৱেষক সকল কৰ্মত নতুন উৎসাহ পাব।) কোনো সংবাদত মন ঠিক নাথাকিব পাৰে। কৰ্মস্থানত সহকৰ্মীৰ কামৰ ওপৰত গুৰুত্ব দিয়ক। (প্ৰেমত শুভ)।

**বৃষ ঃ** ধন প্ৰাপ্তিৰ সম্ভাৱনা আছে। আনৰ কথাত মন বেয়া নকৰি স্বকৰ্মত মন দিয়ক। ব্যৱসায়ীসকল লেনদেনত বাধা প্ৰাপ্ত হ'ব। শৰীৰৰ প্ৰতি নজৰ দিয়ক।

**মিথুন ঃ** সামগ্ৰীকভাৱে দিনটো ভালেৰেই পাব হ'ব। কৰ্মক্ষেত্ৰত নিজৰ উদ্দেশ্য সাধনৰ চেষ্টা কৰক।

**কৰ্কট ঃ** আনৰ ওপৰত নিৰ্ভৰ নকৰিব, হোৱা কামখিনি নহ'বও পাৰে। নতুনকৈ কোন কামৰ সন্ধান পাব। ঘৰুৱা দায়িত্ব পালনত অৰ্থ ব্যয় হ'ব পাৰে।

**সিংহ ঃ** নানা, আহুকালৰ মাজেদি দিনটো পাৰ হ'ব বাবে সাৱধানে থাকক। কৰ্মস্থানত নতুন দায়িত্ব পৰিব। দাম্পত্যত জেদভাৱ ত্যাগ কৰক। ভ্ৰমণৰ বাবে যো-জা।

**কন্যা ঃ** আৰ্থিকত খৰচ বৃদ্ধি পালেও যি প্ৰয়োজনীয় কাৰণ হ'ব পাৰে। বিশেষে অৰ্থ লাভৰ আশাও কৰিব পাৰে। পাৰিপাৰ্শ্বিকত বিশেষ বাধা নাপাব। মাতৃৰ শৰীৰ ঠিকেই থাকিব।

**তুলা ঃ** দিনটো আপোনাৰ মোটামুটি ভালেই যাব। আৰ্থিকত প্ৰাপ্য ধন পোৱাৰ আশা কৰিব পাৰে। ব্যৱসায়ত আইনগত বাধা আহিব। ভ্ৰমণত দ্ৰব্য লাভৰ কাৰকতা।

**বৃশ্চিক ঃ** সামূহিক দৃষ্টিত খুব উন্নত দেখা নাযায়। বিদ্যাত অনুকূল। সন্তানৰ সুসংবাদ পাব। ঘৰুৱাত বেছি একো নাই। ব্যৱসায়ীসকলৰ আৰ্থিক সমস্যাৰ সমাধান হ'ব।

**ধনু ঃ** যোগ্যতা সম্পন্ন ব্যক্তিয়ে নিজৰ প্ৰায়বোৰ কৰ্মতে সুচল অনুভৱ কৰিব পাৰে। ভাই-ভনীৰ পৰা আনন্দ পাব। আৰ্থিকত বিশেষ বাধা নাপাব। দাম্পত্যত চিন্তা।

**মকৰ ঃ** মান সন্মানৰ ক্ষেত্ৰত উৎসাহ পাব। পূৰ্বৰ তুলনাত মনৰ কঠোৰতা হ্ৰাস পাব নতুন কৰ্ম সন্ধানৰ সম্ভাৱনা বিদ্যাত শুভ, হঠাৎ আনন্দৰ কৰক।

**কুম্ভ ঃ** মান সন্মানৰ ক্ষেত্ৰত উৎসাহ পাব। পূৰ্বৰ তুলনাত মনৰ কঠোৰতা হ্ৰাস পাব নতুন কৰ্ম সন্ধানৰ সম্ভাৱনা বিদ্যাত শুভ, হঠাৎ আনন্দৰ কৰক।

**মীন ঃ** অস্থিৰতা বৰ্জন কৰক। চেষ্টা কৰক। যান-বাহনৰ পৰা সাৱধান, আকস্মিক আগ্ৰীত প্ৰাপ্তিৰ সম্ভাৱনা। ব্যৱসায়ীসকলে সফলতা পাব।

## শব্দ-বেহু ঃ ২৪ জুন ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**
১। দেৱতা বা কোনো বিশেষ শক্তিয়ে পৃথিৱীলৈ আহি বিশেষ ৰূপে জনম ধৰা কাৰ্য্য (৪)
৫। ধন-সম্পত্তি, ক্ষমতা (৩)
৬। পথাৰত পানী ৰাখিবৰ কাৰণে দিয়া ঢাপ (২)
৭। বিয়াৰ পানী তোলা ঘট (৩)
৮। ধাৰ থকা, তীক্ষ্ণ, শাণিত (৩)
৯। স্থানীয় তদন্ত (৫)
১০। ৰঙচুৱা-মুগা বৰণৰ এবিধ ধাতু (২)
১২। বিত্তৱান ,প্ৰচুৰ ধন-সম্পত্তি থকা (৩)
১৫। জিলা বা মহকুমাৰ ঘাই প্ৰশাসনিক কেন্দ্ৰ (৩)
১৬। বিয়া-সবাহ, সভা আদিৰ বাবে সজা অস্থায়ী চালি (২)
১৮। নীচ লোকৰ সন্তান (৫)
১৯। তাপ থকা, যিহত উষ্ণতা নিহিত হৈ আছে (৩)
২০। প্ৰকাশিত, সকলোৱে জনা (৩)
২২। শিৰ, ভগ্নাংশৰ এটা ৰাশি (২)
২৩। ঢৌ, তৰংগ (৩)
২৪। আশ্চৰ্য্যবোধত মুখৰ মাত হেৰাই যোৱা, আচৰিত (৪)

**থিয়কৈ ঃ**
১। কপালৰ দুই কাষত ওলমি থকা কেঁকোৰা চুলি (৩)
২। আইন বহিৰ্ভূতভাৱে কোনো বস্তু সৰবৰাহ কৰাত বাধা দিবলৈ আৰক্ষীয়ে পহৰা দিয়া ঠাই (৫)
৩। সতৰ্ক হোৱা অৱস্থা বা গুণ (৫ )
৪। চেহেৰা-পাতি, গঢ়-গঠন (২)
৫। ভাগ ভাগ কৰা কাৰ্য্য, এটা সংখ্যাক আন এটা সংখ্যাৰে হৰণ কৰা কাৰ্য্য (৪)
৬। 'লা' ৰ পৰা প্ৰস্তুত কৰা এবিধ তৰল ৰং (৩)
১১। দেৱতাৰ বিগ্ৰহ ৰখা আৰু পূজা-উপাসনা কৰা ঘৰ (৩)
১২। নগৰ, ঘন বসতি, উদ্যোগ আদিৰে পূৰ্ণ উন্নত ঠাই (৩)
১৩। অতি সন্মানীয়, অতি পূজনীয় (৫)
১৪। নলীনাদ, মাটিৰ তললৈ নলী বহুৱাই পানী তোলা যন্ত্ৰ (৪)
১৫। সকলো সময়তে সজাগ হৈ থকা, অতি সতৰ্ক (৫)
১৭। ক্লান্তি, শ্ৰমৰ ফলত হোৱা দেহ-মনৰ অৱসাদ (৩)
২১। আনৰ কাপোৰ ধুই দি জীৱিকা উলিওৱা লোক (৩)
২২। হাত,মণিবন্ধৰ পৰা আঙুলিৰ মূৰলৈকে অংশটো (২)

**উত্তৰ অহা সংখ্যাত**

**২৩ জুন সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। পলস ৩। সমসাময়িক ৫। হজম ৬। মগজ ৮। তাকৰীয়া ১২। জৰাসন্ধ ১৪। জলকেলি ১৬। অবিৰাম ১৮। কসবী ২০। নন্দন২১। নপতাফুকন ২২। কবুল
**থিয়কৈ ঃ** ১। পলম ২। সহজ ৩। সমতা ৪। মজিয়া ৭। গংগাজল ৯। কৰজ ১০। এতেকে ১১। অন্ধবিশ্বাস ১৩। ৰাইলা ১৫। লিগিৰা ১৬। অমিতা ১৭। মনন ১৮। কনক ১৯। বীজল

অসম চৰকাৰ

## কৃতজ্ঞতা

কʼভিড-১৯ৰ টিকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি | ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|---|---|
| হৰেশ চন্দ্ৰ বৰুৱা | ৫,০০০ টকা | কুঁহি বৰা | ৫,০০০ টকা |
| ত্ৰিনয়ন নাট্য গোষ্ঠী | ১,০০০ টকা | চয়নিকা দাস | ২,০০০ টকা |
| ইউনুছ আলী | ১ টকা | দীপ ফুকন | ১০,০০০ টকা |
| জয়ন্ত ডেকা | ২,২২২ টকা | গৌৰভ আগৰৱালা | ১১,০০০ টকা |
| লক্ষীমন সংঘ | ১,০০,১০১ টকা | সীমান্ত ৰয় | ২,০০০ টকা |
| নাৰায়ণ চন্দ্ৰ | ৭,৫০০ টকা | দিব্যজিৎ ৰয় | ১,৫০০ টকা |
| অতুল চন্দ্ৰ ভট্টাচাৰ্য্য | ১,১২১ টকা | পলাশ পৰাশৰ | ১,০০০ টকা |
| আজাহাৰউদ্দিন আহমেদ | ৭৮৬ টকা | লক্ষ্য কোঁৱৰ | ৪০,০০০ টকা |
| দ্বীপেন কুমাৰ দাস | ১,০০০ টকা | মেহতাৱউদ্দিন আহমেদ | ২,০০০ টকা |
| ৰামকৃষ্ণ সাৰদা আশ্ৰম | ৭,০০০ টকা | ত্ৰিদিপ কুমাৰ দত্ত | ১,৬০০ টকা |
| ড° ৰঞ্জিত কুমাৰ বৰদলৈ | ৫,০০০ টকা | উপেন শইকীয়া | ৩,০০০ টকা |
| স্বাশ্বতী ৰয়চৌধুৰী | ১,০০০ টকা | ৰাণীমা বৰঠাকুৰ | ৫,০০০ টকা |
| কালিপদ ৰয়চৌধুৰী | ১,০০০ টকা | হুছনে ইছলাম বৰা | ৫,০০০ টকা |
| নৰ্থ ইষ্টাৰ্ণ ছিকিউৰিটি চাৰ্ভিছ নেছ্ প্ৰাঃলিঃ | ৫০,০০১ টকা | তাছমিন বেগম | ১,০০০ টকা |
| মণজিৎ কাকতি | ৪০ টকা | চক্ৰপাণি চক্ৰৱৰ্তী | ৮০০ টকা |
| শ্যামল হাতীকাকতী | ৫,০০০ টকা | ৰিতুপন দাস | ৮০০ টকা |
| সঞ্জীৱনী হস্পিতেল | ২৫,০০০ টকা | কৌশিক অমৰ দাস | ১,০০০ টকা |
| তৰুণ চন্দ্ৰ বৰা | ১,১০০ টকা | ড° চি.আৰ. বৰুৱা | ২,৫০০ টকা |
| কলিয়াবৰ মহাবিদ্যালয় | ১০,০০০ টকা | বিভাস দাস | ৫০ টকা |
| মিজানুৰ ৰহমান | ২ টকা | প্ৰণৱজ্যোতি বৰা | ৩০,০০০ টকা |
| পৰেশ চন্দ্ৰ ৰাজখোৱা | ১,১১১ টকা | টখেশ্বৰ গগৈ | ৫,০০০ টকা |
| বিতু পাল | ২১ টকা | ঋষিৰাজ বৰঠাকুৰ | ৫,০০০ টকা |
| দুৰ্লভ মাৰাৰ | ৫১ টকা | ডৰথি মিশ্ৰ | ৫০০ টকা |
| ত্ৰৈলোক্য মোহন | ২,১০০ টকা | ড° সুমিত দেৱ | ৫,০০০ টকা |
| নৱজ্যোতি সিং | ৫০ টকা | কেশৱ চন্দ্ৰ শৰ্মা | ৫,০০০ টকা |
| ৰুমী তালুকদাৰ | ২,০০১ টকা | হিমাংকৰ গুপ্তা | ৫০০ টকা |
| বুলু বৰঠাকুৰ | ২,০০০ টকা | ড° পূৰ্ণিমা দেৱী | ৫,০০০ টকা |
| প্ৰবীন চাংমাই | ৬,০০,০০০ টকা | নীলিকেশ লহকৰ | ৬০০ টকা |
| দেৱানন্দ হাজৰিকা | ১,১১,১১১ টকা | দেৱজিৎ দাস | ৫,০০০ টকা |
| গোবিন হাজৰিকা | ২০,০০০ টকা | শচীন পাটগিৰি | ১,২০০ টকা |
| ৰাজেশ কুমাৰ মালপানী | ১,০০,০০০ টকা | ভাস্কৰজ্যোতি কলিতা | ১,০০০ টকা |
| জ্যোতি সিন্‌হা মালপানী | ২৬,৮০০ টকা | অনুপ পুৰকায়স্থ | ২,০০০ টকা |
| ৰবীন কলিতা | ২,০০০ টকা | সুভদীপ দেৱ | ১,০০০ টকা |
| কেশৰাম বৰা | ১০,০০০ টকা | মৃত্যুঞ্জয় তালুকদাৰ | ৫ টকা |
| দিপাংকৰ হাজৰিকা | ৫,০০০ টকা | লালু ৰাম | ১,২০০ টকা |
| দেৱকান্ত পেগু | ২,০০,০০০ টকা | ঋষিকেশ বুঢ়াগোঁহাই | ৫০ টকা |
| বিভুতি ভূঞা | ২১,০০০ টকা | বিক্ৰম বৰঠাকুৰ | ১,০০০ টকা |
| হেমৰাজ শৰ্মা | ৫,০০০ টকা | জিন্টু ৰয় | ১০ টকা |
| পুলক গগৈ | ২১,০০০ টকা | সমীৰণ দাস | ১০ টকা |
| দুলাল গগৈ | ২,০০০ টকা | হাফিজুৰ ৰহমান | ২ টকা |
| মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ নাহৰআটী থান সত্ৰ পৰিচালনা সমিতি | ২০,০০০ টকা | ৰাহুল শৰ্মা | ১১ টকা |
| এছ.এম.চি. দাহালিয়াল এম.ভি. স্কুল | ৩,০০০ টকা | সমৰজ্যোতি দাস | ২০০ টকা |
| যাদৱ দাস | ১,০০০ টকা | সিদ্ধাৰ্থ শৰ্মা বৰুৱা | ৫০০ টকা |
| অৰুণোদয় এল.পি. স্কুল | ৩,০০০ টকা | আলম নাজিৰুল ইছলাম | ২০০ টকা |
| সদানন্দ শইকীয়া | ১০,০০০ টকা | নীতুশ্ৰী ডেকা | ৫ টকা |
| কৃষ্ণ ষ্টৈন ক্ৰাছাৰ | ১,০০,০০০ টকা | ৰাজা আহমেদ | ২৬ টকা |
| দেউৰী স্বায়ত্ত-শাসিত পৰিষদ, নাৰায়ণপুৰ, লক্ষীমপুৰ | ২,০০,০০০ টকা | গোপাল পাণ্ডে | ৫১ টকা |
| শিখামণি তামূলী | ৩,০০০ টকা | নয়নমণি ওজা | ৫০০ টকা |
| প্ৰভাত চন্দ্ৰ ভূঞা | ১০,০০০ টকা | মধুমিতা পাল | ২০০ টকা |
| মেচাৰ্চ চন্দ্ৰ গগৈ | ১০,০০০ টকা | ৰাহুল মজুমদাৰ | ১১ টকা |
| অসম কোম্পানী ইণ্ডিয়া লিমিটেড | ১,০১,০০০ টকা | হিমাংশু দুৱৰা | ১০ টকা |
| বিকন চন্দ্ৰ ডেকা | ২১,০০০ টকা | ৰিদীপ ডেকা | ১১ টকা |
| মেচাৰ্চ ভৱানী ষ্ট'ৰ | ১,০০,০০০ টকা | অংশুমান বৰুৱা | ১০০ টকা |
| জেনিফাৰ ফুকন | ১০,০০০ টকা | অয়নাভ দলৈ | ১০০ টকা |
| মেচাৰ্চ ভৱানী কনষ্ট্ৰাকছন | ৫০, ০০০ টকা | জিতেন কুমাৰ ৰয় | ৫০ টকা |
| কবিতা সোণোৱাল ফুকন | ৫,০০০ টকা | গোলাপজ্যোতি গগৈ | ১,০০০ টকা |
| জয়ন্তী দেৱনাথ | ২,০০০ টকা | অনুপ আগৰৱাল | ১,০০০ টকা |
| অশোক পেগু | ২৫,০০০ টকা | কৰণ কুমাৰ হাজৰিকা | ৫০০ টকা |
| নীলকান্ত পাও | ১০,০১১ টকা | খগেন বৰা | ৫০ টকা |
| বি.জে.পি. চিচিৰ টেঙানী মণ্ডল কমিটি | ১৮,০০০ টকা | প্ৰণৱ সুত্ৰধৰ | ২১ টকা |
| দিব্যাংগ শিশু, লক্ষীমপুৰ শিক্ষাখণ্ড | ৫,০০০ টকা | ৰাকেশ মাহাতো | ৫০০ টকা |
| জিলা মহিলা মৰ্চা, লক্ষীমপুৰ | ৩,০০০ টকা | ৰিংকু দাস | ১ টকা |
| চিচিৰ টেঙানী মহিলা মৰ্চা মণ্ডল কমিটি | ১০,০০০ টকা | নম্ৰতা প্ৰিয়ম কলিতা | ৫০০ টকা |
| ৰূপা চুতীয়া | ৩,০০০ টকা | শংকৰ ৰাজবংশী | ১০১ টকা |
| লোহিত শৰ্মা | ৫০০ টকা | কাশ্যপ দত্ত | ১,৬০০ টকা |
| বি.জে.পি. চিলাপথাৰ নগৰ মণ্ডল আৰু মহিলা মৰ্চা | ৭,০০২ টকা | তাপস দেৱনাথ | ১,০০০ টকা |
| নীৰু দত্ত | ১০,০০০ টকা | ৰাস্না পামেগাম | ১ টকা |
| ৰাজেন বৰা | ১০,০০০ টকা | দীপজ্যোতি মিলি | ১ টকা |
| চিচিবৰগাঁও মণ্ডল কমিটি | ১০,৫০০ টকা | দিপাংকৰ কলিতা | ১০ টকা |
| সুদৰ্শন আত্ম সহায়ক গোট, পানবাৰী, লক্ষীমপুৰ | ২,০০০ টকা | শুভম নাগ | ৩,০০০ টকা |
| বিমলেন্দু নাগ | ২,১০০ টকা | ত্ৰিদীপ ৰাভা | ১০০ টকা |
| ইপ্সিতা বৰগোঁহাই | ৫,০০০ টকা | প্ৰভাৰাণী ৰয় | ৮০০ টকা |
| ওদালগুৰি পলিটেকনিক | ২১,০০০ টকা | মনীষ কুমাৰ ভাঞ্চালি | ৫,০০০ টকা |
| বাৰ্বী কৰ | ১,০০০ টকা | টিংকু কলিতা | ২০০ টকা |
| বিশ্বজিৎ কৰ | ৩,০০০ টকা | পূৰ্ণকান্ত বৰা | ১,৫০১ টকা |
| সীমা কৰ | ২,০০০ টকা | আলোক কুমাৰ চানচেটি | ২,১০০ টকা |
| নিলোৎপল বৰ্মন | ২,০০০ টকা | ৰতন দাস | ২০০ টকা |
| জীৱন কৃষ্ণ ৰয় | ৬০০ টকা | বিশ্বনাথ শৰ্মা | ৮০০ টকা |
| সুভাষ গিৰি | ৮০০ টকা | ৰোহিত দেৱ | ৫০ টকা |
| অনুমালাচেট্টি ভেংকটা শিশাগিৰি ৰাও | ৫,০০০ টকা | ঘনবাহাদুৰ চেত্ৰী | ৭০ টকা |
| ৰাজ গৌৰৱ ৰয় | ১,২০০ টকা | আলোক ফুকন | ৫০০ টকা |
| অনন্যা পাঠক | ২,০০০ টকা | প্ৰীতম বুঢ়াগোঁহাই | ২০০ টকা |
| ৰঘুনাথ চক্ৰৱতী | ১,০০০ টকা | মিনাৰুল ইছলাম | ১ টকা |
| নৰ সিং | ২,০০০ টকা | দীপক কুমাৰ নাথ | ১০০ টকা |
| সুভজিৎ সাহা | ১,২০০ টকা | সুজয় দত্ত ৰয় | ৩,০০০ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

জনসংযোগ/ডি/১৫৬৬/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam https://dipr.assam.gov.in/

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৪ জুন, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## ভূমি কাৰচাজিৰে ক্ৰয় কৰিছে বহু অজনজাতীয় লোকে

# নগাঁও-মৰিগাঁৱত বেদখল জনজাতি বেষ্টনিৰ ভূমি

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৩ জুন ঃ** ৰাজ্য চৰকাৰে সকলো চৰকাৰী ভূমিত হোৱা বেদখল উচ্ছেদ কৰা কথা ঘোষণা কৰাৰ সময়তে নগাঁও আৰু মৰিগাঁও জিলাৰ অন্তৰ্গত ট্ৰাইবেল বেল্ট আৰু ট্ৰাইবেল ব্লক অঞ্চলৰ হেজাৰ হেজাৰ বিঘা চৰকাৰী ভূমি এতিয়াও বেদখলকাৰীৰ কবলতে আছে। জিলা দুখনৰ ট্ৰাইবেল বেল্ট আৰু ট্ৰাইবেল ব্লকসমূহৰ চৰকাৰী ভূমিত সংশ্লিষ্ট অঞ্চলৰ জনজাতীয় লোকসকলৰ একাংশই নহয় বহু সংখ্যক অজনজাতীয় লোকেও অবাধ বেদখল অব্যাহত ৰাখিছে। যাৰ ফলত জিলা দুখনৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ভূমি ক্ৰমাৎ সংকুচিত হৈ পৰিছে।

তথ্য অনুসৰি, নগাঁও জিলাৰ অন্তৰ্গত ট্ৰাইবেল ব্লকৰ সংখ্যা আঠটা। এই ট্ৰাইবেল ব্লককেইটা হৈছে বগৰিগুৰি ট্ৰাইবেল ব্লক, আমচৈ ট্ৰাইবেল ব্লক, বটাবাৰী ট্ৰাইবেল ব্লক, ছয় পৃষ্ঠাত চাওক

## বিলাসনন্দন চ'ৰা




**১০** জনপথ উখল-মাখল। মিটিং পাতিছে পাপ্পুৱে। লগত থাকিব মাদ্ৰে। হয়! ছপাৰ ভুল হোৱা নাই। মাদাৰ নহয়, মাদ্ৰে থাকিব। মাদাৰক ইটালীয়ান লেংগুৱেজত মাদ্ৰে বোলা হয়। পাপ্পু আৰু মাদ্ৰেই মিলিজুলি এই দৰকাৰী মিটিংখন পাতিছে। মিটিঙলৈ সৌ সিদিনালৈকে মাদ্ৰেৰ শ্ৰীচৰণত আৰু পাপ্পুৰ বুকুখনত পৰি থকা আটাইকে মতা হ'ল। আটায়ে আহিব বুলি কথাও দিছে। কিন্তু কোনেও নাজানে যে মিটিংখন কিয় পতা হৈছে। আনকি মাদ্ৰেয়ো নাজানে। জানিবৰ মন গ'ল। এখোজ-দুখোজকৈ মাদ্ৰেই পাপ্পুৰ কাষলৈ আগবাঢ়ি গ'ল। মাদ্ৰেৰ খোজত আজি-কালি আগৰ স্পীড নাই। অন্তৰাত্মাৰ বেটাৰীটো 'মন কী বাত' শুনি শুনি ডেমেজ হৈ গৈছে। বদলাব বিচাৰি আছে, কিন্তু ভাল নতুন বেটাৰী মাৰ্কেটত বিচাৰি পোৱা নাই। পাপ্পুকো বিচাৰি আনিবলৈ ক'ব পৰা নাই। মাদ্ৰেৰ কাৰণে আজি-কালি পাপ্পু আলাদ্দিনৰ চাকিৰ সেই দৈত্যটোৰ নিচিনা হৈ গৈছে। কেতিয়া দেখা দিয়ে, কেতিয়া গায়েব হৈ যায়, তাৰ একো ঠিকনা নাই। সিপিনে মাদ্ৰেৰ হাতত আজি-কালি দিল্লীৰ চাকিটোও নাই যে ঘঁহি দিব আৰু সমস্ত দৈত্য-দানৱে আহি জনপথত ভিৰ কৰিব।

মাদ্ৰেই এখোজ দুখোজকৈ পাপ্পুৰ কাষলৈ গ'ল। সেই সময়ত পাপ্পুৱে কুকুৰটোক বিস্কুট খুৱাই আছিল, যি কুকুৰে খোৱা বিস্কুটৰ কাৰণে বহুতে জনপথ এৰি ৰামপথ লৈছে। কাষলৈ গৈ পাপ্পুক চাই মাদ্ৰেই মাত দিলে, 'ফিগলিঅ'!' হয়! ছপাৰ ভুল হোৱা নাই। ইটালীত পুতেকক ফিগলিঅ' বুলিয়ে মাতে। মাদ্ৰেই সেইবুলিয়ে মাতি পাপ্পুক সুধিলে যে মিটিংখন কিয় কল কৰা হৈছে। পাপ্পুৱে কুকুৰে আধা খোৱা বিস্কুটবোৰ এখন প্লেটত সামৰি লৈ মাদ্ৰেৰ সন্মুখত থিয় দি ক'লে, 'নামটো চেঞ্জ কৰিব লাগিব। এই নামটোৰ পৰাই মানুহৰ মাজলৈ ভুল মেছেজ গৈছে। সেয়া সলাব লাগিব।'

- তই কি সলাব বিচাৰিছ ফিগলিঅ'?
- জনপথৰ নাম্বাৰটো। ১০।




- নাম্বাৰটোৰ কি হ'ল?

মানুহবোৰে ভাৱে যে আমাৰ লগত এতিয়া মাত্ৰ দহজনমান মানুহ আছে, আৰু কোনো নাই। সেই কাৰণে কোনেও পাত্তা নিদিয়ে। পাত্তা নিদিয়ে নাই, ভোটটোও নিদিয়ে।

পাপ্পুৰ ভিতৰি ভিতৰি তামাম খং উঠিল। খংটো কুকুৰৰ মূৰটো পিহি পিহি দমাই লৈ পাপ্পুৱে ক'লে, 'সেই কাৰণে আজি মিটিঙলৈ সৱকে মাতিছো। যিমান মানুহ আহে, সিমান নাম্বাৰ দিম। দহ হেজাৰজন আহিলে হ'ব ১০,০০০ জনপথ। সাতহেজাৰ আহিলে ৭,০০০ জনপথ। যদি পাঁচশজনো আহে, ৫০০ জনপথ। মানে যিমান আহে, সেই হিচাপত জনপথৰ নাম্বাৰিং হ'ব। একেবাৰে জেনুইন হিচাপ।'

পাপ্পুৰ আইডিয়াটো মাদ্ৰেৰো পছন্দ হ'ল। সৱে লিডাৰশ্বিপ চেঞ্জ কৰাৰ কথা কৈ আছে। তেনে কিবা হোৱাৰ আগেয়ে জনপথৰ নাম্বাৰিং চেঞ্জ কৰি দিয়াই ভাল। এটা ধামাকা হ'ব। মিটিঙৰ নিৰ্ধাৰিত সময় পাৰ হওঁ হওঁ। এতিয়ালৈ কোনো আহি পোৱা নাই। পাপ্পুৰ অলপ টেনছন হ'ল। এজন এজনকৈ আটাইকে ফোন লগালে। দুজনমানে ফোন ৰিচিভ নকৰিলে। এজনে ফোন ধৰি বেমাৰ বুলি ক'লে। আন দুজনমানে ভাইৰাছে ধৰা বুলি ক'লে। কেইজনমানে ক'লে— তলাবন্ধ মানি আছে। কেইজনমানে আকৌ ৰামকথা শুনিবলৈ লোৱা বুলি ক'লে। দুজনমানে কুকুৰলৈ ভয় লগা বুলি ক'লে। আন দুজনমানে হাৰি হাৰি ভাগৰ লগা বুলি ক'লে।

পাপ্পুৱে ৰওঁতে ৰওঁতে ৰাতি পুৱাই গ'ল। মাদ্ৰেই আহি পুনৰ পাপ্পুৰ কাষত বহিল। মাদ্ৰেই পাপ্পুৰ মুখলৈ চাই সুধিলে, 'এতিয়া জনপথৰ নাম্বাৰিং কেনেকৈ কৰিবি? নালাগে দে সেইবোৰ কৰিব। যেনেকৈ আছে তেনেকৈয়ে থাকক।' ভৰিৰ তলত বাগৰি থকা কুকুৰটোক ভৰিৰে পিহি পিহি মিহি মিহি কণ্ঠেৰে লাহি লাহি ভংগীৰে বিলাহী বিলাহী ভাৱেৰে পাপ্পুৱে ক'লে, 'নহয় মাদ্ৰে, সলাম বুলি ভাবিছো সলামেই।'

- কেনেকৈ সলাবি?
-১০ৰ জাগাত দুই হ'ব মাদ্ৰে।
-মানে ?
-মানে দুই জনপথ। তুমি আৰু মই। আৰু কোনো নাই।

মাদ্ৰেই থিয় হৈ লৈ ক'লে, 'তিনি জনপথ ৰাখিবি। কমচে কম কেনটোতো আছে।' হয়! ছপাৰ ভুল হোৱা নাই। কুকুৰক ইটালী ভাষাত কেন বোলা হয়।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন অভিযুক্তৰ

**অগ্ৰদূত বাৰ্তা**
**হোজাই/যমুনামুখ, ২৩ জুন ঃ** আজি হোজাইত পত্নীৰ অশ্লীল ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰি অশ্লীল মন্তব্য কৰাৰ অভিযোগত ছয় পৃষ্ঠাত চাওক

## ড্ৰাগছ সেৱনৰ বাবে ধন নাপাই ৰেলৰ আগত জঁপিয়াই আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৩ জুন ঃ** ড্ৰাগছ সেৱনৰ বাবে ধন নাপাই পৰিয়ালৰে কাজিয়াত লিপ্ত হৈ ৰেলৰ আগত পৰি বকো থানাত কৰ্মৰত এজন গাড়ীচালকে আত্মহত্যা কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কামাখ্যা-যোগীঘোপা ৰেলআলিৰ বকো বাঘৰগাঁৱত যোৱা নিশা আত্মহত্যা কৰে ড্ৰাগছ আসক্ত ভেহুৰা নিবাসী ৰমেন দাসে (৩২)। ড্ৰাগছ সেৱন কৰি বিগত দুবছৰে পত্নী আৰু মাতৃক নিৰ্যাতন চলাই আহিছিল ৰমেনে। ছয় পৃষ্ঠাত চাওক



*মূল্যবৃদ্ধিৰ বিৰুদ্ধে বাঁওপন্থী দলৰ প্ৰতিবাদ, মহানগৰীত বুধবাৰে।*

## এসপ্তাহে ভূটান সীমান্তৰ জালীমুখত শ্ৰমদান বানাক্ৰান্ত ৰাইজৰ



### কাণসাৰ নাই সাংসদ-ইএমৰ

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৩ জুন ঃ** এসময়ত গুলিৰ শব্দত ৰাতি পুৱাইছিল। তাত এতিয়া গঢ়ি উঠিছে কৰ্মসংস্কৃতি। তাকো সম্প্ৰতি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত। ইয়াত এতিয়া হাঁহিমুখে আদৰে সকলোকে। কেৱল সেয়াই নহয়, তেওঁলোক ৰাজহুৱা সিদ্ধান্তৰ ক্ষেত্ৰতো অবিচল, অটল। কাম শেষ নোহোৱালৈকে নৰয় থমকি। এইবেলি আসন্ন ভয়াৱহ বানপানীৰ পৰা পৰিত্ৰাণ পাবই লাগিব, নহ'লে সৰ্বনাশ আহিব ঘৰ-বাৰীলৈ। সেয়ে শিলৰ বান্ধ সম্পূৰ্ণ নোহোৱালৈকে চলি থাকিব ৰাজহুৱা শ্ৰমদান কাৰ্যসূচী। উল্লেখ্য যে বৰ্তমানৰ ব্যক্তিকেন্দ্ৰিক, যন্ত্ৰবৎ যুগতো বৃহত্তৰ ৰাজহুৱা স্বাৰ্থত মিশ্ৰিত জাতি-জনগোষ্ঠীৰ লোকে সমিলমিলেৰে এনে দৃঢ় মনোবল অটুট ৰখাৰ বিৰল ঘটনা এসপ্তাহে ঘটি আছে ওদালগুৰি জিলাৰ নৰৈ নদী আৰু ছয় পৃষ্ঠাত চাওক

## কৰ'নাত মৃত্যু অৱসৰপ্ৰাপ্ত সহকাৰী কাৰাধ্যক্ষ কবিন্দ্ৰ চন্দ্ৰ শইকীয়াৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৩ জুন ঃ** এসপ্তাহ পূৰ্বলৈকে সম্পূৰ্ণ সুস্থভাৱে থকা এগৰাকী ৯১ বছৰীয়া ব্যক্তি আকস্মিকভাৱে অসুস্থ হৈ চিকিৎসাধীন হৈ থকাৰ পাছত কালি বিয়লি শেষ নিশ্বাস ত্যাগ কৰাৰ লগে লগে চীনা আগ্ৰাসনৰ সময়ৰ এক ইতিহাসৰ এজন সাক্ষী নোহোৱা হৈ পৰিল। তেজপুৰৰ পলফিল্ড নিবাসী কবিন্দ্ৰ চন্দ্ৰ শইকীয়াই ১৯৩০ৰ ১৮ আগষ্টত নলবাৰীত জন্ম গ্ৰহণ কৰি এইখন জিলাতে বিদ্যায়তনিক জীৱন সাং কৰি তেজপুৰলৈ আহে আৰু ইয়াত প্ৰথম অৱস্থাত তেওঁ ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰে। কিন্তু ১৯৬০ত তেজপুৰস্থিত কেন্দ্ৰীয় কাৰাগাৰত সহকাৰী অধীক্ষকৰূপে যোগদান কৰে। উল্লেখ্য যে এই সময়ৰ পৰাই তেজপুৰ পলফিল্ড অঞ্চলৰ স্থায়ী বাসিন্দা হৈ পৰা শইকীয়া আছিল ১৯৬২ত হোৱা চীনা আগ্ৰাসনৰ অন্যতম সাক্ষী। তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰৰ সকলো বন্দীক মুকলি কৰি দিয়াৰ লগতে সহকাৰী কাৰাধ্যক্ষজনে মুক্ত কাৰাবন্দীসকলে যাতে তেজপুৰত ছয় পৃষ্ঠাত চাওক

## হাজোত পঞ্চায়ত গৃহৰ দেৱাল ভাঙি শ্ৰমিকৰ মৃত্যু

### পুৰণি কাৰ্যালয় ভাঙি থাকোতে হেঁচি ধৰিলে দেৱালে

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৩ জুন ঃ** পঞ্চায়তৰ গৃহৰ দেৱাল ভাঙি শ্ৰমিকৰ মৃত্যু হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে তীৰ্থ নগৰী হাজো অঞ্চলত। পঞ্চায়ত কৰ্তৃপক্ষৰ দায়িত্বজ্ঞানহীন কাণ্ডৰ বাবে অকালতে মৃত্যুক আঁকোৱালি লোৱা শ্ৰমিকজন মনোজ দাস (৪৫)। তথ্য মতে, হাজো উন্নয়ন খণ্ডৰ অন্তৰ্গত ১০০ নম্বৰ ছহিদ সত্যনাথ গাঁও পঞ্চায়তৰ পুৰণি কাৰ্যালয় গৃহটো ভাঙি তাত ৰাজ্য চৰকাৰৰ অনুমোদন সাপেক্ষে নতুন কাৰ্যালয় গৃহ নিৰ্মাণৰ যো-জা চলি আহিছে। সেই অনুসৰি, পুৰণি গৃহটো নিলামত বিক্ৰী কৰিব লাগে যদিও নীতি বহিৰ্ভূতভাৱে কোনো নিলাম আবেদন নোহোৱাকৈ পঞ্চায়তখনৰ সভানেত্ৰী-কাউন্সিলাৰ-সচিবে বাগটা গাঁৱৰ এজন লোকৰ ওচৰত মাত্ৰ ১৫ হেজাৰ টকাত বিক্ৰী কৰে। গৃহটো ক্ৰয় কৰা লোকজনে ওচৰৰে কেইজনমান লোকক শ্ৰমিকৰূপে নিয়োজিত কৰি সাত হেজাৰ টকাত ভঙাৰ বাবে ঠিকা দিয়ে। সেই মৰ্মে কালি পঞ্চায়ত গৃহটো লোককেইজনে ছয় পৃষ্ঠাত চাওক

## ১৯৯৬ত গোষ্ঠীসংঘৰ্ষত সৰ্বস্ব হেৰুৱাই বাস কৰি আহিছে অস্থায়ী শিবিৰত

# ৰায়মনা ৰাষ্ট্ৰীয় উদ্যান ঘোষণাত গভীৰ শংকাত সাতখন গাঁৱৰ বাসিন্দা

**অগ্ৰদূত বাৰ্তা**
**দোতমা/ফকিৰাগ্ৰাম, ২৩ জুন ঃ** ৰাজ্য চৰকাৰে বিশ্ব পৰিৱেশ দিৱসৰ দিনাই কোকৰাঝাৰ জিলাৰ কচুগাঁৱৰ ৰায়মনা অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰাৰ পাছতে উৎফুল্লিত হৈ পৰিছে অঞ্চলবাসী। কিন্তু ইয়াৰ সমান্তৰালকৈ গভীৰ শংকাত ভুগিছে সাতখনকৈ আদিবাসী গাঁৱৰ ৰাইজে। উল্লেখ্য যে ১৯৯৬ত বিটিএডি অঞ্চলত সংঘটিত গোষ্ঠীগত সংঘৰ্ষত প্ৰায় সৰ্বস্ব হেৰুওৱা প্ৰায় তিনিশৰো অধিক আদিবাসী পৰিয়ালে কচুগাঁৱৰ প্ৰায় সাতখন গাঁৱৰ অস্থায়ী শিবিৰত বসবাস কৰি আহিছে। তেতিয়াৰে পৰা তাতে বাস কৰি অহা ভুক্তভোগী লোকসকলে পুনৰ ৰাজ্য চৰকাৰৰ ঘোষণাত আতংকিত হৈ পৰিছে। পূৰ্বৰ চৰকাৰসমূহে ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপনৰ বাবে কোনো পদক্ষেপ লোৱা নাছিল। তাৰ মাজতে ৰাজ্য চৰকাৰে ৰায়মনাক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰে। ৰাষ্ট্ৰীয় উদ্যান ঘোষণাত দুশ্চিন্তাত ভোগা গাঁওসমূহৰ ৰাইজৰ মনত সাহস দিবলৈ আজি সদৌ ছয় পৃষ্ঠাত চাওক

## আলোপতিৰ চৰত ট্ৰেক্টৰৰ খুন্দাত শিশুৰ মৃত্যু



### মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহ নিলে নাৱেৰে

**আলোপতি, ২৩ জুন ঃ** ৰাজ্যৰ চৰ-চাপৰি অঞ্চলসমূহত বাট-পথৰ বিধ্বস্ত অৱস্থা আৰু দুৰ্গম যাতায়াত ব্যৱস্থাৰ বাবে দুৰ্ঘটনাত নিহত এটি কণমানি শিশুৰ মৃতদেহ নাৱৰে আনি পুনৰ নাৱৰে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ আলোপতি অঞ্চলত। আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত কদমতলা ছয়সীমনাত ট্ৰেক্টৰৰ চেপাত কালি ছয় পৃষ্ঠাত চাওক

# বিগত বৰ্ষতে ঘোষণা কৰা যাত্ৰীবাহী হেলিকপ্টাৰ সেৱা অসাৰ

**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ২৩ জুন ঃ** চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা আৰম্ভ হ'ললগীয়া এটা ভাল খবৰ নোহোৱা হ'ল লখিমপুৰ মাজুলীৰ বাবে লখিমপুৰৰ লীলাবাৰী বিমান বন্দৰৰ পৰা মাজুলী হৈ এখন যাত্ৰীবাহী হেলিকপ্টাৰৰ সেৱা চলিত বৰ্ষৰ প্ৰথমৰ পৰাই আৰম্ভ হ'ব বুলি বিগত বৰ্ষতে ঘোষণা কৰা হৈছিল। মাজুলীৰ দৰে বিশ্বখ্যাত অথচ দুৰ্গম যাতায়াত ব্যৱস্থাৰ বৃহত্তম নদীবদ্বীপটোৰ ছয় পৃষ্ঠাত চাওক




### এম ই স্কুলত স্নাতক ডিএলএড নথকাকে প্ৰধান শিক্ষক নিযুক্তি চামগুৰিৰ কনুৱামাৰীত

# নগাঁও প্ৰাথমিক শিক্ষা বিভাগত প্ৰধান শিক্ষক নিযুক্তিত অনিয়ম

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২৩ জুন ঃ** নগাঁও জিলাৰ চামগুৰিস্থ ৰূপহী প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনস্থ কনুৱামাৰী বিচি দাস মজলীয়া বিদ্যালয়ত এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীক প্ৰধান শিক্ষয়িত্ৰীৰূপে শিক্ষা বিভাগে কেলেংকাৰিত নিমজ্জিত হৈ নিযুক্তি দিয়াক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিদ্যালয়খনৰ স্নাতক ডিগ্ৰীধাৰী আৰু ডিএলএড উত্তীৰ্ণ গোসাই চন্দ্ৰ দাসৰ পৰিৱৰ্তে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীক প্ৰধান শিক্ষয়িত্ৰীৰূপে নিযুক্তি দিয়া কাৰ্যৰ বিৰুদ্ধে স্থানীয় ৰাইজে নগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু ৰূপহী খণ্ড শিক্ষা বিষয়াক এই বিষয়ে অভিযোগ দি কে'বাবাৰো সাক্ষাৎ কৰাৰ পাছতো বিষয়টো গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। শিক্ষা বিভাগৰ এনে নীতি বিৰোধী কাণ্ডৰ বিৰুদ্ধে ইতিমধ্যে তিনিখন গাঁৱৰ ৰাইজে প্ৰতিবাদী কাৰ্যসূচী ল'বলৈ কঁকালত টঙালি বান্ধিছে। ৰাজহুৱা অভিযোগ অনুসৰি, কনুৱামাৰী বিচি দাস মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত কুমাৰ ভট্টাচাৰ্যই চলিত বৰ্ষৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। প্ৰধান শিক্ষকজনে অৱসৰ গ্ৰহণ কৰাৰ সময়ত স্থানীয় ৰাইজৰ উপস্থিতিত প্ৰধান শিক্ষক ভট্টাচাৰ্যই বিদ্যালয়ৰ সহকাৰী শিক্ষক গোসাই চন্দ্ৰ দাসক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰূপে দায়িত্ব অৰ্পণ কৰে। সেই মৰ্মে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দাসে এক এপ্ৰিলৰ পৰা বিদ্যালয়খন চলাই আছিল। ৰাজহুৱা অভিযোগ অনুসৰি, ইয়াৰ পাছতে নগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়াই ৰাইজৰ মতামতক গুৰুত্ব নিদি আৰু বিভাগীয় নীতি-নিয়ম জলাঞ্জলি দি নতুন কনুৱামাৰী প্ৰাথমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ প্ৰধান শিক্ষয়িত্ৰীগৰাকীক ছয় পৃষ্ঠাত চাওক

## মহিলা-কিশোৰীক গুজৰাটলৈ নিয়াৰ পথত কুমাৰীকাটাত উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৩ জুন ঃ** ক'ভিডৰ সংক্ৰমণৰ বাবে আন্তঃজিলা যাতায়াত বন্ধ থকাৰ সময়তে কালি পুৱতি নিশা তামুলপুৰৰ কুমাৰীকাটাত কৰ্মসংস্থাপন দিয়াৰ প্ৰলোভনেৰে কে'বাগৰাকী মহিলা-কিশোৰীক বাছেৰে গুজৰাটলৈ নিবলৈ চেষ্টা কৰাৰ সময়তে আৰক্ষীয়ে উদ্ধাৰ কৰে। লগতে পাঁচজন মানৱ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। কুমাৰীকাটা আৰক্ষী ছয় পৃষ্ঠাত চাওক

## প্ৰয়াত বিধায়ক নাৰ্জাৰীৰ গৃহত ৰকিবুল

### শ্ৰীৰামপুৰত দলীয় নেতা-কৰ্মীৰ স'তে পৰ্যালোচনা

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ২৩ জুন ঃ** গোসাঁইগাঁৱৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ মৃত্যুৰ প্ৰায় এমাহ হৈ যোৱাৰ পাছত আজি তেওঁৰ বাসগৃহত উপস্থিত হয় কংগ্ৰেছৰ উপ-সভাপতি ৰকিবুল হুছেইন। উল্লেখ্য যে এইবাৰ মহাজোঁটৰ প্ৰাৰ্থীৰূপে গোসাঁইগাঁৱৰ পৰা নিৰ্বাচিত হোৱাৰ পাছত প্ৰথমে ক'ভিড-১৯ত আক্ৰান্ত হৈ পাছত হৃদযন্ত্ৰ বিকল হৈ যোৱা ২৬ মে'ত মৃত্যু হৈছিল নাৰ্জাৰীৰ। তেওঁৰ মৃত্যুৰ পাছত মুখ্যমন্ত্ৰীকে ধৰি শাসক বিৰোধী দলৰ বহু নেতা তথা বিভিন্ন দল-সংগঠনৰ নেতাসকলে বিধায়কজনৰ গৃহত উপস্থিত হৈ তেওঁৰ সমাধিস্থলত শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ লগত কংগ্ৰেছৰ এটা সঁজাতী দল তথা কোকৰাঝাৰ জিলাৰ নেতৃত্ব উপস্থিত থাকে। ইয়াৰ পাছত শ্ৰীৰামপুৰস্থিত হাতীধূৰা ব্লক কংগ্ৰেছ কাৰ্যালয়ত গোসাঁইগাওঁ জিলা কংগ্ৰেছৰ উদ্যোগত অনুষ্ঠিত এখন দলীয় সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ স্থানীয় নেতা-কৰ্মীসকলৰ স'তে সাংগঠনিক আলোচনা কৰি তেওঁলোকৰ মনোবল বৃদ্ধিৰ প্ৰয়াস চলায় প্ৰদেশ কংগ্ৰেছৰ নেতাসকলে। ছয় পৃষ্ঠাত চাওক

### বন্দুকসহ গ্ৰেপ্তাৰ চোৰাংচিকাৰী ঃ দুজনৰ পলায়ন

## লামডিং সংৰক্ষিত বনাঞ্চলত চোৰাংচিকাৰী-বনৰক্ষীৰ গুলীয়াগুলি

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ/হোজাই, ২৩ জুন ঃ** লামডিং সংৰক্ষিত বনাঞ্চলত আজি দুপৰীয়া চোৰাংচিকাৰীৰে গুলীয়াগুলিৰ ঘটনা সংঘটিত হয় বনৰক্ষীৰ। টহলদাৰী বনৰক্ষীৰ দললৈ তিনিজনীয়া চোৰাংচিকাৰীয়ে গুলিচালনা কৰাত এজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে লামডিং বন বিভাগৰ নিয়মীয়া তালাচী অভিযানৰ অংশৰূপে আজি দুপৰীয়াও বন বিষয়া ছহিদুল আলমৰ নেতৃত্বত বনৰক্ষীৰ এটা দলে বনাঞ্চলত তালাচী চলায়। সেই সময়তে তিনিজন চোৰাংচিকাৰীয়ে হাতে সজা বন্দুকৰে হঠাৎ বনকৰ্মীৰ দললৈ লক্ষ্য কৰি দুজাঁই গুলিচালনা কৰে। প্ৰত্যুত্তৰত বন বিভাগেও ছয় পৃষ্ঠাত চাওক

## ক'ভিডৰ ভুৱা প্ৰমাণপত্ৰ দাখিল কৰি বিপদত নগাঁৱৰ কৃষি বিষয়া

### মহকুমা কৃষি বিষয়াৰ বিৰুদ্ধে নগাঁও গোচৰ চিকিৎসকৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৩ জুন ঃ** ক'ভিডৰ ভুৱা প্ৰমাণপত্ৰ দাখিল কৰি বিপদত পৰিছে নগাঁও জিলাৰ মহকুমা কৃষি বিষয়াই। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ মহকুমা কৃষি বিষয়া প্ৰবীণ বৰুৱাৰ বিৰুদ্ধে জালিয়াতিৰে ক'ভিডৰ প্ৰমাণপত্ৰ উলিওৱা বুলি অভিযোগ কৰি নগাঁও সদৰ আৰক্ষী থানাত গোচৰ তৰিছে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ চিন্ময় শৰ্মাই। এই সন্দৰ্ভত আজি ডাঃ শৰ্মাই কয়, 'কৃষি বিষয়া প্ৰবীণ বৰুৱাৰ বিৰুদ্ধে কালি নগাঁও সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছো। বিষয়াজনে নিৰ্লজ্জ কাম কৰিছে। তেওঁৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত। চৰকাৰেও তদন্ত কৰি তেওঁৰ বিৰুদ্ধে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা উচিত।' উল্লেখ্য যে বিগত সময়ত নগাঁও জিলা কৃষি বিভাগত দপ্‌দপাই থকা কৃষি বিষয়াজনৰ নামত ছয় পৃষ্ঠাত চাওক

### পাঠশালাত মন্ত্ৰী বৰা-দাসক স্মাৰকপত্ৰ প্ৰদান

## ছেপ্টেম্বৰৰ পৰা থিয়েটাৰ আৰম্ভ কৰাৰ সিদ্ধান্ত প্ৰযোজক সন্থাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**পাঠশালা, ২৩ জুন ঃ** পাঠশালাত জন্ম লাভ কৰা ভ্ৰাম্যমাণ থিয়েটাৰ এতিয়া সংকটৰ গৰাহত। এতিয়া এই পাঠশালাতেই ভ্ৰাম্যমাণ থিয়েটাৰ ৰক্ষা কৰাৰ শেষ চেষ্টা কৰিছে ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সন্থাই। আজি পাঠশালাৰ কহিনুৰ থিয়েটাৰ বাকৰিত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ সভাত ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজকসকলক সন্থাই আগন্তুক ছেপ্টেম্বৰ-অক্টোবৰত নাট মঞ্চস্থ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী আৰু মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰ প্ৰদানৰ পাছতে আজি প্ৰযোজকসকলে মন্ত্ৰীদ্বয়ৰ স'তে প্ৰায় আধা ঘণ্টা সময় ভ্ৰাম্যমাণ থিয়েটাৰৰ সন্দৰ্ভত কিছু পৰ্যালোচনা কৰে। আজি কহিনুৰ থিয়েটাৰ বাকৰিত বৰদৈচিলা থিয়েটাৰৰ প্ৰযোজক নজৰুল ইছলামৰ সভাপতিত্বত হোৱা গুৰুত্বপূৰ্ণ সভাখনত ভাগ্যদেৱী থিয়েটাৰৰ প্ৰযোজক সুবোধ মজুমদাৰ, কহিনুৰ থিয়েটাৰৰ প্ৰযোজক তপন লহকৰ, নয়নতৰা থিয়েটাৰৰ প্ৰযোজক নৱ দাস, ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক সন্থাৰ সম্পাদক ক্ষীৰোদ কনিকৰ, চিৰঞ্জীৱ থিয়েটাৰৰ প্ৰযোজক দুলুমণি দাস, সূৰ্য থিয়েটাৰৰ প্ৰযোজক মুনীন্দ্ৰ বৰ্মন, বৃন্দাৱন থিয়েটাৰৰ প্ৰযোজক বংকিম মেধি, নটসূৰ্য থিয়েটাৰৰ জগদীশ গগৈ আদি উপস্থিত হৈ এনে এক গুৰুত্বপূৰ্ণ সিদ্ধান্তত উপনীত হয়। একেলগে আজি প্ৰযোজক সন্থাৰ লগত পাঠশালা বজাৰ কমিটীৰ সভাপতি গিৰিধৰ চৌধুৰী উপস্থিত হৈও মন্ত্ৰী বৰাক পাঠশালা বজাৰ ছয় পৃষ্ঠাত চাওক



## বিশ্বনাথ-কুকুৰমাৰা-বৰমাত দুৰ্ঘটনা তিনিজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি/ছয়গাঁও/বৰমা, ২৩ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত সংঘটিত পথ দুৰ্ঘটনাত আজি এগৰাকী মহিলাসহ তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে এজন আহত হয়। বিশ্বনাথ চহৰৰ সমীপত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত বিশ্বনাথ পৌৰসভাৰ নগৰ প্ৰকল্প বিষয়া ৰাজীৱ আহমেদৰ আজি মৃত্যু হয়। লখিমপুৰ অভিমুখে গৈ থকা সেনা জোৱানৰ গাড়ীৰ তলত স্কুটীসহ সোমাই যায় ৰাজীৱ আহমেদ। আজি পুৱা এ এছ-৩২ ৭৪৬৪ নম্বৰৰ স্কুটীখনৰে গৈ থকাৰ সময়ত বিশ্বনাথ চাৰিআলি দ'-গাঁও পেট্ৰ'ল পাম্পৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৯ আহাৰ ১৪২৮ভাস্কৰাব্দ ২৪ জুন ২০২১

## তৃতীয় ঢৌৰ আতংক

বিজ্ঞানী তথা মানৱ সমাজ এক অভূতপূৰ্ব প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই প্ৰত্যাহ্বান হ'ল কৰ'না ভাইৰাছৰ প্ৰতিষেধক ওলোৱাৰ আৰু সাৰ্বজনীন ব্যাপক টিকাকৰণৰ পাছতো কৰ'নাৰ নতুন নতুন প্ৰজাতি সৃষ্টি হোৱাটো। শেহতীয়াকৈ ডেল্টা প্ৰজাতিৰ ভাইৰাছে ভাৰতত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। যোৱা ২০২০ৰ কৰ'না ভাইৰাছতকৈ ডেল্টা ভাইৰাছ বহুগুণে অধিক বিপজ্জনক। এই ভাইৰাছ প্ৰথমে ভাৰতৰ মহাৰাষ্ট্ৰতেই দেখা দিছিল আৰু ই ক্ষিপ্ৰভাৱে বিয়পি বিশ্বৰ ৮০ খন দেশত সংক্ৰমণ ঘটাইছে। ইয়াক বিশ্ব স্বাস্থ্য সংস্থাই উদ্বেগজনক প্ৰজাতি হিচাপে চিহ্নিত কৰিছে। বিপজ্জনক ডেল্টা প্ৰজাতিৰ সংক্ৰমণ বিশ্বজুৰি অব্যাহত থকাৰ সময়তে আহিছে 'ডেল্টা প্লাছ' প্ৰজাতিৰ ভাইৰাছ। এই ভাইৰাছ ডেল্টা প্ৰজাতিৰেই পৰিৱৰ্তিত ৰূপ (মিউটেন্ট)। ডেল্টা প্লাছ ভাইৰাছ ভাৰতৰ তিনিখন ৰাজ্যত ইতিমধ্যে বিয়পিছে। এই তিনিখন ৰাজ্য হ'ল মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ আৰু কেৰালা। ডেল্টা প্লাছ ভাইৰাছৰ বৈজ্ঞানিক নাম এ ৱাই. ১ দিয়া হৈছে। ভাৰতৰ কেন্দ্ৰীয় স্বাস্থ্য সচিবৰ মতে ভাৰতত এই পৰ্যন্ত ৪০ জন লোক ডেল্টা প্লাছত আক্ৰান্ত হৈছে। ভাৰতৰ বাহিৰেও এতিয়ালৈকে বিশ্বৰ নখন দেশলৈ ডেল্টা প্লাছ প্ৰজাতিৰ ভাইৰাছ বিয়পিছে। সেই দেশকেইখন হ'ল— আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, পৰ্তুগাল, ছুইজাৰলেণ্ড, জাপান, পোলেণ্ড, নেপাল, চীন আৰু ৰাছিয়া। ডেল্টা প্ৰজাতিৰ ভাইৰাছত ভাৰতত প্ৰতিদিনে চাৰি লাখ নতুনকৈ আক্ৰান্ত হৈছিল যদিও এতিয়া ২৪ ঘন্টাত দেশত নতুনকৈ আক্ৰান্তৰ সংখ্যা ৫০ হেজাৰলৈ নামিছে। বিভিন্ন নিষেধাজ্ঞা, তলাবন্ধ আৰু ব্যাপক টিকাকৰণৰ ফলত ডেল্টা ভাইৰাছৰ সংক্ৰমণ নিয়ন্ত্ৰণলৈ আহিছে বুলি ক'ব পাৰি; কিন্তু ডেল্টা প্লাছ প্ৰজাতিৰ ভাইৰাছৰ বিষয়ত প্ৰয়োজনীয় তথ্য বিশেষজ্ঞসকলে লাভ কৰা নাই। বিশেষজ্ঞসকলে ডেল্টা প্লাছ ভাইৰাছৰ আটাইতকৈ বিপজ্জনক চৰিত্ৰ দেখা পাইছে। এই ভাইৰাছৰ পৰা এন্টিবডিয়েও আক্ৰান্তজনক সুৰক্ষা দিবলৈ সম্পূৰ্ণ সক্ষম নহয়। অৰ্থাৎ ডেল্টা প্লাছ ভাইৰাছৰ ওচৰত এন্টিবডিয়েও হাৰ মানিবলগীয়া হৈছে। ই যদি সত্য হয়, তেন্তে সকলোৰে বাবে ই চিন্তাৰ কাৰণ হৈ পৰিব। উল্লেখ্য যে প্ৰতিষেধকে মানৱ শৰীৰত ৰোগ প্ৰতিৰোধক শক্তি (ইমিউনিটী) বৃদ্ধি কৰে আৰু ইয়াৰ ফলত এন্টিবডি সক্ৰিয় হয়। এন্টিবডিয়ে বিপজ্জনক ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিয়ে আৰু সুৰক্ষা প্ৰদান কৰে; কিন্তু যদিহে নতুন প্ৰজাতিৰ ভাইৰাছে এন্টিবডিৰ ওচৰত হাৰ নামানে, তেন্তে সি চিন্তাৰ বিষয়। এই কথাও বিজ্ঞানী তথা বিশেষজ্ঞসকলে স্পষ্ট কৰি দিছে যে প্ৰতিষেধক লোৱাৰ পাছতো কৰ'নাৰ বিভিন্ন প্ৰজাতিৰ ভাইৰাছত মানুহ আক্ৰান্ত হ'ব পাৰে; কিন্তু প্ৰতিষেধকৰ ফলত আক্ৰান্তজনৰ অৱস্থা জটিল হ'ব নোৱাৰে। আনহাতে, প্ৰতিষেধকে এজন লোকক কিমানদিনলৈ বিপজ্জনক ভাইৰাছৰ পৰা সুৰক্ষা প্ৰদান কৰিব পাৰিব সেই সন্দৰ্ভত বিজ্ঞানীসকল নিশ্চিত নহয়। এটা বছৰলৈকে প্ৰতিষেধকে প্ৰতিষেধক লওঁতাজনক সুৰক্ষা দিয়াৰ সম্ভাৱনা আছে বুলি বিজ্ঞানীসকলে মত ব্যক্ত কৰিছে। সেয়ে মাৰাত্মক ঘাতক ভাইৰাছৰ বিৰুদ্ধে মানুহে কিদৰে আৰু কিমানদিনলৈ যুঁজ দিব লাগিব সেই বিষয়ে নিশ্চিতভাৱে ক'ব নোৱাৰি। এনে এক জটিল পৰিৱেশ আৰু অনিশ্চয়তাৰ মাজতে ডেল্টা প্লাছ ভাইৰাছ নাইবা আন নতুন ভাইৰাছৰ প্ৰজাতিৰ সৃষ্টি হোৱাটো অতি উদ্বেগজনক।

এইদৰে কৰ'না ভাইৰাছৰ নতুন নতুন পৰিৱৰ্তিত প্ৰজাতি (মিউটেন্ট) বিজ্ঞানী তথা মানৱ সমাজৰ বাবে বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। ভাৰতৰ দৰে দেশৰ বাবে যদি সাৰ্বজনীন আৰু সম্পূৰ্ণ টিকাকৰণৰ বাবে আৰু এটা বছৰ লাগে, তেন্তে ভৱিষ্যতে কেনে পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে সেই বিষয়ে আগজাননী দিয়া সম্ভৱ হোৱা নাই। এই মুহূৰ্তত ভাৰতৰ দৰে দেশৰ বাবে টিকাকৰণ অভিযান সম্পূৰ্ণ কৰাটোৱেই প্ৰধান লক্ষ্য হৈ পৰিছে। ভাৰতে যোৱা সোমবাৰে ৮৫ লাখ লোকক প্ৰতিষেধক প্ৰদান কৰি অভিলেখ সৃষ্টি কৰিছে; কিন্তু এনেদৰে অভিলেখ সৃষ্টি কৰি থকাৰ বাবে প্ৰতিষেধক পৰ্যাপ্ত পৰিমাণে আছেনে? নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰ্যাপ্ত পৰিমাণৰ প্ৰতিষেধক উৎপাদনে অগ্ৰাধিকাৰ পোৱা উচিত আৰু দেশৰ ই লক্ষ্য হোৱা উচিত। শেহতীয়াকৈ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ সঞ্চালক ডাঃ ৰণদীপ গুলেৰিয়াই সতৰ্ক কৰি দিছে যে যদিহে কৰ'না স্বাস্থ্য বিধি সম্পূৰ্ণ ৰূপত মানি চলা নহয়, স্বাস্থ্য বিধি উলংঘা কৰা হয়, তেন্তে ভাৰতত অহা ডেৰ-দুমাহৰ ভিতৰত কৰ'নাৰ তৃতীয় ঢৌৰ সৃষ্টি হ'ব। ভাৰতৰ বাবে এই সময়ত কৰ'নাৰ আন এটা ঢৌৰ সন্মুখীন হোৱাটো কিদৰে সম্ভৱ? কৰ'নাৰ দ্বিতীয় ঢৌ নিয়ন্ত্ৰণৰ যুঁজতে দেশ আজিও ব্যস্ত হৈ আছে। ডেৰ মাহৰ পাছতে আন এটা ঢৌ আহিলে কি অৱস্থা হ'ব সেই ছবিখন কল্পনা কৰাও কঠিন। চৰকাৰে যাতে কৰ'নাৰ প্ৰথম ঢৌৰ সময়ত কৰা ভুলৰে পুনৰাবৃত্তি নকৰে সেই বিষয়ত সতৰ্কতা অৱলম্বন কৰা অত্যন্ত জৰুৰী। চাৰি লাখৰ পৰা কৰ'না আক্ৰান্ত ২৪ ঘন্টাত ৫০ হেজাৰলৈ নিম্নগামী হোৱাত অত্যুৎসাহী হৈ পৰা উচিত নহ'ব। পূৰ্ণগতিত টিকাকৰণ অভিযান অব্যাহত ৰাখি কৰ'না স্বাস্থ্য বিধিসমূহ মানি চলাটো সকলোৰে বাবে বাধ্যতামূলক হ'ব লাগে। কৰ'না স্বাস্থ্য বিধি উলংঘা কৰা মানে পুনৰ সংক্ৰমণৰ আন এটা ভয়াৱহ ঢৌৰ সৃষ্টি হোৱা। এইমছৰ সঞ্চালক ডাঃ গুলেৰিয়াই সেয়ে মাস্ক পৰিধান, হাত পৰিষ্কাৰ কৰা আৰু সামাজিক দূৰত্ব ৰক্ষা— এই স্বাস্থ্য বিধিৰ ওপৰত বিশেষ গুৰুত্ব দিছে। এই স্বাস্থ্য বিধি— বিশেষকৈ মাস্ক পৰিধান বাধ্যতামূলক কৰিব নোৱাৰিলে তৃতীয় ঢৌক বাধা দিয়া সম্ভৱ নহ'ব।

## খো লা ম ঞ্চ

### অসমৰ নতুন চৰকাৰখনে কিবোৰ বিষয়ত গুৰুত্ব দিয়া উচিত?



**অসমত** পুনৰ বিজেপি চৰকাৰ গঠিত হ'ল।নতুন মুখ্যমন্ত্ৰীজনৰ কৰ্মস্পৃহা, সাহসিকতা আৰু প্ৰত্যুৎপন্নমতি গুণৰ বাবে ৰাজ্যখনে বিশেষ উন্নয়নৰ গতি লাভ কৰিব বুলি আমি আশাবাদী। কাৰণ ৰজা কৰ্মযোগী হ'লে অনুগত প্ৰজাসাধাৰণ কৰ্মযোগী নহৈ নোৱাৰে। এতেকে প্ৰতিশ্ৰুতিবোৰৰ যথাযথ ৰূপায়ণ হোৱাটোৱে যেনেকৈ এক আশাৰ বতৰা কঢ়িয়াই আনিছে, তেনেকৈ বহু চৰকাৰৰ দিনত সমাধান নোহোৱা সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত নতুন চৰকাৰখনে বিশেষ গুৰুত্ব প্ৰদান কৰাটো বাঞ্ছনীয়। বিদেশী বহিষ্কাৰ, ভাষা-সাহিত্য-সংস্কৃতি আৰু অস্তিত্বৰ ভাবুকি নিৰ্মূল কৰাত অগ্ৰাধিকাৰ দিয়াটো অৱশ্যেই গুৰুত্ব প্ৰদান কৰিব লগা বিষয়। বানপানী, গৰাখহনীয়া, ঘৰ-বাৰী, ৰাস্তা-ঘাটৰ দুৰ্যোগেই অসমীয়া জাতিৰ প্ৰধান বিপৰ্যয় হিচাপে চিহ্নিত। নতুন চৰকাৰখনে এনেবোৰ বিপৰ্যয়ৰ বিজ্ঞানসন্মত সমাধানত গুৰুত্ব দিয়া নিতান্তই উচিত বুলি ভবাৰ থল আছে। সুপ্ত-মৃত উদ্যোগবোৰৰ পুনৰ প্ৰচলনৰ দ্বাৰা কৰ্মসংস্কৃতি বৃদ্ধি কৰাটোও এই চৰকাৰৰ হ'ব অন্য এক বিশেষ সাফল্য। কৰ্মসংস্কৃতিলৈ আওকাণ কৰা অসমীয়া নৱ প্ৰজন্মৰ বাবে ন ন কৃষি পদ্ধতি সৃষ্টি কৰি স্বাধীন জীৱন দান কৰিব পৰাটোও এই চৰকাৰৰ নতুন সাফল্য।

**পৰাণ চন্দ্ৰ দাস,** *লেখক*

অৰ্থনৈতিক চিন্তাৰে বৃত্তিমুখী অথবা উৎপাদনমুখী কৰ্মত আগ্ৰহী হ'লে ব্যক্তিস্বাৰ্থ আৰু সামূহিক স্বাৰ্থ উভয়ৰে জয়যাত্ৰা নিশ্চিত হ'ব। চৰকাৰখনে তাৰ ওপৰতো বিশেষভাৱে নিৰপেক্ষ দৃষ্টি দিয়াটো উচিত হ'ব। জাতিৰ সৰ্বদিশ সুৰক্ষিত আৰু সুনিশ্চিত কৰিব পৰাটো চৰকাৰখনৰেই দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত। যাৰ বাবে চৰকাৰৰ সমান্তৰালকৈ জনসাধাৰণো সকলো দিশতে প্ৰধান সহায়ক হোৱা উচিত। ৰাইজৰ নিষ্ঠা আৰু আস্থা অবিহনে ৰাজ্য এখন উন্নতিৰ দিশলৈ ধাৱমান হ'ব নোৱাৰে।

*ফোন ঃ ৯৮৫৪২৯৪০২০*

**বহু জল্পনা-কল্পনাৰ অন্তত মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰীৰ পৰীক্ষা বাতিল**

# মূল্যায়ন পদ্ধতিৰ উৎকণ্ঠাৰ অন্ত কেতিয়া?



মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা পতা-নপতাৰ বিষয়টোক লৈ কৰ্তৃপক্ষৰ লগতে ৰাইজৰো অযথা আৰু প্ৰচুৰ সময় নষ্ট হৈছে। সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে কৰ্তৃপক্ষৰ বাৰু আলোচনা-বিলোচনা কৰোঁতে সময় গৈছে; কিন্তু ৰাইজৰ সময় গৈছে কেৱল বাতৰিৰ পম খেদোঁতে। সকলোৰে জনা কথা যে কৰ'না ৰোগৰ আক্ৰমণ হ্ৰাস নোহোৱালৈকে পৰীক্ষা অনুষ্ঠিত হ'ব নোৱাৰে। তথাপি মানুহৰ মাজত অন্তহীন জল্পনা-কল্পনা। পৰীক্ষা-কৰ্তৃপক্ষ, ছেবা-কাউন্সিল, ছাত্ৰ সন্থা, শিক্ষা বিভাগ, বুদ্ধিজীৱী, সাংবাদিক আদি সকলোৰে উদ্বিগ্নতা, স্বয়ম্ভু 'অথৰিটী'কে ধৰি বিভিন্ন 'অথৰিটী'য়ে নিজাববীয়াকৈ ব্যক্ত কৰা মতামত, স্পেকুলেচন আদিৰ বাতৰি প্ৰকাশ আৰু সেই অযথা বাতৰি পঢ়ি আৰু দেখি-শুনি ছাত্ৰ-ছাত্ৰীসকল বিভ্ৰান্ত হোৱাৰ লগতে ৰাইজৰ বহুমূলীয়া সময়ৰ অপচয়।

অৱশেষত সকলোৰে জনা কথাটোৱে হ'ল। ১৮ জুনত অনুষ্ঠিত হোৱা এখন সভাৰ অন্তত চৰকাৰে ঘোষণা কৰিলে যে কৰ'না ৰোগৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত পৰীক্ষাসমূহ বাতিল কৰা হ'ব আৰু শিক্ষাৰ্থীৰ আগৰ ৰেকৰ্ডৰ ভিত্তিত মূল্যায়ন কৰি ৩১ জুলাইৰ ভিতৰত ফলাফল ঘোষণা কৰা হ'ব। অৱশ্যে পৰীক্ষা বাতিল কৰাৰ কথাটো অনেকৰ বাবে অপ্ৰত্যাশিতভাৱে অহা কথা।

উল্লেখ্য যে চেন্ট্ৰেল ব'ৰ্ড অৱ ছেকেণ্ডাৰী এডুকেচনে (চি বি এছ ই) মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা বাতিল কৰাৰ বাবে কাহানিবাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। তাকে দেখিও আৰু কৰ'না সংক্ৰমণৰ চোক একেই থকা সত্ত্বেও ছাত্ৰ সন্থা প্ৰমুখ্যে এচাম লোক তথা সংগঠনে অসমত পৰীক্ষা দুটা অনুষ্ঠিত কৰাৰ বাবে হৈ-চৈ লগাইছিল। উল্লেখ্য যে মেট্ৰিকৰ লগতে হাই মাদ্ৰাছা পৰীক্ষাও অনুষ্ঠিত কৰা হয়; কিন্তু সকলোৱে কেৱল মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী চূড়ান্ত পৰীক্ষাৰ কথাহে কয়। তদুপৰি মেট্ৰিক বুলি কোনো পৰীক্ষা নাই; ক'বলৈ সহজ কাৰণে মানুহে হাইস্কুল শিক্ষান্ত পৰীক্ষাক মেট্ৰিক বুলিয়েই কয়। 'হাইস্কুল শিক্ষান্ত' শব্দগাঁথাও মোৰ মতে ভুল। পৰীক্ষাটোৰ নাম 'হাইস্কুল লিভিং চাৰ্টিফিকেট' পৰীক্ষাহে। 'উচ্চ বিদ্যালয় প্ৰস্থান প্ৰমাণপত্ৰ' পৰীক্ষা।

যি হওক, ছাত্ৰ সন্থাই পৰীক্ষা পতা-নপতাক লৈ কৰা ইমান হৈ-চৈৰ কাৰণ জনা নাযায়। অ-ছাত্ৰ ছাত্ৰ নেতা এচামে পৰীক্ষা পতাৰ কৰ্তৃপক্ষ ব'ৰ্ড অৱ ছেকেণ্ডাৰী এডুকেচন আৰু আছাম হায়াৰ ছেকেণ্ডাৰী এডুকেছন কাউন্সিল নামৰ অনুষ্ঠান দুটাক দায়িত্বহীন আৰু অজ্ঞ লোকেৰে ভৰা অনুষ্ঠান বুলি ভাবি যদি অনুষ্ঠান দুটাক তেওঁলোকৰ দায়িত্বৰ কথা সোঁৱৰাই দিব খুজিছিল, তেন্তে সেইটো উচিত কথা হোৱা নাই। ছাত্ৰ-ছাত্ৰীৰ হিতৰ বাবে সন্থাটোৱে মাত মাতক বাৰু; কিন্তু পৰীক্ষাটোকে এটা ইছ্যু কৰি লৈ সন্থাটোৱে সমাজখনত অযথা অস্থিৰতাৰ সৃষ্টি কৰাটোও সজ কথা হোৱা নাই। যোৱা আঠ জুনত জনতা ভৱনত শিক্ষা বিভাগৰ স'তে অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, চৰকাৰৰ সমাজ কল্যাণ, স্বাস্থ্য, পৰিবহণ আদি বিভাগ, অসম মাধ্যমিক শিক্ষা পৰিষদ, উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, কামৰূপ মহানগৰ, মৰিগাঁও, নগাঁও জিলাৰ উপায়ুক্ত আদি কে'বাটাও সংগঠনৰ যৌথ সভা এখন অনুষ্ঠিত কৰা হৈছিল। আলোচনাৰ অন্তত শিক্ষা বিভাগ বা পৰীক্ষা কৰ্তৃপক্ষই নহয়, আছু আৰু এবছুৰ নেতাইহে সংবাদ মাধ্যমক অৱগত কৰে যে আগষ্টৰ প্ৰথম সপ্তাহত পৰীক্ষাবোৰ অনুষ্ঠিত কৰা হ'ব। আছুৰ সভাপতি দীপাংক নাথে কয় যে তিনি দিনৰ ভিতৰতে যাতে পৰীক্ষা অনুষ্ঠিত কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰা হৈছে। এবছুৰ সভাপতি দ্বীপেন বড়োৱে কয় যে তেওঁলোকে আগবঢ়োৱা পৰামৰ্শই সঠিক বুলি বিবেচিত হৈছে আৰু সেই পৰামৰ্শৰ ভিত্তিতে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। লগতে তেওঁ কয় যে দুয়োটা পৰীক্ষাতে বিষয় সংখ্যা হ্ৰাস পাব আৰু তিনিটা বিষয়ত এশ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সম্ভাৱনা আছে। এই তিনিটা বিষয়ৰ ভিতৰত শিক্ষাৰ্থীগৰাকীয়ে লাভ কৰা সৰ্বোচ্চ নম্বৰৰ ভিত্তিত পৰীক্ষা নিদিয়া তিনিটা বিষয়ত সম-পৰ্যায়ৰ নম্বৰ দিয়াৰ সম্ভাৱনা থকা বুলিও বড়োৱে সংবাদ মাধ্যমক অৱগত কৰায়। আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যই কয়, যদি তিনিটা বিষয়ত পৰীক্ষা অনুষ্ঠিত হয়, তেন্তে শিক্ষাৰ্থীজনক নিজ ইচ্ছাৰে সেই বিষয় নিৰ্বাচন কৰাৰ সুবিধা দিয়াৰ সম্ভাৱনা আছে। আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই এক

সোঁতৰ বিপৰীতে চিন্তা

প্ৰবীণ চৌধুৰী



আগষ্টৰ পৰা ১০ আগষ্টৰ ভিতৰত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ শিক্ষা বিভাগে পৰিকল্পনা যুগুত কৰা বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। অতি আশ্চৰ্যৰ কথা যে শিক্ষা বিভাগে সংবাদ মাধ্যমৰ যোগেদি অথবা জাননী যোগে ৰাইজক জনাবলগীয়া কথাবোৰ ছাত্ৰ সন্থাইহে জনাবলৈ আগভাগ ল'লে। ভাগ্যে যেনিবা পৃথক সংবাদ মেল যোগে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইবাৰ পৰম্পৰাগত পদ্ধতিৰ বিপৰীতে কম বিষয় আৰু নম্বৰেৰে দুয়োটা পৰীক্ষা অনুষ্ঠিত কৰিব বুলি আৰু কেন্দ্ৰীয় চৰকাৰ আৰু চি বি এছ ইৰ নিৰ্দেশনা অনুযায়ী পাঁচ ছেপ্টেম্বৰৰ ভিতৰত ফলাফল ঘোষণা কৰা হ'ব বুলি ঘোষণা কৰে। পহিলা আগষ্টৰ পৰা ১৫ আগষ্টৰ ভিতৰত পৰীক্ষা অনুষ্ঠিত কৰাৰ সম্ভাৱনা থকাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীৰ লগত চূড়ান্ত সিদ্ধান্ত লৈ নিৰ্দেশনা জাৰি কৰিব বুলিও তেওঁ কয়।

দুদিনৰ পাছতে ১০ জুনত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে ১৫ জুলাইৰ পৰা ২০ জুলাইৰ ভিতৰত মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। লগতে তেওঁ কয় যে এক জুলাইৰ ভিতৰত কৰ'না পজিটিভিটী দুই শতাংশৰ তললৈ নাহিলে পৰীক্ষা বাতিল কৰা হ'ব। এদিন বা দুদিনত অনুষ্ঠিত কৰিবলগীয়া এই পৰীক্ষাৰ প্ৰশ্ন কাকত 'অবজেক্টিভ টাইপ'ৰ হ'ব আদি অনেক কথাই মুখ্যমন্ত্ৰীয়ে কৈছে। লক্ষ্যণীয় যে আঠ জুনৰ দিনা শিক্ষা বিভাগে কে'বাটাও চৰকাৰী বিভাগ, বিভিন্ন দল-সংগঠন আদিৰ স'তে আলোচনা কৰি পহিলা আগষ্টৰ পৰা ১৫ আগষ্টৰ ভিতৰত পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্তক মূল্যহীন কৰি মুখ্যমন্ত্ৰীয়ে ১৫ জুলাইৰ পৰা ২০ জুলাইৰ ভিতৰত পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। চৰকাৰৰ মুৰব্বী হিচাপে বিভাগীয় সিদ্ধান্ত অথবা পৰামৰ্শ নাকচ কৰি মুখ্যমন্ত্ৰীয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাটো বিভাগীয় মন্ত্ৰী, বিষয়া আদিৰ বাবে গ্ৰহণীয়; কিন্তু বীৰদৰ্পে একৰ পৰা ১০ আগষ্টৰ ভিতৰত পৰীক্ষা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰা ছাত্ৰ সন্থা দুটাই ইয়াৰ বাবে অপমান বোধ কৰা নাইনে?

নাই, তেওঁলোকে অপমান বোধ নকৰে। ১৮ জুনত অনুষ্ঠিত হোৱা যৌথ আলোচনামৰ্মে পৰীক্ষা বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত আছু আৰু এবছুৱে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা বাতিল হ'লেও ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক স্বাৰ্থ সুৰক্ষিত হ'বই লাগিব। অথচ যি আলোচনাৰ ভিত্তিত চৰকাৰে পৰীক্ষা বাতিল কৰাৰ কথা ঘোষণা কৰিছিল সেইখন সভাত আছুৰ সভাপতি দীপাংক নাথ আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য আৰু এবছুৰ সভাপতি দ্বীপেন বড়োও উপস্থিত আছিল। ভট্টাচাৰ্যৰ মতে তেওঁলোকে সদায় দাবী কৰি অহা তিনিটা বিষয় হৈছে, শিক্ষাৰ্থীৰ শৈক্ষিক বছৰ নষ্ট হ'ব নোৱাৰিব, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক স্বাৰ্থ সুৰক্ষিত হ'ব লাগিব আৰু স্বাস্থ্যৰ কোনো ক্ষতি হ'ব নোৱাৰিব। এই কৰ'না কালত তেওঁলোকেই উপায় দিয়কচোন ছাত্ৰ-ছাত্ৰী পঢ়াশালিলৈ নোযোৱাকৈ আৰু পৰীক্ষা নিদিয়াকৈ এই তিনিওটা বিষয় কেনেদৰে নিশ্চিত কৰিব পৰা যাব। যিটো সম্ভৱ নহয় সেইটোৰ ওপৰত অনাহকত সৰৱ হৈ থাকি এই সংগঠনসমূহে নিজৰ অস্তিত্ব আৰু উপস্থিতি সাব্যস্ত কৰাৰ বাহিৰে সমাজৰ একো হিত সাধন কৰা নাই। সংবাদ মাধ্যমেও এওঁলোকক কিয় ইমান গুৰুত্ব প্ৰদান কৰি আহিছে সেই কথাও জনা নাযায়।

যি হওক বৰ্তমানৰ স্থিতি হৈছে পৰীক্ষা অনুষ্ঠিত কৰা নহয় আৰু পৰীক্ষা অনুষ্ঠিত নকৰাকৈ পৰীক্ষা দিবলৈ অৰ্হতা আহৰণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন কেনেদৰে কৰিব পাৰি আৰু তাৰ ভিত্তিত কেনেদৰে ফলাফল ঘোষণা কৰিব পাৰি তাৰ পৰামৰ্শ দিয়াৰ বাবে সমিতি গঠন। সমিতিয়ে প্ৰতিবেদন যুগুতোৱাৰ পাছত চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰে, সি লক্ষ্যণীয় হ'ব; কিন্তু ত্ৰুটিমুক্ত মূল্যায়ন পদ্ধতি এটা উলিয়াব পাৰিব বুলি আশা কৰা নাযায়।

উল্লেখ্য যে মন্ত্ৰীসভাৰ ১৬ জুনৰ কেবিনেট সভাই সাধাৰণ পৰীক্ষাৰ মডেলিটীৰ মাজেৰে এইবাৰ পৰীক্ষা অনুষ্ঠিত কৰাটো সম্ভৱ নহয় বুলি আৰু ১৮ জুনত শিক্ষা বিভাগে বিভিন্ন সংগঠন সমন্বিতে সকলো পক্ষৰ স'তে আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি মত ব্যক্ত কৰিছে। স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ মতে সভাত স্বাস্থ্য বিভাগৰ পৰা সকলো দিশ সামৰি প্ৰেজেন্টেছন দিয়া হৈছিল। তেওঁৰ মতে চাৰি লাখ ৪০ হেজাৰ শিক্ষাৰ্থী মেট্ৰিক আৰু হাই মাদ্ৰাছাত আৰু আঢ়ৈ লাখ পৰীক্ষাৰ্থী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব। সাত লাখ পৰীক্ষাৰ্থীৰ লগত একোজনকৈ অভিভাৱক, যান-বাহন, শিক্ষক-শিক্ষয়িত্ৰী, পৰিদৰ্শক আদিকে ধৰি প্ৰায় ২০ লাখৰ ওচৰা-উচৰি জনসমাগম হ'ব। মে'-জুনত ০-১৮ বছৰৰ ১৪.৮ শতাংশ আৰু ১১-১৮ বছৰৰ ১০ শতাংশ লোক কৰ'নাত আক্ৰান্ত হয়। সংখ্যা হিচাপে সংক্ৰমিত হোৱা সেই বয়সৰ লোক ২৫ হেজাৰ। তদুপৰি কামৰূপ মেট্ৰ'ৰ বাহিৰে বাকী জিলাত সংক্ৰমণ কমা নাই। বৰঞ্চ বাঢ়িহে আছে। পৰীক্ষণৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে আক্ৰান্তৰ হাৰ হ্ৰাস পাইছে যদিও সংখ্যাৰ দিশেৰে প্ৰতিখন জিলাতে আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। স্বাস্থ্য বিভাগে এই পৰিস্থিতিত পৰীক্ষা অনুষ্ঠিত কৰাৰ পোষকতা কৰা নাই। আনহাতে, কেবিনেটেও পৰীক্ষা অনুষ্ঠিত কৰাটো সম্ভৱ নহয় বুলি মত প্ৰকাশ কৰিছে। গতিকে, এই কথা স্পষ্ট যে কেবিনেটৰ উক্ত মতামতসমূহৰ পাছত বিভিন্ন সংগঠনৰ স'তে ১৮ জুনত অনুষ্ঠিত কৰা সভাখন আনুষ্ঠানিকতাৰ বাহিৰে আন একো নাছিল।

**সমগ্ৰ দেশতে একেটা পদ্ধতিতে একেই পাঠ্যপুথি আৰু পাঠ্যক্ৰমৰে শিক্ষাদান কৰি একেই প্ৰথাৰে পৰীক্ষা অনুষ্ঠিত কৰা, মূল্যায়ন কৰাৰ ব্যৱস্থা আদি হোৱা ভাল। এনে এটা ব্যৱস্থা থকা হ'লে আজি দেশ জুৰি পৰীক্ষাকেন্দ্ৰিক যি খেলিমেলিৰ সৃষ্টি হৈছে সেইটো নহ'লহেঁতেন**

মোৰ বোধেৰে সমগ্ৰ দেশতে একেটা পদ্ধতিতে একেই পাঠ্যপুথি আৰু পাঠ্যক্ৰমৰে শিক্ষাদান কৰি একেই প্ৰথাৰে পৰীক্ষা অনুষ্ঠিত কৰা, মূল্যায়ন কৰাৰ ব্যৱস্থা আদি হোৱা ভাল। এনে এটা ব্যৱস্থা থকা হ'লে আজি দেশ জুৰি পৰীক্ষাকেন্দ্ৰিক যি খেলিমেলিৰ সৃষ্টি হৈছে সেইটো নহ'লহেঁতেন। গতিকে মই ভাবো, ৰাজ্যসমূহৰ ব'ৰ্ড আৰু কাউন্সিলসমূহ ভংগ কৰি মাধ্যমিক পৰ্যায়ৰ সকলো ছাত্ৰ-ছাত্ৰীক চি বি এছ ইৰ অধীনলৈ নিয়াৰ কথাও কৰ্তৃপক্ষই এই সময়তে চিন্তা-চৰ্চা কৰিব পাৰে।

বৰ্তমান কৰ'না কালতো পৰীক্ষা পতা-নপতাক লৈ দেশজুৰি একেটা সিদ্ধান্ত লোৱা হ'লে ভাল আছিল। তাৰ বাবে এতিয়াও সময় উকলি যোৱা নাই। ব্যক্তিগতভাৱে মই ভাবো যে পৰীক্ষা অনুষ্ঠিত নকৰাকৈ বিভিন্ন পৰীক্ষা-সম্পৰীক্ষাৰে ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ ঘুণীয়া মাৰ্কশ্বিট প্ৰদান কৰি চিৰদিন তেওঁলোকক হা-হুমুনিয়াহ কাঢ়ি থাকিবলৈ বাধ্য কৰাটো ঠিক নহ'ব। তাৰ সলনি ছাত্ৰ-ছাত্ৰীক এটা শৈক্ষিক বছৰ লোকচান কৰিব দিয়া হ'লে বেছি ভাল হ'লহেঁতেন। কেন্দ্ৰীয় চৰকাৰে এতিয়াও তেনে এটা সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। এই বিষয়ে অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক পৰামৰ্শ দিয়াৰ কথা চিন্তা কৰিব পাৰে।

মোৰ বোধেৰে অনলাইন শিক্ষা আৰু অনলাইন পৰীক্ষা এটা সময়ত গৈ শিক্ষা ব্যৱস্থাৰ অপৰিহাৰ্য অংগ হৈ পৰিবগৈ। গতিকে বৰ্তমানৰ পৰিস্থিতিয়ে অনা বাধ্যবাধকতাৰ বাবে শিক্ষাখণ্ডত যি নতুন নতুন পৰীক্ষা-সম্পৰীক্ষাৰ প্ৰয়োজন হৈ পৰিছে, তাৰ ফলশ্ৰুতিত শিক্ষাখণ্ডত যি সংস্কাৰ সাধন হ'ব, তাৰ স'তে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লগত সংগতি ৰাখি অনলাইন শিক্ষা আৰু অনলাইন পৰীক্ষা কেনেদৰে সম্পৃক্ত কৰি লোৱা হয়, সেই বিষয়ে চিন্তা-চৰ্চা কৰাৰ বাবেও এইটোৱেই বোধহয় উপযুক্ত সময়।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# মানৱ জীৱনৰ শ্ৰেষ্ঠ সম্পদ মানসিক শান্তি

## যন্ত্ৰণাৰ মাজতো আমি আশাবাদী ঃ কৰ'না যুঁজত জয়লাভ কৰি অসুখীয়া পৃথিৱীয়ে এদিন পুনৰ হাঁহিব

মন আশাবাদী হ'লে জীৱনো ইতিবাচক হয়। কৰ'না কালৰ জটিল পৰিৱেশৰ মাজত আমি এটা কথাই হৃদয়ংগম কৰা উচিত যে মানৱ জীৱন অসংখ্য ঘটনাবহুল পৰিস্থিতিৰ সমন্বয়। দুৰ্বল মনৰ অধিকাৰীসকলে ভয়াৱহ পৰিস্থিতিৰ পৰা মুক্তিৰ পথ বিচাৰি দিক্‌ভ্ৰান্ত হৈ পৰে; কিন্তু যিকোনো পৰিস্থিতিৰ স'তে মোকাবিলা কৰিব পৰাকৈ নিজৰ মানসিকতা সলনি কৰাটোহে অধিক গুৰুত্বপূৰ্ণ। জীৱনৰ বাটত সন্মুখীন হোৱা জটিল পৰিস্থিতিসমূহৰ ভাল-বেয়া দুটা দিশ থাকে। আমি সাধাৰণতে বেয়া দিশটোৰ ওপৰতহে অধিক গুৰুত্ব দি চিন্তিত হৈ পৰো। ইতিবাচক দৃষ্টিৰে চালে বিষণ্ণ সময়কো উপভোগ্য কৰি তুলিব পাৰি। ঠিক সেইদৰে কৰ'নাৰ আতংকই আমাক মানসিকভাৱে জুৰুলা কৰাৰ উপৰি জীৱন নিৰ্বাহৰ ক্ষেত্ৰত সততেই আমি গুৰুত্ব নিদিয়া বহুতো উপকাৰী দিশ শিকাই গ'ল। পৰোপকাৰী হোৱাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা, নিয়মানুবৰ্তিতা আদিৰ দৰে মানৱীয় গুণসমূহ জাগ্ৰত কৰি তোলাত কৰ'নাই জ্ঞান দিছে। আধুনিকতাৰ ধামখুমীয়াত বিসৰ্জন দিয়া বহু নীতি-নিয়মক সুস্বাস্থ্যজনিত কাৰণতেই পুনৰ অভ্যাসত পৰিণত কৰিবলৈ কৰ'না পৰিস্থিতিয়ে সকলোকে বাধ্য কৰি তুলিলে। কঠিন সময়ৰ স'তে মোকাবিলা কৰিবলৈ আমি যিমানেই চেষ্টা কৰো, কিছুমান সময়ত হতাশা, ব্যৰ্থতা, উদাসীনতা অহাটো তেনেই স্বাভাৱিক। কিছুমান নেতিবাচক দিশে সততে আমাৰ লগ নেৰিলেও বহুতো লোকে স্বভাৱগত বৈশিষ্ট্যৰ বাবেই ব্যৰ্থতাক জানি-বুজি প্ৰশ্ৰয় দিয়ে, আনহাতে এজন দৃঢ় মনৰ ব্যক্তিয়ে অদম্য ইচ্ছা শক্তিৰ বাবে বিফলতাকো সফলতালৈ পৰ্যবসিত কৰি ল'ব পাৰে।

মানুহ মাত্ৰেই সমাজপ্ৰিয়, সামাজিক শৃংখলাৰ মাজত জীৱন বাটৰ বাধা নেওচি আগুৱাই যায় এজন আনজনৰ পৰিপূৰক হৈ; কিন্তু এতিয়া যে সময়ৰ গতি ওলোটা দিশত ববলৈ ধৰিছে। নিৰাপত্তাজনিত কাৰণতেই কুটিল সময়ৰ আহ্বানত এজনে আনজনৰ পৰা দূৰত্ব অতিক্ৰম কৰি থাকিবলৈ অনিচ্ছা সত্ত্বেও বাধ্য। এই সময়ত কৰ'না প্ৰট'কল অৱজ্ঞা কৰিলে নিজৰ লগতে আনৰো বিপদ অনিবাৰ্য। কোনো দিনে নভবা এক অস্বাভাৱিক জীৱনশৈলীৰ জালত আমি বন্দী হৈ পৰিলো। ওচৰ চুবুৰীয়া, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, শুভাকাংক্ষীসকলৰ সম্পৰ্কৰ স'তে বান্ধ খাই থাকে আমাৰ দৈনন্দিন

অৱলোকন

চাইৰা ইছলাম বড়া



স্নেহবন্ধনৰ জীৱন গাথা। তেনেস্থলত পৰিয়ালৰ লোকসকলৰ মাজতেই দূৰত্ব বৰ্তাই ৰখাটো কিমান যন্ত্ৰণাদায়ক অভিজ্ঞতা এই কঠিন সময়ে বাৰুকৈয়ে শিকাই গ'ল।

এটা সুস্থ জীৱন যাপনৰ বাবে মনৰ শান্তি অটুট থকাটো খুবেই প্ৰয়োজন। এই শ্বাসৰুদ্ধকৰ জীৱনশৈলীত মানসিক সন্তুলন নিয়ন্ত্ৰণ কৰি ৰখাটো অতি কষ্টকৰ হ'লেও উপায়ান্তৰ হৈ জীৱশ্ৰেষ্ঠ মানুহ হিচাপে সকলোৱে পাৰ্যমানে চেষ্টা চলাইছে নিজকে সংযত কৰি ৰাখিবলৈ। ব্যক্তি বিশেষৰ মনৰ স্বাধীনতা যেতিয়া খৰ্ব হয়, তেতিয়াহে ভুক্তভোগীসকলে অনুভৱ কৰে এই যন্ত্ৰণা কিমান বেদনাদায়ক। ভাৰাক্ৰান্ত মন এটাৰে হাতত তুলি লোৱা কোনো কামেই সফল হৈ নুঠে। ব্যক্তি স্বাধীনতা মানেই সমাজৰ নীতি-নিয়মক উলাই কৰি উচ্ছৃংখল জীৱন যাপন কৰাটো নুবুজায়। মুকলি মন এটাৰে দ্বিধাহীনভাৱে জীৱন যাপন কৰাটো সকলোৰে মৌলিক অধিকাৰ। এই অধিকাৰ খৰ্ব হ'লে আত্মদ্বন্দ্বত ভোগাটো অৱশ্যম্ভাৱী হ'লেও জটিল সময়ত সকলোৱে বুজি পোৱা উচিত যে আমি পৰিস্থিতিৰ দাস। অপেক্ষাৰ বাদে যেতিয়া হাতত আন বিকল্প নাথাকে তেতিয়া সময়ৰ সোঁতৰ স'তে মোকাবিলা কৰিব পৰাটোৱেই উত্তম উপায়। সময়ে যে এদিন এনে অস্বাভাৱিক ৰূপত গতি সলাব কল্পনাৰো অতীত আছিল।

কৰ'না কালৰ সময়ছোৱাত ইতিমধ্যে বহু আত্মীয়-স্বজনক চিৰদিনৰ বাবে হেৰুৱাই মৃতকৰ শেষ দৰ্শন কৰাটো বাদেই, খবৰ কৰাৰ পৰাও বিৰত থাকিবলগীয়া হ'ল। ওচৰ চুবুৰীয়াৰ লগতে আপোনজনৰ আপদে-বিপদে খবৰ লোৱাটোও এতিয়া যে নীতিবিৰুদ্ধ। এনে ধৰণৰ দীৰ্ঘদিনীয়া বিচ্ছেদৰ অভিজ্ঞতাৰ ফলত মানুহৰ মাজত বৰ্তাই ৰখা মানৱীয় সম্পৰ্কবোৰ ক্ৰমান্বয়ে শিথিল হৈ পৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। বিশেষকৈ নিলগীয়াকৰণে অবুজ শিশুসকলৰ মনস্তাত্ত্বিক দিশটোৰ ওপৰত বাৰুকৈয়ে নেতিবাচক প্ৰভাৱ পেলাইছে। সকলো শিশুৱে বিচাৰে মুকলি মন এটাৰে সমনীয়াৰ স'তে খেলা-ধূলাৰ মাজেৰে সময় অতিবাহিত কৰিবলৈ। হঠাতে স্তব্ধ হৈ পৰা পৰিৱেশৰ জটিলতাই তেওঁলোকৰ মনত যথেষ্ট আঘাত হানিছে। এনে ক্ষেত্ৰত শিশুসকলৰ মানসিক স্থিতি কিছু অস্থিৰ হৈ পৰাটো নুই কৰিব নোৱাৰি। কৰ'নাৰ স'তে দীঘলীয়া সময় সহবাস কৰিবলগীয়া হ'লে মানুহৰ মনৰ পৰা আত্মীয়তাৰ ভাববোৰ হয়তো বহু পৰিমাণে হ্ৰাস পাব। কৰ'না বিধিৰ বাধ্যতামূলক দূৰত্বই সকলো বয়সৰ লোকৰ মাজত কম-বেছি পৰিমাণে মানসিক চাপ বৃদ্ধি কৰিছে। খোজে প্ৰতি এক ভয়াৰ্ত উত্তেজনাই মনত ক্ৰিয়া কৰি থকাৰ ফলত স্বাভাৱিকতে অসহিষ্ণু লোকৰ সংখ্যা বহুখিনি বৃদ্ধি পাইছে।

জীৱন মৃত্যুৰ এই দোদুল্যমান ক্ষণতো



টিঙৰ পৰা ননমা এচাম অহংকাৰী মানুহৰ গৰ্ব খহাই আওপকীয়াকৈ পৃথিৱীয়ে অট্টহাস্য কৰি সতৰ্কবাণী শুনাইছে যেন প্ৰকৃতিৰ স'তে ফেৰ পাতি লাভ নাই, প্ৰকৃতিৰ উৰ্ধ্বত কোনোৱেই হ'ব নোৱাৰে। নিষ্ঠুৰ সময়ৰ শিহৰণকাৰী দৃশ্য দেখি ভৱিৰ তলৰ খোপনি হেৰুওৱাৰ উপক্ৰম হৈছে জীৱশ্ৰেষ্ঠৰ। কৰ'নাৰ উপৰ্যুপৰি আঘাতত থকা-সৰকা হোৱা ক্লান্ত হৃদয়বোৰে এতিয়া জিৰণিৰ অৱকাশেই নোপোৱা হ'ল।

সময়ৰ আহ্বানক স্বীকাৰ কৰি লোৱাৰ বাদে সন্মুখত যেতিয়া বিকল্প পথ নাথাকে, তেতিয়া পৰিস্থিতিৰ স'তে মোকাবিলা কৰি আগুৱাই যাবলৈ নিজকে মানসিকভাৱে প্ৰস্তুত কৰি লোৱাটোৱেই জ্ঞানীজনৰ কাম। যন্ত্ৰণাৰ মাজতো আমি আশাবাদী কৰ'না যুঁজত জয়লাভ কৰি অসুখীয়া পৃথিৱীয়ে এদিন পুনৰ হাঁহিব। অনাহকতে উদ্বিগ্নতা নবঢ়াই অপৰিসীম ধৈৰ্য্যৰে অনাকাংক্ষিত বিপদৰ সময়ত মনোবল অটুট ৰাখিব নোৱাৰিলে মানুহ হোৱাৰ অৰ্থই নাথাকিব। পৰাপক্ষত দুঃচিন্তাবোৰক প্ৰশ্ৰয় নিদি যোগাত্মক কামবোৰৰ মাজত ব্যস্ত থাকিলে মানসিক তৃপ্তি পোৱা যায়। মৃত্যু অনিবাৰ্য হ'লেও জীয়াই থকা সময়খিনি কিছু এৰা-ধৰাৰ মাজেৰে নিশ্চয় উপভোগ্য কৰি তুলিব পাৰি। যিহেতু বলিষ্ঠ আত্মবিশ্বাসৰ প্ৰভাৱত দুখৰ হুমুনিয়াহবোৰ সুখৰ হাঁহিলৈ পৰ্যবসিত কৰাৰ অস্ত্ৰপাত আমাৰ মাজতেই যে নিহিত হৈ আছে।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

## স্থান-কাল-পাত্ৰ

**বৰ্তমান** কৰ'না সংক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ কাৰণে মানুহে কিছুমান নীতি-নিয়ম পালন কৰিবলৈ বাধ্য। ৰোগৰ ঔষধতকৈও নীতি-নিয়ম পালন কৰাটো অধিক ফলপ্ৰসু। মাস্ক পৰিধান আৰু দূৰত্বৰ ব্যৱধান মানি চলাটো ৰোগ সংক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ উপায়। ইয়ালৈ লক্ষ্য ৰাখি চৰকাৰে কিছুমান নীতি-নিৰ্দেশনা বান্ধি দিছে, যিবোৰ ৰাইজৰ পালনীয়। ঘৰতে থকা, অপ্ৰয়োজনত ঘৰৰ পৰা বাহিৰ নোলোৱাটো ৰোগ-সংক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ অৱলম্বন! কিন্তু মন কৰিবলগীয়া যে ঘৰৰ বাহিৰ নোলোৱাকৈ কোনোৱে জীৱন-ধাৰণ কৰা সম্ভৱ নহয়।

চৰকাৰী চাকৰিয়ালসকলৰ জীৱন-ধাৰণ কৰা সহজ; ইয়াৰ বিপৰীতে ব্যক্তিগত ব্যৱসায়-বাণিজ্য কৰা লোক, দিন হাজিৰা কৰা, ঠেলা-ৰিক্সা চলোৱা লোকসকলে ঘৰৰ বাহিৰ ওলাব নোৱাৰিলে জীৱন-ধাৰণ কৰিব যে নোৱাৰে এই কথা বুজাত কাৰো অসুবিধা নাই। পেটৰ দায় প্ৰথম, তাৰ পাছতহে অন্যান্যবোৰ। ঘৰৰ বাহিৰ ওলোৱা ৰুদ্ধ হ'লে, ঘৰতে নাখায় বা খাব নাপায় মৃত্যুমুখত পাৰিব লাগিব। বেমাৰ আহিও উভতি যাব লাগিব। কিছুদিন পাছতে বানপানী হ'ব। তেতিয়াও ৰাইজৰ বহুতে যে জীয়াতু ভুগিব লাগিব, এই কথা যেন নিপাতনে সিদ্ধ। সাধাৰণ শ্ৰেণীৰ মানুহে সদায় পেটৰ ভাতমুঠিৰে চিন্তাত আৱদ্ধ থকাৰ পাছত ৰোগৰ চিন্তা গৌণ হৈ পৰিবলৈ বাধ্য। এতিয়া সাধাৰণ শ্ৰেণীৰ মানুহে জীয়াই থকাৰ অৱলম্বন হেৰুৱাই, ক'ভিড মহামাৰীৰ আক্ৰমণৰ আগতে মৃত্যুমুখত পৰিব লাগিব যেন নহ'লনে?

অ ভি ম ত

একমাত্ৰ পেটৰ চিন্তাতে কিছুমান মানুহ যে বিপথগামী হৈছে সি কাৰো দুৰ্বোধ্য নহয়। অভাৱত স্বভাৱ নষ্ট হোৱা সত্যক বিনাদ্বিধাই স্বীকাৰ কৰিব লাগিব। আজিৰ পৰিৱেশে এচাম মানুহক জীয়াই থাকোতে মৃত্যু যন্ত্ৰণাত ছট্‌ফটাব লগীয়া কৰিছে। জীৱন যুদ্ধত কৰ'না যুদ্ধই স্থান পাব কেনেকৈ? পেটৰ চিন্তাৰ বাহিৰে আন কোনো চিন্তাই আগত হ'ব নোৱাৰে যিসকল লোকৰ তেওঁলোকৰ কাৰণে নীতি-নিৰ্দেশনাৰ গুৰুত্বই বা ক'ত? কৰ'না যিমানেই ভয়াৱহ নহওক কিয়, সি পেটৰ জ্বালাৰ তল।

**কেশৱ শৰ্মা,** *ফোন ঃ ৯৪০১৮৭৯৪০৮*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৪ জুন বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫



# কলাসুলভ কথোপকথন

## আকৰ্ষণীয়কৈ বা কলাসন্মতভাৱে কথা কোৱাৰ কোনো ধৰা-বন্ধা নিয়ম নাই



দৃষ্টিপাত

ড° গোৱিন্দ প্ৰসাদ শৰ্মা

**অলপতে** 'দৈনিক অগ্ৰদূত'ত (১৭ জুন, ২০২১) ৰীণা বিশ্বাসৰ 'বাচ্যকলা' নামৰ এটা নিৱন্ধ পঢ়িলো। 'বাচ্যকলা' শব্দটোতে প্ৰথমে থমকি ৰ'লো। এয়ানো আকৌ কি? শব্দটোকেইচোন ক'তো শুনা নাই; কিন্তু ৰীণা বিশ্বাস মই জনাততো অসমীয়াৰে ছাত্ৰী আৰু উচ্চ পৰ্যায়ৰে অসমীয়াৰ শিক্ষয়িত্ৰীও। গতিকে শব্দটো নিশ্চয় মইহে নাজানো। লেখাটো কৌতূহল ভৰা মনেৰে পঢ়ি চালো। পঢ়িয়েই মনটো আনন্দত জঁপিয়াই উঠিল। শীৰ্ষনামটো যদিও আচহুৱা, তাৰ বিষয়টোচোন মোৰ তেনেই আপোন। অথচ এই বিষয়ত মইতো একো লিখাৰ কথা ভবাই নাছিলো। ৰীণা বিশ্বাসত বাহিৰে অসমীয়াত অন্য কোনোৱে এই বিষয়ত লিখাৰ কথাও মই নাজানো। যেন এইটো লিখাৰ বাবে এটা বিষয়েই নহয়। কিন্তু ৰীণা বিশ্বাসৰ নিৱন্ধটো পঢ়ি দেখিলো এইটো লিখা আৰু চৰ্চা কৰাৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ বিষয়।

বাচ্যকলা বা সহজে বুজাৰ বাবে, কলাসুলভ কথোপকথন বিষয়টোনো কি? বহুদিন ধৰি মোৰো মনত ভাব হৈ আছিল যে আমি অসমৰ মানুহবোৰ কথা-বতৰাত তেনেই বাস্তৱমুখী বা উদ্দেশ্যমুখী— ইংৰাজীত যিটোক কয়— functional. ক'বলগীয়া কথাখিনি যে সজাই-পৰাই মানুহৰ মন বহাকৈ ক'ব পাৰি, সেই কথা আমাৰ চেতনাত নাথাকে। মনৰ ভাবটো বুজাকৈ ক'ব পাৰিলেই হ'ল।

কিন্তু উন্নত জাতিবোৰৰ উন্নত সমাজত কথা আকৰ্ষণীয়কৈ কোৱাৰ অভ্যাস মানুহৰ থকাই নহয়, ইয়াৰ চৰ্চাৰ বাবেও বিভিন্ন উপায় অৱলম্বন কৰা দেখা যায়। আকৰ্ষণীয়কৈ বা কলাসন্মতভাৱে কথা কোৱাৰ অৱশ্যে কোনো ধৰা-বন্ধা নিয়ম নাই; লিখাৰ ষ্টাইল উন্নত বা মোহনীয় কৰিবলৈ যেনেকৈ ধৰা-বন্ধা নিয়ম নাই। কথা এষাৰ কোৱাৰ লগে লগে সেই কলাৰ সজাগতা আহিব লাগে আৰু নিজৰ বুদ্ধিত নিজৰ ক্ষমতা বা প্ৰতিভা অনুসৰি তাক সজাই-পৰাই ক'ব লাগে। তাৰ বাবে বক্তাজন উচ্চ শিক্ষিত হ'ব লাগিব, তেনে কোনো কথা নাই। কিন্তু শব্দ ভাণ্ডাৰত থকা কথাখিনিৰ সদ্ব্যৱহাৰৰ বাবে উদ্ভাৱন শক্তি তথা কল্পনা শক্তি লাগিব। শব্দ ভাণ্ডাৰ চহকী কৰিবলৈ অৱশ্যে বক্তাজনৰ গ্ৰন্থ, কাকত, আলোচনী পঢ়া অভ্যাস লাগে। সেইবোৰতহে শব্দৰ ব্যৱহাৰৰ বিস্তৃত ক্ষেত্ৰ দেখা যায়— য'ৰ পৰা শিকিব পাৰি। অকল মানুহৰ মুখৰ পৰা শিকিবলৈ, মানুহনো আমি দিনটোত কিমান ধৰণৰ কিমানজন লগ পাওঁ?

অকল লিখাৰ পৰা শিকিবলৈকো কেৱল বাতৰি কাকত পঢ়িলেই নহ'ব। বাতৰি কাকতৰ ভাষা সাধাৰণতে পোনপটীয়া আৰু সৰলাৰ্থক। তাকো এক উন্নত ষ্টাইললৈ উন্নীত কৰিব পাৰে উচ্চ শ্ৰেণীৰ বা সাহিত্যিক প্ৰতিভাসম্পন্ন সাংবাদিকেহে। নাটকৰ সংলাপ, উপন্যাস-গল্পৰ ষ্টাইল, কবিতাৰ পাঠ— এইবোৰৰ পৰা শব্দৰ ব্যৱহাৰত বিচক্ষণতা অৰ্জন কৰিব পাৰি। ভাল সাহিত্যিক গুণসম্পন্ন নাটকৰ অভিনয় চোৱাটোও এটা ৰসাল কথা কোৱাৰ উপায় হ'ব পাৰে।



সপ্তদশ-অষ্টদশ শতাব্দীৰ ইংৰাজী নাটকত কলা-কুশলী, বুদ্ধিদীপ্ত কথা-বতৰা বা সংলাপ ব্যৱহাৰৰ এটা আন্দোলনেই গঢ়ি তোলা হৈছিল। এই নাটকবোৰক এটা সুকীয়া শ্ৰেণীত বিভক্ত কৰি তাক drama of repartee বোলা হৈছিল। ইংলণ্ডত কংগ্ৰীভৰ (congreve) দৰে নাট্যকাৰ এনে নাট্য আন্দোলনৰ শীৰ্ষৰ নাট্যকাৰ আছিল। সাহিত্য-সংস্কৃতিত ইংৰাজসকলতকৈয়ো ফৰাচীসকলক আগত বুলি ইংৰাজ সমালোচক, সাহিত্যিকসকলেও সাধাৰণতে জ্ঞান কৰে। এইবিধ ইংৰাজী নাটকৰ আৰ্হিও আছিল ফৰাচী নাটকহে।

এনে কলাসন্মত ভাৱপ্ৰকাশক লেখাৰ বা সংলাপৰ বা কথা-বতৰাৰ সমাদৰ ইংলণ্ডত ইমানেই বাঢ়িল যে ঊনবিংশ শতাব্দীৰ শেষৰ পিনৰ পৰা বিংশ শতাব্দীলৈ আমি সেই দেশত ভাব প্ৰকাশত বিচিত্ৰ কলাৰ প্ৰয়োগেৰে শ্ৰোতাক বা পাঠকক চমক খুৱাব পৰা বহুতো সাহিত্যিকৰ আৱিৰ্ভাৱ হোৱা দেখো। অস্কাৰ ৱাইল্ড (১৮৫৪-১৯০০), জি কে চেষ্টাৰটন (১৮৭৪-১৯৩০) আৰু বাৰ্ণাৰ্ড শ্ব (১৮৫৬-১৯৫০) এনে সাহিত্যৰ উজ্জ্বলতম প্ৰতিভা। তেওঁলোক নিজৰ কথা-বতৰাতো অতি উজ্জ্বল। তেওঁলোকৰ প্ৰচলিত থকা দুই-এক কাহিনীৰ পৰাই এই কথা বুজা যাব। জি কে চেষ্টাৰটন আছিল বেচ শকত-আৱত। বাৰ্ণাৰ্ড শ্ব ক্ষীণ-মীন। ইজনৰ খ্যাতি সিজনৰ ঈৰ্ষাৰ বিষয়। সেইবাবে পাৰে মানে দুয়ো দুয়োৰে পৰা আঁতৰি ফুৰে; কিন্তু এবাৰ চেষ্টাৰটন ৰেলেৰে এঠাইলৈ গৈ থাকোতে এটা ষ্টেছনত তেওঁৰ দবাটোতে উঠিলগৈ বাৰ্ণাৰ্ড শ্ব। দেখিয়েই চেষ্টাৰটনে বাক্যবাণ মাৰিলে— 'মিঃ শ্ব, আপোনাক দেখি ইংলণ্ডৰ মানুহে ভাবিব, এই দেশত দুৰ্ভিক্ষ হৈছে!' শ্বৰ লগে লগে ওলোটা বাণ— 'মিঃ চেষ্টাৰটন, আৰু আপোনাক দেখি মানুহে ভাবিব যে ইংলণ্ডৰ এই দুৰ্ভিক্ষৰ কাৰণ আপুনিয়েই।'

কথাত এনে ৰসৰ সৃষ্টি কৰাৰ বাবে যেনিবা সূক্ষ্ম বুদ্ধিদীপ্তি (wit) অথবা প্ৰত্যুৎপন্নমতি (presence of mind) হ'ব লাগিব— যি গুণ মূলতঃ জন্মগত। এনে নাটক পঢ়ি তাক আংশিক পৰিমাণেহে আয়ত্ত কৰিব পাৰি। আকৌ আমাৰ স্বাধীনতা আন্দোলনৰ এজন সৰ্বজন মান্য নেতা আচাৰ্য কৃপালনি। তেওঁৰ বুদ্ধিদীপ্তি সকলোৰে শ্ৰদ্ধাৰ বিষয়; কিন্তু তেওঁ দেখাত ৰূপৱান নহয়। আনহাতে তেওঁৰ বিয়া হ'ল ৰূপৱতী বাঙালী মহিলা সুচেতাৰ লগত। এজন বাঙালী ভদ্ৰলোকৰ বোধহয় ঈৰ্ষা হ'ল। তেওঁ কৃপালনিক লগ পাই ক'লে— 'কৃপালনিজী, আপুনি ইমান কুৰূপ, অথচ ইমান প্ৰতিভাশালী।' কৃপালনিৰ তাৎক্ষণিক উত্তৰ, 'কিন্তু আপোনালোকৰ বংগদেশত মোৰ সমান ধুনীয়া পুৰুষ এজনেই দেখো নোলাল, যিহৰ ফলত সুচেতাই মোকে বিয়া কৰালে। বংগদেশৰ সকলো পুৰুষতকৈতো ময়েই ধুনীয়া বুলি প্ৰমাণ হৈ আছে।'

কিন্তু এনেবোৰ বুদ্ধিদীপ্ত বা কলাসুলভ কথা-বতৰা খণ্ড খণ্ড অংশৰ উদাহৰণহে। এনে কথা-বতৰাত অসাধাৰণ প্ৰতিভা দেখুওৱা লোকো আছে, যিয়ে তেওঁৰ কথাৰ অসাধাৰণ কলা গুণেৰে মানুহক তেওঁ কথা কৈ থকা গোটেই কালছোৱা মুগ্ধ কৰি ৰাখিব পাৰে। শব্দজ্ঞান, শব্দ ব্যৱহাৰৰ বিচক্ষণতা আৰু বাস্তৱ জীৱন আৰু অধ্যয়নলব্ধ জ্ঞানৰ সম্পদেৰে এওঁলোক সম্পদশালী; আৰু মানুহৰ আকৰ্ষণৰ বিষয়। এনে গুণেই তেওঁলোকৰ আকৰ্ষণীয় ব্যক্তিত্ব গঢ়ি তুলিছে। এনে এজন লোকৰ উদাহৰণ দিওঁহক। তেওঁ কোনো হক কাৰণত বিখ্যাত নহয়। বৰঞ্চ এক ব্যতিক্ৰমী কাৰণতহে বিখ্যাত— বা বিখ্যাত by default. তেওঁ হ'ল দিবানাথ সেন। তেওঁৰ খ্যাতিৰ কাৰণ তেওঁ কথাছবি জগতৰ বিস্ময়কৰ সুন্দৰী প্ৰতিভা সুচিত্ৰা সেনৰ স্বামী। কিন্তু তেওঁ দেখাত অতি জধলা; দেহাৱয়ৱ আৰু মুখমণ্ডলতো ক'তো একো আকৰ্ষণ বা সৌন্দৰ্য নাই। অথচ সুচিত্ৰাৰ দৰে এক অনিন্দ্য, অতুলনীয় সুন্দৰীয়ে তেওঁকে বিয়া কৰাব পাৰিলে কেনেকৈ?

কলিকতাৰ এখন বিয়াত দুয়োৰে দেখাদেখি হৈছিল। বিয়াঘৰৰ এঠাইত ৰং তামাচা কৰি কথা-বতৰা পাতি থকা ল'ৰা-ছোৱালীৰ মাজত এই জধলা গ্ৰাম্য চেহেৰাৰ অনাকৰ্ষণীয় ডেকাজন সোমায়েই কথাত যোগ দিলে। তেওঁৰ কথাৰ আকৰ্ষণ বা কথা-বতৰাৰ কলা এনে অসাধাৰণ যে অন্য সকলো তৰুণ-তৰুণীৰ কথা লগে লগে তল পৰিল; তেওঁৰ মুখৰ পিনে সকলোৱে তধা লাগি চাই থাকিল। দিবানাথ সেন বোলা সেই জধলা ল'ৰাটোৰ কথাৰ স্ফুলিংগৰ অন্ত নপৰিল। সুচিত্ৰা তেওঁৰ ৰূপত নহ'লেও গুণত এনেকৈ মুগ্ধ হ'ল যে তেওঁক বিয়া কৰাইহে তেওঁ শান্ত হ'ব পাৰিলে।

সেই সুচিত্ৰা— ৰূপৰ যাৰ তুলনা নাই। মই নিজেও সুচিত্ৰাৰ ৰূপত মুগ্ধ হিচাপে এবাৰ মন্তব্য দিছিলো— আমাক ক্লিওপেট্ৰাক কিয় লাগে, আমাৰ যিহেতু সুচিত্ৰা আছে। কিন্তু সেই অপৰূপা সুচিত্ৰাওতো গলি যায় দিবানাথ সেনৰ গুণৰ আগত। মই আমাৰ অসমীয়াসকলৰ কথা-বাৰ্তাত কলাৰ অভাৱৰ কথা ক'লো; কিন্তু আমাৰ নিৰক্ষৰ চহা অসমীয়াৰে এইষাৰ কথাত কলাহীন কলাৰ জাকজমকনি চাওকচোন— ৰূপে কি কৰে, গুণেহে সংসাৰ তৰে।

*ফোন : ৯৮৫৪০৩১৬৭৬*

---

# ভয়ানক! আৰামদায়ক!

## ৰবটৰ দ্বাৰা মোৰ শৰীৰত এক অস্ত্ৰোপচাৰ



ব্যক্তিগত অনুভূতি

ৰাজলক্ষ্মী শৰ্মা গোস্বামী

**মানুহৰ** শৰীৰটোত কি যে আচৰিত কাণ্ড কিছুমান ঘটি থাকে ভাবিলে আচৰিত লাগে। কণমানি শিশুবোৰ কিশোৰ হয়, যুৱক-যুৱতী হয়, তাৰ পাছত মানুহৰ মাজতে আৰু এটা প্ৰাণ আহি স্থিতি লৈ জন্ম হয়। এইবোৰ কথাই কেতিয়াবা আচৰিত কৰি থাকে। এই শক্তি প্ৰাকৃতিক নে ঈশ্বৰিক, যদি ঐশ্বৰিক বা প্ৰাকৃতিক আমি এইবোৰ শক্তি প্ৰত্যক্ষ নকৰো কিয়? অদ্ভুত লাগে জাগৰিত হৈ থকা শাৰীৰিক কথা কাণ্ডবোৰৰ কথা ভাবি। কামনা-বাসনাবোৰ কেনেকৈ যে থাকে— মন, শৰীৰ আদিৰ লগত। আত্মা মানে চৈতন্য শক্তি তাক জানো বাদ দিব পাৰি।

ঈশ্বৰিক এই মানুহৰ শৰীৰটোৰ দ্বাৰাই মন-আত্মা আৰু কৰ্মৰ সংযোগত মানুহে যে কিমান শক্তিশালী আৱিষ্কাৰ কৰিছে ভাবিলে আচৰিত লাগে। এই ভাৰতবৰ্ষতে, যি যুগান্তকাৰী আৱিষ্কাৰ হৈছে আৰু হ'বলৈ গৈ আছে ভাবি চাওকচোন— সংখ্যাৰ আৱিষ্কাৰ, আয়ুৰ্বেদ, যোগ, ধ্যান আজি পৃথিবীৰ সকলোতে সমাদৃত। বিজ্ঞানৰ অগ্ৰগতি এতিয়া সাধাৰণ মানুহে কল্পনা নকৰা ধৰণে বিস্ময়কৰ হৈ গৈ আছে। প্ৰতিদিনে আমি ঘৰে ঘৰে ব্যৱহাৰ কৰি থকা বিস্ময়বোৰ আছেই। এটা মাত্ৰ বুতাম টিপি আপুনি পৃথিবীৰ যিকোনো প্ৰান্তত থকা লোকজনৰ লগত বহি কথা পাতিব পাৰে। মানে ধৰক তেওঁক চাই চাই কথা পাতিব পাৰে। তেওঁৰ ঘৰ-দুৱাৰ, খোৱা-লোৱা, কাম-কাজ সকলো প্ৰত্যক্ষ কৰিব পাৰে। আমেৰিকাত থকা পৰিয়ালৰ লোক এজনে ভাৰতৰ এখন ৰেস্তোৰাঁ বা হোটেলত পৰিয়ালৰ বাবে ভোজ ভাতৰ যোগাৰ কৰি দি খুৱাব পাৰে। তেওঁ নাহিলেও খুৱাব পাৰে, চাব পাৰে, আনন্দ ল'ব পাৰে। এইবোৰ বহুদিনৰ পৰা চলি থকা, পাই থকা কথা। কিন্তু এই বছৰ ২০২১ৰ মাৰ্চত মোৰ লগত এক অদ্ভুত আচৰিত কাণ্ড হ'ল। মোৰ শৰীৰৰ এটা অংগ ৰবটে কাটি উলিয়াই দিলে মানে (ৰবটিক্ছ ছাৰ্জাৰী)।

যোৱা মাৰ্চৰ ২৫ত মই বাংগালোৰৰ এপল' হাস্পতালত ভৰ্তি হ'লো। ২৬ মাৰ্চত অপাৰেছন হ'ল। অপাৰেছনৰ আগত ডাক্তৰে মোক বুজাই আছিল। প্ৰায় এসপ্তাহৰ আগৰে পৰা নানান পৰীক্ষা-নিৰীক্ষা চলি আছিল। বৰ্তমান অপাৰেছনৰ ক্ষেত্ৰখনত ৰবটিক্ছ ছাৰ্জাৰী সকলোতকৈ উত্তম, সকলোতকৈ ব্যয়বহুল আৰু অতি কম কষ্টদায়ক। কম কষ্টদায়ক কথা শুনি মোৰ সন্তানে ৰবটিক্ছ ছাৰ্জাৰীৰ কথাই পাতিলে। মই ইতিমধ্যে শৰীৰৰ সকলো চিন্তা ভগৱানক সমৰ্পণ কৰিলো। তাৰ পাছত ডাক্তৰৰ ওচৰত সমৰ্পণ কৰিলো।



যদিও বেছিকৈ ভাবিলে এটা যন্ত্ৰই (ৰবটে) মোৰ শৰীৰটোৰ ওপৰত কটা- ছিঙা কৰিব বোলা কথাষাৰৰ পৰা এখন ভয়লগা ছবিৰ সৃষ্টি মনত হৈ থাকে। সেয়ে মই ভাবিবলৈ বাদ দিলো।

মোক অপাৰেছন কক্ষত সুমুৱাই চেতনা হৰণ কৰাৰ আগতে ডাক্তৰে আগতে কোৱা কথাখিনিকে পুনৰ ক'লে। ৰবটৰ দ্বাৰা তোমাৰ অপাৰেছন হ'ব, পেটত পাঁচটা ফুটা কৰিব আৰু তোমাৰ জৰায়ু উলিয়াই দিয়া হ'ব। সন্তান প্ৰসৱ কৰাৰ দৰে (নৰমেল ডেলিভাৰী)। মোৰ কথাবোৰ শুনি শুনি যথেষ্ট পূৰণা হৈছে। মোৰ প্ৰতিক্ৰিয়া একেই আছে। মই এটা যন্ত্ৰৰ ওপৰত আস্থা যিহেতু ৰাখিব পৰা নাই, মই কেৱল ভগৱানৰ কৃপা বিচাৰো আৰু গুৰুক আহ্বান কৰো, চকু মুদি মই অপাৰেছনৰ আগমুহূৰ্ততো হাতযোৰ কৰি প্ৰাৰ্থনা কৰি আছো। ডাক্তৰে কি কৈছে মোৰ কোনো কাণসাৰ নাই।

মোৰ অপাৰেছন হৈ গ'ল, ৰবটে কৰিলে। ডাক্তৰৰ কি ভূমিকা, ৰবটৰ কি ভূমিকা মই নাজানিলো, কাৰণ মোক অজ্ঞান কৰি লোৱা হৈছিল। তথাপি ভাবক— এটা ৰবটে পেট ফুটা কৰিলে, কেচি, কটাৰী কি সুমুৱালে নাজানো মাত্ৰ ওপৰ পেটত দুটা ফুটা, দাঁতিকাষে আৰু তিনিটা ফুটা। নাভিৰ ওপৰত ফুটা কৰি তলপেটৰ জৰায়ুটো উলিয়াই দিলে। এটা এটা টেপ লগাই দিলে। ফুটা কৰা স্থানত ষ্টেপল মাৰি দিলে। দুসপ্তাহৰ পাছত ষ্টেপল খুলিলো ফুটা কৰা স্থান শুকাই আছিল। যেন কাগজৰহে খেলা, ষ্টেপল মাৰি দিলে চেল'টেপ মাৰি দিলে। বিজ্ঞান আৰু মানুহৰ অহৰহ প্ৰচেষ্টাত নিতে নৱ আৱিষ্কাৰ হৈ আছে। আজিৰ পৰা কেইদশকমানৰ আগলৈকে এনে কথাবোৰ ক'ৰবাত সাধুকথা হৈহে আছিল যেন লাগে। যেনে ধৰক— এটা যন্ত্ৰ আহি আপোনাৰ শৰীৰৰ ওপৰত উঠিল, তাৰ বিদ্যুৎচালিত বুটাম টিপি দিলে। তাক যিমতে নিৰ্দেশ (যান্ত্ৰিক) দিয়া হৈছে সেই মতেই মেচিনৰ অংশ চালিত হৈ কাম কৰি গৈছে। মেচিনৰ দ্বাৰা সংঘটিত কাম আমি বহুত দেখিছো শুনিছো, ব্যৱহাৰ কৰিছো, কিন্তু জীৱ থকা মানৱ শৰীৰ এটাত নিৰ্জীৱ এটা যন্ত্ৰই কটা-ছিঙা কৰা কথাটো মোৰ বাবে একেবাৰে নতুন আৰু আচৰিত আছিল। হাৰ্টৰ ৰবটিক্ছ ছাৰ্জাৰী হেনো বেছি হয়। সেই কথা মই গম পালো এপল' হাস্পতালত। তেওঁলোকে ক'লে সপ্তাহৰ প্ৰায়কেইদিন ৰবটৰ ব্যৱহাৰ হয় হাৰ্ট ছাৰ্জাৰীৰ বাবে হয়। শুকুৰবাৰটোহে গায়ন'কলজি বিভাগে পায়। গতিকে মোৰ অপাৰেছন শুকুৰবাৰে হ'ল। কিন্তু এই ৰবটিক্ছ ছাৰ্জাৰী ইতিমধ্যে অসমত তিনি বছৰৰ আগতেই হৈছে। মই ভাবিছিলো অসমত এনে উন্নত পদ্ধতিৰ অপাৰেছন হ'বলৈ নিশ্চয় কিছুদিন লাগিব। কিন্তু মোক আচৰিত কৰি মোৰ এগৰাকী বান্ধৱীয়ে ক'লে যে তেওঁৰো ৰবাৰ্টক্ছ ছাৰ্জাৰী হৈছিল। আজিৰ পৰা তিনি বছৰৰ আগতে যোৰহাটৰ বান্ধৱীৰ অপাৰেছন গুৱাহাটীত হৈছিল। বিষহীন, কষ্টহীন এনে অস্ত্ৰোপচাৰ কৰাৰ সৌভাগ্য অসমতো আছে বুলি আমি আগতে গম নাপাওঁ। অপাৰেছন কৰি পাছদিনাই খোজ কাঢ়িবলৈ দিয়ে। পৰাও যায় কাৰণ চিলাইৰ বিষ নাই।

এই কথাবোৰ আমি জানিব লাগে। কোনোবাখন হাস্পতালৰ অভাৱ-অনাটনবোৰ লৈ বাতৰি কৰাতকৈ কেতিয়াবা এনে বাতৰিও সংবাদ মাধ্যমে ৰাইজক দিব পাৰে। ৰাইজে গম পাব লাগে আমাৰ উন্নতি বিলাক, অগ্ৰগতি বিলাক। বিজ্ঞানৰ কি এক পৰ্যায়ৰ অভূতপূৰ্ব সাফল্য আহিছে জনা দৰকাৰ। অনবৰতে অসমৰ অসুন্নয়নৰ বাতৰি দি অসমৰ উঠি অহা প্ৰজন্মৰ মনত ৰাজ্যখনৰ প্ৰতি এক অনীহা আনি দিয়াতকৈ সফলতাৰ বাতৰি দিয়ক। আশাৰ সঞ্চাৰ কৰক। একেদৰে ভাৰতবৰ্ষৰো উন্নতিবোৰ চাওক। উন্নত চিকিৎসালয়, উন্নত বিশ্ববিদ্যালয়বোৰৰ খবৰ ৰাখক। য'ত পৃথিবীৰ সকলো দেশৰ লোকে আহি চিকিৎসা লয়, শিক্ষা লয়, নিজৰ দেশখনক হেয়জ্ঞান কৰিবলৈ শিকোৱাতকৈ দেশখনক লৈ গৌৰৱ কৰিবলৈ শিকাওক। তাৰ বাবে দেশখনক ভাল পাব লাগিব। ভাল পাওঁক। *ফোন : ৯৯৫৭৫৬৬৮০৬*

---

# প্ৰাক্-ঐতিহাসিক এক শৈলস্তম্ভ

## আমেৰিকাৰ বেয়া মাটিয়ে পৰ্যটকক হাতবাউল দি মাতে



*প্ৰাক্-ঐতিহাসিক শৈলস্তম্ভৰ সমুখত পৰিয়ালসহ লেখিকা*



ভ্ৰমণ

অহল্যা গগৈ

**১৯৯৬ত** আমেৰিকাৰ নেব্ৰেস্কা ষ্টেটৰ ওমাহা চহৰ নিবাসী সৰু পুত্ৰ ইঞ্জিনীয়াৰ সমৰ গগৈৰ বাসভৱনত স্বামী বুদ্ধিন্দ্ৰ নাথ গগৈৰ স'তে ছমাহ কাল কটাইছিলো। এদিন বোৱাৰী ডাঃ অৰ্চনা ছাটাৰ্জীয়ে আমাক প্ৰাক্-ঐতিহাসিক যুগৰ গছ-গছনি নগজা কেইটামান উকা শিলৰ পৰ্বত দেখুৱাবলৈ আগ্ৰহ কৰিলে। কাৰণ ৱয়োমিং ষ্টেটত অৱস্থিত পৰ্বতকেইটাই ৰাষ্ট্ৰীয় উদ্যানৰ স্বীকৃতি পাইছে। এই উদ্দেশ্যে ফৰকাল দিন এটাত আমি পুত্ৰ-বোৱাৰীৰ স'তে গাড়ীৰে যাত্ৰা আৰম্ভ কৰিলো। দূৰ-দূৰণিৰ স্থানবোৰলৈ গাড়ী চলাই যাওঁতে পুত্ৰ আৰু বোৱাৰীয়ে ইজনে সিজনক জিৰণি দিবলৈ হাত বদলাই গাড়ী চলায়। প্ৰথমেই আমি আইদাহো ষ্টেটৰ West Yellowstone নামৰ চহৰখনৰ হোটেল এখনত থকা-মেলাৰ ব্যৱস্থা কৰি ল'লো। ৰাষ্ট্ৰীয় উদ্যান চাবলগীয়া কে'বাখনো ঠাই এই চহৰৰ পৰা ওচৰ হয়। পিছদিনা আমি গাড়ীৰে আহি এখন পাহাৰীয়া অৰণ্যৰ মাজত অতন্দ্ৰ প্ৰহৰীৰ দৰে থিয় হৈ থকা এটা প্ৰাসাদোপম উকা পাহাৰ দেখিলো। পৰ্যবেক্ষকসকলৰ মতে ই প্ৰাক্-ঐতিহাসিক যুগৰ এটা প্ৰকাণ্ড শিলৰ স্তম্ভ। যুগ যুগ ধৰি থিয় হৈ থকা শৈল স্তম্ভটোৰ চাৰিওকাষৰ গছ-গছনি নোহোৱা উকা বেৰত তলৰ পৰা ওপৰলৈকে কৰ্দৈসিৰীয়া। দেখাত এনে লাগে যেন কোনো কাৰিকৰে নিপুণ হাতেৰে ইয়াৰ সমান্তৰাল সিৰবোৰ গঢ় দি থৈছে। বিজ্ঞান জগতৰ পৰ্যবেক্ষণৰ আগৰ কালত এই প্ৰাকৃতিক ভাস্কৰ্যটোৰ বিষয়ে নানা কাল্পনিক গল্প আদিবাসীসকলৰ মাজত প্ৰচলিত আছিল। এওঁলোকে বিশ্বাস কৰিছিল, অতীজতে আকাশলংঘী স্তম্ভটোৰ ওপৰত উঠি কোনো অপদেৱতাই ভয়ানক ঢোল-বাদনেৰে গাজনি-ঢেৰেকনিৰ শব্দ উলিয়াই মানুহক ভয় খুৱাইছিল। সেয়ে ইয়াক Devil's Tower অৰ্থাৎ অপদেৱতাৰ স্তম্ভ বুলি কোৱা হয়। তেওঁলোকৰ মাজত অন্য এটা কাল্পনিক গল্পও প্ৰচলিত আছিল। শৈলস্তম্ভটো স্থিতিৰ আগৰ কালছোৱাত ইয়াত এখন মুকলি পথাৰ আছিল। এটি পৰিয়ালৰ আঠোটি ল'ৰা-ছোৱালীয়ে আপোনমনে পথাৰত খেলি আছিল। এওঁলোক আছিল সাত বাই-ভনী আৰু একেটি ভাই। এদিন খেলাৰ মাজতে ছোৱালীকেইজনীয়ে দেখিলে, তেওঁলোকৰ একমাত্ৰ ভাইটো হঠাতে মাত মাতিব নোৱাৰি বোবা হৈ গ'ল আৰু লগে লগে মাটিৰ ওপৰত হাত-ভৰিত ভেজা দি জন্তুৰ দৰে ঘূৰি ফুৰিছে। তাৰ হাতৰ আঙুলিবোৰ জন্তুৰ হাতোৰা হৈ পৰিল। গোটেই গা দীঘল দীঘল নোমে আৱৰিলে। চাওঁতে চাওঁতে সি এটা প্ৰকাণ্ড ভালুকলৈ ৰূপান্তৰিত হ'ল আৰু ছোৱালীকেইজনীক ধৰিবলৈ খেদি আহিল। প্ৰাণৰ ভয়ত তেওঁলোকে দৌৰি পলাবলৈ ধৰিলে। ভালুকেও পিছে পিছে খেদি গ'ল। অনেক দূৰ দৌৰি ছোৱালীকেইজনীয়ে এটা প্ৰকাণ্ড গছৰ মূঢ়া দেখি তাৰ আঁৰত লুকাবলৈ চেষ্টা কৰিলে। গছৰ মূঢ়াটোৱেও তেতিয়া হঠাৎ কথা ক'বলৈ ধৰিলে। তেওঁলোকৰ বিপদৰ কথা শুনি মূঢ়াটোৰ ওপৰত উঠিবলৈ ক'লে। সাত বাই-ভনীয়ে মূঢ়াটোৰ ওপৰত উঠাৰ লগে লগে গছৰ মূঢ়াটো আকাশলংঘী ওখ হৈ পৰিল। পিছে পিছে খেদি অহা ভালুকে ছোৱালীকেইজনীক গছৰ মূঢ়াটোৰ ওপৰত দেখি পিছ ঠেঙৰ ওপৰত থিয় হৈ তেওঁলোকক ধৰিবলৈ চেষ্টা চলালে। ঢুকি নাপাই সি খঙত গছৰ মূঢ়াটো নখেৰে আঁচুৰিবলৈ ধৰিলে। ইতিমধ্যে সাত বাই-ভনীয়ে আকাশলংঘী মূঢ়াটোৰ পৰা উৰি আকাশত আশ্ৰয় ল'লেগৈ। আদিবাসীসকলৰ মতে ভালুকে খঙত আঁচোৰা মূঢ়াটো কালৰ সোঁতত শিললৈ ৰূপান্তৰিত হ'ল। ভালুকে মূঢ়াটো নখেৰে আঁচোৰাৰ চিনেই চিৰকাললৈ ৰৈ গ'ল। ইতিমধ্যে সাতগৰাকী বাই-ভনী আকাশলৈ উৰি সপ্তৰ্ষি মণ্ডলৰ সাতটা উজ্জ্বল তৰা হৈ জিলিকি থাকিল। ই মাথোন অশিক্ষিত আদিবাসীসকলৰ অন্ধবিশ্বাস। ভূ-তত্ত্ববিদ গৱেষকসকলে এই Devil's Tower নামে জনজাত শিলৰ স্তম্ভটোৰ বিষয়ে কয় যে প্ৰাক্-ঐতিহাসিক কালৰ এটা আগ্নেয়গিৰিৰ অন্তৰ্ভাগৰ উত্তপ্ত গলিত মেগ্‌মাখিনিয়েই যুগ যুগ ধৰি ক্ৰমান্বয়ে গোটমাৰি শৈল স্তম্ভলৈ পৰিণত হ'ল। উত্তপ্ত মেগ্‌মাৰ লগত থকা অনেক পাহাৰীয়া পদাৰ্থবোৰ ক্ৰমে জহি-খহি স্তম্ভটোৰ তলৰ আঞ্চলটোৰ সৃষ্টি কৰিলে। এইদৰে ৬০ নিযুত বছৰ ধৰি গলিত মেগ্‌মাৰ ক্ৰমশঃ শীতলীকৰণৰ বাবে সংকুচিত হৈ শোঁতোৰা-শোঁতোৰ হৈ পৰিল। ইয়াৰ গাত থকা একেআগী সিৰবিলাক এই কাৰণেই দেখা যায়। তদুপৰি শীতৰ হিমপ্ৰৱাহ, বৰ্ষাকালৰ বতাহ আৰু বৰষুণৰ খহনীয়াৰ প্ৰক্ৰিয়াই স্তম্ভটোক বৰ্তমানৰ ৰূপ দিছে। জন্তুৰ ছালৰ ব্যৱসায় কৰা এজন ইউৰোপীয় লোকে ঘন অৰণ্যৰ মাজত এই শৈলস্তম্ভ প্ৰথম আৱিষ্কাৰ কৰিছিল। ১৯০৬ত ৰাষ্ট্ৰপতি থিয়ড'ৰ ৰুজভেল্টে এই শৈলস্তম্ভক ৰাষ্ট্ৰৰ প্ৰথমটো নেছনেল মনুমেন্টৰূপে ঘোষণা কৰে। লগতে দাঁতিকাষৰীয়া অৰণ্যৰ পশু-পক্ষীবোৰৰো সংৰক্ষণ কৰাৰ ব্যৱস্থা লোৱা হয়। দৰ্শন কালত আমি তত্ত্বাৱধায়ক ৰেঞ্জাৰজনৰ লগত কথা পাতি জানিব পাৰিছিলো, ইয়াৰ তলত থকা অৰণ্যৰ মাজত বিষাক্ত ৰেট্‌ল সাপ দেখা যায়। আমি দৰ্শন কৰাৰ সময়ত কেইজনমান দুঃসাহসিক লোকক টাৱাৰটো বগাই থকা দেখিছিলো। টাৱাৰটো বগাবলৈ বছৰি পাঁচ হেজাৰমান দুঃসাহসিক আৰোহীৰ আগমন হয়।

এই দৰ্শনৰ পাছত আমি গাড়ীৰে আহি West Yellowstone চহৰৰ হোটেলখনত কেইদিনমান জিৰণি লৈ 'ছাউথ ডেক'টা' ষ্টেট অভিমুখে যাত্ৰা কৰিলো। ছাউথ ডেক'টা ষ্টেটতে আছে Badland National Park নামৰ এটা পাহাৰ ভৰা অঞ্চল। উদ্যানখনত 'বেড লেণ্ড' নামটোৱে বেয়া মাটিৰ অৰ্থ বহন কৰে যদিও এই স্থানে দৰ্শকক মোহিত কৰে। ই প্ৰাকৃতিক ভাস্কৰ্যৰ এক বিৰল দৃশ্যৰ স্থান। গছ-বন নথকা নানা ৰঙৰ এটা পাহাৰৰ সমষ্টি। উকা পাহাৰবোৰৰ গাত হালধীয়া, ৰঙচুৱা, ঈষৎ বগা আদি বিভিন্ন ৰঙৰ সিৰ আছে। ৰং-বিৰঙৰ প্ৰতিটো উকা পাহাৰৰ ভাস্কৰ্য একে বাবে দেখাত ভাব হয় যেন কোনো ভাস্কৰে পাহাৰৰ গাত নানা ৰঙৰ সমান্তৰাল সিৰ দি একেআগীকে পাহাৰবোৰ গঢ় দি থৈছে। চৌদিশে চকুৰে মনিব পৰালৈকে কেৱল ৰঙীন উকা পাহাৰ আৰু পাহাৰ। মাজে মাজে আছে কুৰুং। আদিবাসীসকলে এই অঞ্চলক বুলিছিল mako-sica; অৰ্থাৎ অলাগতিয়াল বেয়া মাটি, যি স্থান বাসোপযোগী নহয়। মাইলকৈ মাইল জোৱা এই পাহাৰীয়া ভূমিৰ বিষয়ে ভূতাত্ত্বিকসকলে কয়, ইয়াৰ মাটিত সাগৰীয়া জীৱৰ জীৱাশ্মা আৱিষ্কৃত হৈছে। ইয়েই প্ৰমাণ কৰে যে আনুমানিক ৮০ নিযুত বছৰ পূৰ্বে এই অঞ্চল কোনো বাম সাগৰৰ খলা-বমা পাহাৰীয়া তলি আছিল। কালক্ৰমত পৃথিৱীৰ ভূতত্ত্বকৰ কোনো অঞ্চল ওপৰলৈ উঠি আহিল আৰু ক্ৰমে বাম সাগৰৰ পানী অদৃশ্য হৈ এৰাপৰলীয়া অঞ্চললৈ পৰিণত হ'ল। যুগ যুগ ধৰি প্ৰচণ্ড বাতহ বৰ্ষাকালীন প্ৰবল বৰষুণে ক্ৰমাগতভাৱে পাহাৰীয়া মাটি ধুই আনি এক মনোৰম ভাস্কৰ্যৰ সৃষ্টি কৰিলে। পাহাৰত থকা মণিক শিলৰ অৱস্থিতিৰ বাবেই তৰু-তৃণহীন পাহাৰবোৰত ৰং-বিৰঙৰ সিৰবোৰ দেখা যায়। অবিৰতভাৱে খহনীয়া হৈ থাকে বাবে এই স্থানত ঘাঁহ-বন, গছ-গছনি গজাৰ সাধ্য নাই। প্ৰাণী জগতৰ কোনো জীৱই ইয়াত থিত ল'ব নোৱাৰে। চৌদিশে নিস্তব্ধ পৰিৱেশ বিৰাজমান। পুৱা-গধূলিৰ সূৰুযৰ কিৰণ আৰু জোনৰ পোহৰে এই স্থানত ৰঙৰ পোহাৰ মেলে। পৰ্যটকে দৃশ্য উপভোগ কৰিব পৰাকৈ নিৰ্দিষ্ট ঠাইত গাড়ী যাব পৰা সুন্দৰ ৰাস্তা-ঘাট আছে। সেই স্থানত আমি গাড়ী ৰখাই এই অপূৰ্ব দৃশ্য উপভোগ কৰিলো। মোৰ মনত ভাব হ'ল যেন গছবিহীন উকা মাটিয়েও বসুন্ধৰাৰ শোভা বৰ্ধন কৰি অহৰহে প্ৰকৃতিৰ গুণ-গৰিমা ঘোষণা কৰিছে। এই মনোৰম স্থানৰ দৃশ্য মানসপটত আঁকি আমি ঘৰমুৱা হ'লো।



*আদিবাসীসকলৰ কল্পনাৰ ছবি*



*Bad Land National Parkৰ উকা পাহাৰৰ ভাস্কৰ্য*

*ফোন : ৯৯৫৪০৩৮৭০৪*



## আমেৰিকাক হুংকাৰ উত্তৰ কোৰিয়াৰ, আলোচনাৰ স্বপ্ন দেখিলে হতাশ হ'ব

**নিউজ ব্যুৰ', পিয়ংইয়ং, ২৩ জুন ঃ** উত্তৰ কোৰিয়াৰ এজন শীৰ্ষ বিষয়াই চৰম সকীয়নি দিলে আমেৰিকাক। উত্তৰ কোৰিয়াৰ শাসক কীম জং উনৰ ভগ্নী কীম য়' জঙে আমেৰিকাক বিভ্ৰান্তিমূলক প্ৰচাৰ চলোৱাৰ পৰা বিৰত থাকিবলৈ সকীয়নি দিলে। কীম ভগ্নীয়ে কয় যে উত্তৰ কোৰিয়াৰ শেহতীয়া স্থিতিক আমেৰিকাই ভুল ব্যাখ্যা আগবঢ়োৱা প্ৰত্যক্ষ হৈছে। আমেৰিকাই যদিহে উত্তৰ কোৰিয়াৰ স'তে আলোচনা হ'ব বুলি ভাবিছে তেন্তে সেয়া এক স্বপ্নহে বুলি মন্তব্য কৰিলে কীম ভগ্নীয়ে। আমেৰিকাই উত্তৰ কোৰিয়াৰে আলোচনাৰ স্বপ্ন দেখিলে হতাশ হ'ব লাগিব বুলিও কীম য়'ই স্পষ্ট কৰি দিয়ে।

## পান-আধাৰ কাৰ্ডৰ লিংক হ'ল নে কেনেকৈ জানিব আপুনি ?



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অনুসৰি অহা ৩০ জুনৰ ভিতৰত দেশৰ সকলো পান কাৰ্ডৰ ধাৰকে আধাৰ কাৰ্ডৰ স'তে নিজৰ পান নম্বৰ সংযুক্ত কৰিব লাগিব। অন্যথা পান কাৰ্ড অচল হ'ব। পান আৰু আধাৰৰ সংযুক্তিকৰণৰ একাধিক পদ্ধতি আছে। ৫৬৭৬৭৮ অথবা ৫৬১৬১ এই দুটা নম্বৰলৈ এছ এম এছ প্ৰেৰণ কৰি আপুনি পান আৰু আধাৰ সংযোগ কৰিব পাৰিব। অথবা পান সেৱা কেন্দ্ৰত আবেদন পত্ৰ জমা দিও আধাৰৰ স'তে পান সংযোগ কৰিব পাৰিব। তদুপৰি অনলাইনৰ ই প'ৰ্টেলৰ জৰিয়তেও সংযুক্তিকৰণৰ সুযোগ আছে। ইয়াৰ বাবে আপুনি www.incometax.gov.in ৱেবছাইট ভিজিট কৰিব লাগিব। ৱেবছাইটৰ know about your Aadhar Pan link status অপচনত ক্লিক কৰক। লগে লগে আপুনি আধাৰ আৰু পান সন্দৰ্ভত যাৱতীয় নথি প্ৰদান কৰিব লাগিব। সকলো নথি জমা দিয়াৰ পাছত আপুনি view link Aadhar status অপচনত ক্লিক কৰিলে আপোনাৰ আধাৰ আৰু পান কাৰ্ড সংযুক্ত হ'ল নে নাই সেই তথ্য লাভ কৰিব পাৰিব।

## মুম্বাই আক্ৰমণৰ মূল অভিযুক্ত হাফিজৰ ঘৰৰ বাহিৰত বৃহৎ বিস্ফোৰণ, নিহত কমেও দুজন



**নিউজ ব্যুৰ', লাহোৰ, ২৩ জুন ঃ** এক ভয়াৱহ বিস্ফোৰণত কঁপি উঠিল মুম্বাই আক্ৰমণৰ মূল চক্ৰান্তকাৰী পাকিস্তানী সন্ত্ৰাসবাদী হাফিজ ছয়ীদৰ বাসগৃহ। লাহোৰৰ জহৰ টাউনত থকা হাফিজৰ বাসগৃহৰ সন্মুখতে আজি পুৱাতে সংঘটিত হোৱা এক বিস্ফোৰণত কমেও দুজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ১৫ জন লোক গুৰুতৰভাৱে আহত হয়। বিস্ফোৰণৰ তীব্ৰতা ইমানে অধিক আছিল যে আশে-পাশে থকা কে'বাটাও বাসগৃহৰ দুৱাৰ-খিৰিকীৰ আইনা ভাগি যায়। এই বিস্ফোৰণ কোনে সংঘটিত কৰিলে আৰু এয়া আক্ৰমণ আছিল নেকি— সেই সন্দৰ্ভত কোনো তথ্য এতিয়ালৈকে লাভ কৰা হোৱা নাই। বিস্ফোৰণৰ সময়ত হাফিজ বাসগৃহত থকাৰ তথ্যও নিশ্চিত হোৱা নাই। পাকিস্তানৰ সংবাদ মাধ্যমে দাবী কৰা অনুসৰি এখন গাড়ীৰ জৰিয়তে এই বিস্ফোৰণ সংঘটিত কৰা হৈছিল। ঘটনাৰ সন্দৰ্ভত লাহোৰ আৰক্ষীয়ে অনুসন্ধান ব্যাপক কৰি তুলিছে।

## নেপালত উচ্চতম ন্যায়ালয়ত অলিৰ মুখ থেকেচা ঃ ২০ মন্ত্ৰীক দিলে অব্যাহতি



**নিউজ ব্যুৰ', কাঠমাণ্ডু, ২৩ জুন ঃ** নেপালৰ উচ্চতম ন্যায়ালয়ে আকৌ এবাৰ মাধমাৰ সোধালে দেশখনৰ ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিক। সংসদ ভংগ কৰাৰ পাছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱাটো সংবিধান বিৰুদ্ধ কাৰ্য বুলি সৰ্বোচ্চ ন্যায়ালয়ে মত পোষণ কৰি অলি মন্ত্ৰীসভাৰ ২০ জন মন্ত্ৰীক অব্যাহতি দিলে। সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ ফলত অলি মন্ত্ৰীসভাৰ ১২ জন কেবিনেট মন্ত্ৰী আৰু আঠজন ৰাজ্যিক মন্ত্ৰী পদবিহীন হ'ল।



## জুলাইৰ ভিতৰত আমেৰিকাত ৭০ শতাংশৰ টিকাকৰণৰ লক্ষ্য বাইডেনৰ

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৩ জুন ঃ** বিশ্বৰ ভিতৰতে আমেৰিকাত প্ৰতিষেধক প্ৰদান অভিযান দ্ৰুতগতিত অব্যাহত আছে। আমেৰিকাৰ চেণ্টাৰ ফৰ ডিজিজ কন্ট্ৰ'ল এণ্ড প্ৰিভেনচন (চি ডি চি)-এ প্ৰকাশ কৰা মতে, বৰ্তমানলৈকে আমেৰিকাৰ মুঠ জনসংখ্যাৰ প্ৰায় দুই-তৃতীয়াংশই ক'ভিডৰ এপালি প্ৰতিষেধক লাভ কৰিছে। তদুপৰি দেশখনত ১৮ বছৰৰ উৰ্ধ্বৰ বয়সৰ ৫৬ শতাংশ জনসংখ্যাক ইতিমধ্যে ক'ভিডৰ দুপালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে অহা জুলাইৰ ভিতৰত দেশখনৰ ৭০ শতাংশ জনসংখ্যাক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। কিন্তু দেশখনৰ ১৮-২৬ বছৰীয়া যুৱ প্ৰজন্মই ক'ভিডক প্ৰতিষেধক গ্ৰহণৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন নকৰাত চৰকাৰ চিন্তিত হৈছে।

### ভাৰতত আঢ্যৱন্তৰ সম্পত্তিৰ পৰিমাণ ৪.৪ শতাংশ হ্ৰাস ঃ ২০১৯ত কোটিপতিৰ সংখ্যা ৬.৯৮ জনলৈ অৱনমিত

# অতিমাৰীৰ কালত ঘণ্টাত আম্বানীৰ উপাৰ্জন ৯০ কোটি টকা

**নিউজ ব্যুৰ' মুম্বাই, ২৩ জুন ঃ** কৰ'না অতিমাৰীৰ ভয়াৱহ সংক্ৰমণৰ মাজতো ২০২০ বৰ্ষত মুকেশ আম্বানী, গৌতম আদানী, অডৰ পুনাৱালাৰ দৰে আন কে'বাজনো ভাৰতীয় আঢ্যৱন্ত লোকৰ সম্পত্তিৰ পৰিমাণ অহৰহ বৃদ্ধি পালে। অৱশ্যে ডলাৰৰ তুলনাত শেহতীয়াভাৱে টকাৰ মূল্য হ্ৰাস পোৱাৰ ফলত এইসকল ভাৰতীয় ধনাঢ্যৰ সম্পত্তিৰ পৰিমাণ প্ৰভাৱিত হৈছে। ভাৰতৰ সবাতোকৈ ধনাঢ্য ব্যক্তিকেইজনৰ মুঠ সম্পত্তিৰ পৰিমাণ ৪.৪ শতাংশ হ্ৰাস পোৱাৰ ফলত ইয়াৰ মূল্য ১২.৮৩ লাখ কোটি ডলাৰ হৈছে। ক্ৰেডিট ছুইচ ৰিছাৰ্চ ইনষ্টিটিউটৰ প্ৰতিবেদনৰ তথ্য অনুসৰি, ভাৰতত ২০১৯ত কোটিপতিৰ সংখ্যা ৭.৬৪ লাখৰ পৰা ৬.৯৮ জনলৈ অৱনমিত হ'ল। এইসকল ভাৰতীয় ধনাঢ্যৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১২.৮৩ লাখ কোটি ডলাৰ। অৰ্থাৎ বিগত বৰ্ষত ভাৰতীয় ধনাঢ্যৰ সম্পত্তিৰ পৰিমাণ ৫৯৫ বিলিয়ন ডলাৰ অৱনমিত হ'ল। অৱশ্যে একেটা প্ৰতিবেদনতে আশা প্ৰকাশ কৰা মতে, ২০২৫ত ভাৰতীয় ধনাঢ্যৰ সংখ্যা ৮১.৮ শতাংশ বৃদ্ধিৰে ১৩ লাখ হোৱাৰ সম্ভাৱনা আছে। এই প্ৰতিবেদনৰ তথ্য অনুসৰি, দেশৰ সবাতোকৈ বৃহৎ কৰ্প'ৰেট প্ৰতিষ্ঠান ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ স্বত্বাধিকাৰী মুকেশ আম্বানীয়ে ২০২০ বৰ্ষত প্ৰতি ঘণ্টাত উপাৰ্জন কৰিছিল ৯০ কোটি টকা। ২০২০ বৰ্ষত ভাৰতৰ এইজন সৰ্বাধিক ধনাঢ্য ব্যক্তিৰ মুঠ উপাৰ্জন আছিল দুই লাখ ৭৭ হেজাৰ ৭০০ কোটি টকা। ইয়াৰ জৰিয়তে আম্বানীৰ মুঠ সম্পত্তিৰ পৰিমাণ ছয় লাখ ৫৮ হেজাৰ ৪০০ কোটি টকা হৈছিল। আনহাতে, আদানী গ্ৰুপৰ মুৰব্বী গৌতম আদানীৰ সম্পত্তিৰ পৰিমাণ ২০২০ বৰ্ষত ১.১৯ লাখ কোটি টকা বৃদ্ধিৰে পাঁচ লাখ কোটি টকা হৈছিল। বিশ্বজুৰি ধনাঢ্য ব্যক্তিৰ সম্পত্তি ২০২০ বৰ্ষত ২৮.৭ লাখ কোটি ডলাৰ বৃদ্ধি পালে। আনহাতে, বিশ্বজুৰি নিযুতপতিৰ সংখ্যা ৫২ লাখৰ পৰা ৫.৬১ কোটিলৈ বৃদ্ধি পালে।





## পুৰুষে স্বল্প পোছাক পৰিধান কৰিলেও যুৱতীৰ মন চঞ্চল হয়, ইমৰানক কটাক্ষ তছলিমাৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ জুন ঃ** ধৰ্ষণ আৰু যুৱতীৰ স্বল্প পোছাকৰ স'তে যিসকল ব্যক্তিয়ে যোগসূত্ৰৰ সন্ধান বিচাৰে, তেওঁলোকৰ মাজত পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানো আছে। দুদিন পূৰ্বে টেলিভিছনৰ এক সাক্ষাৎকাৰত পাক প্ৰধানমন্ত্ৰীজনে দেশখনত ধৰ্ষণৰ ঘটনা বৃদ্ধি পোৱাৰ সন্দৰ্ভত মন্তব্য কৰি কৈছিল যে যুৱতীসকলে স্বল্প পোছাক পৰিধান কৰিলে পুৰুষৰ মন চঞ্চল হোৱাটো স্বাভাৱিক। ইমৰানৰ এই মন্তব্যক তীব্ৰ কটাক্ষ কৰিলে বাংলাদেশৰ বিতাড়িত লেখিকা তছলিমা নাছৰিনে। টুইটাৰত বিতৰ্কিত লেখিকাগৰাকীয়ে ইমৰানৰ এসময়ৰ এখন উৰ্ধাংগ উন্মুক্ত ফটোগ্ৰাফ শ্বেয়াৰ কৰি কয়, 'পুৰুষে স্বল্প পোছাক পৰিধান কৰিলেও যুৱতীৰ মন চঞ্চল হয়, যদিহে নহয় তেন্তে তেওঁলোক ৰ'বট।' টুইটাৰ লগতে একে মন্তব্যৰে ফে'চবুকতো তছলিমাই ইমৰানক এইদৰে প্ৰত্যুত্তৰ দিয়ে।

## 'ইণ্ডিয়া' নহয়, দেশৰ নাম হওক কেৱল 'ভাৰত' ঃ নতুন দাবী কংগনাৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৩ জুন ঃ** বলিউডৰ সদা বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটে এইবাৰ দেশৰ নাম 'ইণ্ডিয়া'ৰ পৰিৱৰ্তে কেৱল 'ভাৰত' ৰখাৰ এক প্ৰস্তাৱ আগবঢ়ালে। স্বদেশী মাইক্ৰ'ব্লগিং ছাইট 'কু'ত কংগনাই এই দাবী উত্থাপন কৰি কয়, 'ইণ্ডিয়া হৈছে ব্ৰিটিছসকলে দিয়া 'শ্লেভ নেম' অৰ্থাৎ এসময়ৰ শাসকে কৰা ক্ৰীতদাসৰ নামকৰণ। এই নামত কোনো গৌৰৱ নাই। ভাৰতৰ উত্থান তেতিয়াহে সম্ভৱ, যেতিয়া প্ৰাচীন আধ্যাত্মবাদ আৰু জ্ঞানৰ সংযোগ থাকিব। বেদ, গীতা, যোগাসনৰ শিপাৰ স'তে আমি জড়িত আছো। আমি এই দাসত্বৰ নাম 'ইণ্ডিয়া' সলনি কৰি কেৱল 'ভাৰত' কৰিব নোৱাৰো নে?'

## বিশ্বত পুনৰ কৰ'নাত আক্ৰান্ত ৩.৬৮ লাখ, ৮,২১৮ জনৰ হ'ল মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৩ জুন ঃ** বিশ্বজুৰি ক'ভিডত আক্ৰান্তৰ সংখ্যা ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে। বিগত ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল তিনি লাখ ৬৮ হেজাৰ ১৯৬ জন লোক। আনহাতে, মঙলবাৰে বিশ্বত ক'ভিডত মৃত্যু হ'ল ৮,২১৮ জন লোকৰ। বিগত ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত মুঠ চাৰি লাখ ১৩ হেজাৰ ২২ জন কৰ'না ৰোগী সুস্থ হৈ উঠিল। বৰ্তমানলৈকে বিশ্বত মুঠ ১৭.৯৯ কোটিৰো অধিক লোক কৰ'নাত আক্ৰান্ত হ'ল। এতিয়ালৈকে বিশ্বৰ বিভিন্ন দেশত মুঠ ৩৮.৯৭ লাখ ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। অৱশ্যে ইয়াৰ মাজতে ১৬.৪৬ কোটি ৰোগীয়ে ক'ভিডক পৰাভূত কৰিবলৈ সফল হ'ল। বৰ্তমানে বিশ্বত ১.১৩ কোটি ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। এইসকল ৰোগীৰ ৮১,৯৫১ জনৰ অৱস্থা জটিল।

## হংকঙত সাংবাদিকক চীনৰ সকীয়নি ঃ বন্ধ হ'ব লোকতন্ত্ৰ সমৰ্থক সংবাদপত্ৰ



**নিউজ ব্যুৰ' হংকং, ২৩ জুন ঃ** অহা শনিবাৰৰ পৰা হংকঙত প্ৰকাশ বন্ধ হ'ব গণতন্ত্ৰৰ সমৰ্থক সংবাদপত্ৰ 'এপ্পল ডেইলী'ৰ। উল্লেখ্য যে এই সংবাদপত্ৰৰ স'তে জড়িত সম্পাদকসহ মুঠ পাঁচজন সাংবাদিকক হংকং আৰক্ষীয়ে অলপতে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰিছিল। সংবাদপত্ৰখনৰ কাৰ্যালয়ো ইতিমধ্যে চৰকাৰে বাজেয়াপ্ত কৰিছে। উল্লেখ্য যে হংকঙৰ পৰা প্ৰকাশিত এইখন সংবাদপত্ৰই গণতন্ত্ৰৰ পক্ষত মাত মাতি আহিছে। হংকঙত অব্যাহত থকা গণতন্ত্ৰপ্ৰেমীৰ আন্দোলনলৈও 'এপ্পল ডেইলী' কাকতখনে সমৰ্থন ব্যক্ত কৰিছে। যোৱা সপ্তাহত সংবাদপত্ৰখনত পাঁচজন সাংবাদিক আৰু কাৰ্যবাহী বিষয়াক গ্ৰেপ্তাৰৰ পাছত হংকং প্ৰশাসনে ২.৩ কোটি ডলাৰ মূল্যৰ সংবাদপত্ৰখনৰ কাৰ্যালয়ো বাজেয়াপ্ত কৰিছিল। কাকতখনৰ পৰিচালন বিভাগে আজি প্ৰকাশ কৰা মতে, হংকঙৰ বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অহা শনিবাৰৰ পৰা 'এপ্পল ডেইলী' কাকতৰ ছপা আৰু অনলাইন সংস্কৰণৰ প্ৰকাশ বন্ধ হ'ব। ইফালে, চীন আৰু হংকঙৰ চৰকাৰে সংবাদ মাধ্যমক আইনৰ অধীনত কাম-কাজ কৰিবলৈ সকীয়াই দিয়ে। সংবাদ মাধ্যমৰ স্বাধীনতাৰ সুযোগ লৈ আইনবিৰোধী কাৰ্যকলাপত সাংবাদিক আৰু সংবাদ মাধ্যম জড়িত হ'লে সহ্য কৰা নহ'ব বুলি প্ৰশাসনে সকীয়াই দিছে।

## চীনৰ আৰু এখন চহৰত কৰ'নাৰ ব্যাপক সংক্ৰমণ



**নিউজ ব্যুৰ' বেইজিং, ২৩ জুন ঃ** চীনত আকৌ এবাৰ কৰ'না ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পালে। দেশখনৰ চেনঝেন চহৰত শেহতীয়াভাৱে কে'বাজনো ক'ভিড আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছে। চেনঝেনত কৰ'নাৰ নতুন সংক্ৰমণ ধৰা পৰাৰ পাছত এই মাৰাত্মক ভাইৰাছ প্ৰতিৰোধৰ বাবে চেনঝেনৰ স'তে বেইজিঙৰ বিমান সেৱা অহা পহিলা জুলাইলৈকে বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, দেশখনত যোৱা ২১ মে'ৰ পৰা ২১ জুনৰ সময়ছোৱাত নতুনকৈ কৰ'নাত আক্ৰান্ত ১৭০ জন ৰোগীক চিনাক্ত কৰা হৈছিল। এইসকল ৰোগীৰ আঠজন চেনঝেনৰ নিবাসী। নতুনকৈ চীনত কৰ'নাত আক্ৰান্ত ৰোগীসকল ক'ভিডৰ 'ডেল্টা' প্ৰজাতিৰ ভাইৰাছত সংক্ৰমিত হোৱা বুলিও জানিব পৰা গৈছে।

## মাস্ক প্ৰত্যাহাৰ কৰা প্ৰথমখন দেশ ইজৰাইলত পুনৰ কৰ'নাৰ সন্ত্ৰাস



**নিউজ ব্যুৰ', জেৰুজালেম, ২৩ জুন ঃ** বিগত ডেৰ বছৰৰো অধিক বিশ্বত কৰ'না অতিমাৰীয়ে তাণ্ডৱ অব্যাহত ৰাখিছে। অৱশ্যে ইয়াৰ মাজতে একাধিক দেশত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণ নিয়ন্ত্ৰিত হৈছে। বিশ্বৰ ভিতৰতে ক'ভিড কালত মাস্ক পৰিধানত প্ৰথম শিথিলতা অৱলম্বন কৰিছিল ইজৰাইলে। মাত্ৰ এসপ্তাহ পূৰ্বে ইজৰাইলত ৰাজহুৱা স্থানত মাস্ক পৰিধানৰ বাধ্যবাধকতা প্ৰত্যাহাৰ কৰা হৈছিল। কিন্তু এই সিদ্ধান্তৰ এসপ্তাহৰ পাছতে পুনৰ কৰ'নাৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিলে দেশখনত। ইতিমধ্যে ইজৰাইলত 'ডেল্টা' প্ৰজাতিৰ কৰ'নাৰ সংক্ৰমণে দ্ৰুতগতি লাভ কৰিছে। আনকি প্ৰতিষেধক গ্ৰহণ কৰা বহু লোক এই নতুন প্ৰজাতিৰ কৰ'নাত সংক্ৰমিত হৈছে। ইজৰাইল এনে এখন দেশ য'ত অৰ্ধেকাংশৰো অধিক নাগৰিকৰ টিকাকৰণ কৰা হৈছে। কিন্তু গণ টিকাকৰণৰ পাছতো সম্প্ৰতি ইজৰাইলত প্ৰতিদিনে যথেষ্টসংখ্যক লোক কৰ'নাত আক্ৰান্ত হৈছে। যোৱা এপ্ৰিলৰ পাছত সোমবাৰে ইজৰাইলত ১২৫ জন নতুন ক'ভিড আক্ৰান্তক চিনাক্ত কৰা হৈছিল। বিগত জানুৱাৰীত দেশখনত কৰ'নাৰ সংক্ৰমণ শিখৰত থকাৰ সময়ত দৈনিক ১০ হেজাৰ লোক এই ভাইৰাছত আক্ৰান্ত হৈছিল। কিন্তু ব্যাপক টিকাকৰণৰ জৰিয়তে কৰ'নাক নিয়ন্ত্ৰণ কৰিবলৈ ইজৰাইল চৰকাৰ সক্ষম হৈছিল। অলপতে দেশখনৰ চৰকাৰে ৰাজহুৱা স্থানত মাস্ক পৰিধানৰ বাধ্যকতা প্ৰত্যাহাৰ কৰিছিল। চৰকাৰৰ এই সিদ্ধান্তৰ পাছত বিগত এসপ্তাহত ইজৰাইলত পুনৰ কৰ'নাৰ সংক্ৰমণ ব্যাপক হৈ উঠিছে।

## কাশ্মীৰ বিবাদৰ অন্ত হ'লে আণৱিক অস্ত্ৰৰ প্ৰয়োজন নাথাকিব ঃ ইমৰান



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৩ জুন ঃ** বৈদ্যুতিন মাধ্যমৰ স'তে হোৱা এক সাক্ষাৎকাৰত পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে কয় যে কাশ্মীৰ সমস্যাৰ সমাধান হ'লে পাকিস্তানক কোনো পাৰমাণৱিক অস্ত্ৰৰ প্ৰয়োজন নহ'ব। পাৰমাণৱিক অস্ত্ৰৰ প্ৰাসংগিকতাৰ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰ দি ইমৰানে কয়, 'কাশ্মীৰ সমস্যাৰ সমাধান হ'লে পৰমাণু অস্ত্ৰৰ প্ৰয়োজন নহ'ব। আমাৰ আণৱিক অস্ত্ৰ ভাণ্ডাৰ কেৱল আত্মৰক্ষাৰ স্বাৰ্থত তৈয়াৰ কৰা হৈছে। কাৰোবাক আক্ৰমণ কৰিবলৈ নহয়। আমেৰিকাই বিচাৰিলে কাশ্মীৰ সমস্যাৰ সমাধান কৰিব পাৰে। কাশ্মীৰক লৈ বিবাদৰ অৱসান ঘটিলে পাকিস্তানত আৰু আণৱিক অস্ত্ৰৰ প্ৰয়োজন নহ'ব।'

## ভুৱা প্ৰতিষেধক চক্ৰৰ বলি হ'ল স্বয়ং সাংসদ মিমি চক্ৰৱৰ্তী



**নিউজ ব্যুৰ', কলকাতা, ২৩ জুন ঃ** কালি কলকাতাৰ কছবা নিউ মাৰ্কেটৰ ওচৰত ক'ভিডৰ প্ৰতিষেধক প্ৰদানৰ এক শিবিৰৰ আয়োজন কৰা হৈছিল। এই শিবিৰত বিশেষভাৱে সক্ষম শিশুৰ লগতে সমকামীসকলক বিনামূল্যে প্ৰতিষেধক দিয়া হৈছিল। এই অনুষ্ঠানতে অংশ লৈছিল তৃণমূল কংগ্ৰেছৰ সাংসদ-বাংলা অভিনেত্ৰী মিমি চক্ৰৱৰ্তীয়ে। এই শিবিৰতে প্ৰতিষেধকো গ্ৰহণ কৰিছিল মিমিয়ে। কিন্তু পাছত এই কথা পোহৰলৈ আহে যে নিজকে আই এ এছ বিষয়া বুলি পৰিচয় দি এই শিবিৰৰ আয়োজন কৰা দেবাঞ্জন দেৱ প্ৰকৃততে এজন প্ৰৱঞ্চক। তৃণমূলৰ সাংসদ মিমিয়ে আজি সংবাদ মাধ্যমৰ আগত কয়, 'পৌৰসভাৰ যৌথ আয়ুক্তৰ উদ্যোগত শিশু আৰু সমকামীৰ বাবে টিকাকৰণৰ শিবিৰলৈ মোক নিমন্ত্ৰণ দিছিল। সেয়েহে মই উক্ত অনুষ্ঠানত অংশ লৈছিলো। মই নিজেও তাত টিকা লৈছিলো যাতে মোক দেখি আন লোকেও প্ৰতিষেধক ল'বলৈ আগবাঢ়ি আহে। কিন্তু টিকা লোৱাৰ পাছত মোৰ ফোনলৈ কোনো বাৰ্তা নাহিল। প্ৰতিষেধক লোৱাৰ প্ৰমাণপত্ৰৰ কথা সোধাত পাছত মোক ঘৰত প্ৰমাণপত্ৰ দিব বুলি ক'লে। ঘৰলৈ যোৱাৰ পাছতো প্ৰমাণপত্ৰ নোপোৱাত মোৰ সন্দেহ হ'ল। সেয়েহে লগে লগে আৰক্ষী প্ৰশাসনৰ স'তে যোগাযোগ কৰি মই উক্ত ভুৱা প্ৰতিষেধক প্ৰদানকাৰীক গ্ৰেপ্তাৰ কৰালো।' উল্লেখ্য যে দেশৰ বিভিন্ন অঞ্চলত সম্প্ৰতি ভুৱা ক'ভিড প্ৰতিষেধক প্ৰদানৰ একাধিক অভিযোগ উত্থাপিত হৈছে। একাংশ আৱাসিক অঞ্চলত দুষ্টচক্ৰই নিজকে বিখ্যাত চিকিৎসালয়ৰ প্ৰতিনিধি বুলি পৰিচয় দিও ধনৰ বিনিময়ত ভুৱা প্ৰতিষেধক প্ৰদান কৰাৰ অভিযোগ উঠিছে। এইবাৰ এনে ভুৱা প্ৰতিষেধক চক্ৰৰ দ্বাৰা প্ৰতাৰিত হ'ল স্বয়ং এগৰাকী সাংসদ।

## পুত্ৰৰ ১৮ বছৰ হ'লৈই পিতৃৰ দায়িত্ব সমাপ্ত নহয় ঃ দিল্লী উচ্চ ন্যায়ালয়ৰ ৰায়




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ জুন ঃ** যদি পুত্ৰৰ বয়স ১৮ বছৰ সম্পূৰ্ণ হয়, তেতিয়াই সন্তানৰ প্ৰতি পিতৃৰ দায়িত্ব সমাপ্ত নহয়। পুত্ৰ সাবালক হোৱাৰ পাছতো সেই পুত্ৰৰ শিক্ষাৰ লগতে অন্যান্য ব্যয়ৰ দায়িত্ব কেৱল মাতৃক অৰ্পণ কৰিব নোৱাৰি। পিতৃয়েও এনে ব্যয়ৰ দায়িত্ব বহন কৰিব লাগিব। এক গোচৰত দিল্লী উচ্চ ন্যায়ালয়ে এই ৰায় দিলে। ন্যায়ালয়ে উক্ত গোচৰৰ এটি পুত্ৰ সন্তানৰ পিতৃক প্ৰতিমাহে ১৫,০০০ টকা সন্তানৰ মাতৃক আদায় দিবলৈকো নিৰ্দেশ দিয়ে। উল্লেখ্য যে পত্নীৰ স'তে বিবাহ বিচ্ছেদ হোৱাৰ পাছতো আদালতে উক্ত পিতৃক সন্তানৰ ব্যয়ৰ দায়িত্ব ল'বলৈ নিৰ্দেশ দিয়ে। আদালতে লগতে কয় যে উক্ত পুত্ৰ সন্তানে স্নাতক ডিগ্ৰী গ্ৰহণ কৰালৈকে অথবা নিজা উপাৰ্জন আৰম্ভ কৰাৰ সময়লৈকে পিতৃয়ে তেওঁক উক্ত পৰিমাণৰ ধন প্ৰতিমাহে আদায় দিব লাগিব। উল্লেখ্য যে ইয়াৰ পূৰ্বে ২০১৮ত মহিলাগৰাকীয়ে পুত্ৰৰ খৰচৰ দায়িত্ব পিতৃয়ে বহন কৰাৰ বাবে নিম্ন আদালতত জনোৱা আবেদন আদালতে প্ৰত্যাখ্যান কৰিছিল। কিন্তু নিম্ন আদালতৰ এই ৰায় নাকচ কৰি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সুব্ৰমণিয়ম প্ৰসাদে কয় যে প্ৰাপ্তবয়স্কৰ হ'লেও উক্ত যুৱকৰ অধ্যয়নৰ লগতে অন্যান্য ব্যয়ৰ দায়িত্ব কেৱল মাতৃৰ হ'ব নোৱাৰে আৰু এই ক্ষেত্ৰত পিতৃয়েও পুত্ৰ স্নাতক ডিগ্ৰীধাৰী হোৱালৈকে আৰ্থিক দিশত সহায় কৰিব লাগিব।

## বিধানসভাৰ নিৰ্বাচনলৈ সাজু ওৱেইছি ঃ আনুগত্য চুক্তিত প্ৰাৰ্থীয়ে কৰিব লাগিব স্বাক্ষৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৩ জুন ঃ** আছাদুদ্দিন ওৱেইছি নেতৃত্বাধীন এ আই এম আই এম দলে উত্তৰ প্ৰদেশৰ ২০২২ৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিলে। ওৱেইছিৰ দলটোৱে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। এ আই এম আই এমে এইবাৰ নিৰ্দিষ্ট আবেদনপত্ৰৰ জৰিয়তে প্ৰাৰ্থীৰ সন্ধান কৰিছে। এইসকল প্ৰাৰ্থীয়ে আবেদনপত্ৰৰ স'তে আনুগত্যৰ সন্দৰ্ভত এখন শপতনামা দাখিল কৰিব লাগিব। দলৰ টিকট লাভ নকৰিলেও আনুগত্যৰে দলৰ হৈ কাম-কাজত জড়িত হ'ব বুলি আবেদনকাৰীয়ে প্ৰতিশ্ৰুতি পত্ৰত স্বাক্ষৰ কৰিব লাগিব। তদুপৰি ওৱেইছিৰ দলটোৱে এইবাৰ দলৰ টিকটৰ আবেদনৰ বাবে মূল্যও নিৰ্ধাৰণ কৰিছে। আবেদন পত্ৰৰ স'তে প্ৰতিজন প্ৰাৰ্থীয়ে ১০ হেজাৰ টকা জমা দিব লাগিব। এ আই এম আই এম দলে প্ৰকাশ কৰা মতে, বিধানসভাৰ আগন্তুক নিৰ্বাচনত মুঠ এশটা মুছলমান সংখ্যাধিক্য সমষ্টিত তেওঁলোকে প্ৰতিদ্বন্দ্বিতা কৰিব। তদুপৰি সম মতাদৰ্শৰ দলৰ স'তে এ আই এম আই এমে মৰ্চা গঠনৰ বাবেও আলোচনা অব্যাহত ৰাখিছে। ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনতো দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও এটাও সমষ্টিত জয়লাভ কৰিব নোৱাৰিলে।

# নগাঁৱৰত অনিৰ্ধাৰিত পুঁজিৰ নামত লুণ্ঠন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৩ জুন ঃ** নগাঁও জিলা উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বাবে ধন ঘটাৰ আহিলাতহে পৰিণত হৈছে আনটাইড ফাণ্ড। জিলাখনত আনটাইড ফাণ্ড আঁচনিখনৰ নামত প্ৰতিটো বিত্তীয় বৰ্ষতে আবণ্টিত কোটি কোটি টকাৰে জিলাখনৰ ৰাইজ উপকৃত হওকেই বা নহওক নগাঁও জিলা উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া, একাংশ কনিষ্ঠ অভিযন্তাৰ লগতে ৰাজনৈতিকভাৱে প্ৰভাৱশালী একাংশ কিন্তু যথেষ্ট লাভান্বিত হোৱা পৰিলক্ষিত হৈছে। নগাঁও জিলাত একাংশ বিধায়কৰ ঘনিষ্ঠ ৰাজনৈতিক নেতা, নগাঁও জ্যেষ্ঠ পৰিকল্পনা বিষয়াৰ কাৰ্যালয়ৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী, একাংশ কনিষ্ঠ অভিযন্তাৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাতেই বছৰ বছৰ ধৰি নগাঁও জিলাত আনটাইড পুঁজিৰ ধনৰ ওপৰত সামূহিক লুণ্ঠন চলাই থকা পৰিলক্ষিত হৈছে। তথ্য অনুসৰি, নগাঁও জিলা উন্নয়ন আৰু পৰিকল্পনা বিভাগে আনটাইড ফাণ্ডৰ অধীনত বিগত ২০১০-১১ বিত্তীয় বৰ্ষত এক কোটি ৩০ লাখ টকা, ২০১১-১২ত দুই কোটি ৮৯ লাখ ৪৬ হেজাৰ টকা, ২০১২-১৩ত এক কোটি ২৩ লাখ ৬৫ হেজাৰ টকা, ২০১৩-১৪ত এক কোটি ৭৪ লাখ ৭০ হেজাৰ টকা, ২০১৪-১৫ত দুই কোটি ৩৯ লাখ ৮০ হেজাৰ টকা, ২০১৫-১৬ত তিনি কোটি চাৰি লাখ ৮৬ হেজাৰ টকা, ২০১৬-১৭ত তিনি কোটি ৫০ লাখ টকা আৰু ২০১৭-১৮ত আঠ কোটি ৭৯ লাখ ৭৮ হেজাৰ টকা, ২০১৮-১৯ বিত্তীয় বৰ্ষত ১৪ কোটি ৫২ লাখ ৬৯০০ টকা আৰু ২০১৯-২০ বিত্তীয় বৰ্ষত তিনি কোটি ৯৫ লাখ টকা আবণ্টন দিয়া হৈছিল। বিগত ২০১০-১১ বিত্তীয় বৰ্ষৰ পৰা ২০১৯-২০ বিত্তীয় বৰ্ষ পৰ্যন্ত নগাঁও জিলা উন্নয়ন আৰু পৰিকল্পনা বিভাগে লাভ কৰিছিল সৰ্বমুঠ ৪১ কোটি ৯৬ লাখ ১৪ হেজাৰ টকা। কিন্তু লাভ কৰা ধনৰে অধিকাংশ আঁচনি ৰূপায়ণৰ নামতেই ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ উপৰি অধিকাংশ আঁচনিৰ কামেই বিভাগীয় প্ৰাককলন অনুসৰি নোহোৱাত আঁচনিসমূহৰ দ্বাৰা জিলাখনৰ ৰাইজ বিশেষভাৱে উপকৃত হ'ব নোৱাৰিলে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আনকি বহু আঁচনিৰ কাম বছৰ বছৰ ধৰি অসম্পূৰ্ণ হৈয়ে ৰোৱা পৰিলক্ষিত হৈছে। তদুপৰি কে'বাটাও বিত্তীয় বৰ্ষৰ বহু ধন খৰচ কৰাতো চৰম ব্যৰ্থ হয় নগাঁও জিলা উন্নয়ন আৰু পৰিকল্পনা বিভাগ। উল্লেখ্য যে নগাঁও জিলাত আনটাইড ফাণ্ডৰ বিগত ২০০৪-০৫ৰ পৰা ২০১৯-২০ৰ সময়ছোৱাৰ ভিতৰৰ অসংখ্য আঁচনিৰ কাম আজি পৰ্যন্ত সম্পূৰ্ণ হোৱা নাই যদিও বিভাগীয় নথিত সেইবোৰ আঁচনিৰ কাম সম্পূৰ্ণ হোৱা দেখুৱাই লাখ লাখ টকা লুণ্ঠন চলোৱা পৰিলক্ষিত হৈছে। অভিযোগ অনুসৰি নগাঁও জিলাত বছৰ বছৰ ধৰি আনটাইড ফাণ্ডৰ পুঁজি আবণ্টনৰ ক্ষেত্ৰত ব্যাপক অনিয়ম, ৰাজনৈতিক হস্তক্ষেপ হৈ আহিছে। বিভাগীয় নিয়ম অনুসৰি, আনটাইড ফাণ্ডৰ পুঁজিৰ ধনৰ আঁচনি প্ৰস্তুত কৰোতে কেৱল ৰাজনৈতিক লাভালাভক আৰু দলীয় কৰ্মীৰ লাভকহে অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হয়। আনহাতে, নগাঁও জিলাত বহু সময়ত অনেক অপ্ৰয়োজনীয় আঁচনিৰ নামতো আনটাইড ফাণ্ডৰ লাখ লাখ টকা আবণ্টন দি চৰকাৰী ধনৰ শৰাধ কৰা পৰিলক্ষিত হৈছে। ইপিনে, আনটাইড ফাণ্ডৰ ধনেৰে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত একোখনকৈ নিৰ্মাণ কমিটী গঠন কৰি দিয়ে বিধায়কসকলে। এই নিৰ্মাণ সমিতিত সভাপতি হিচাপে এজন চৰকাৰী বিষয়া, সদস্য সচিব হিচাপে বিধায়কৰ মনৰ পছন্দৰ কোনো ৰাজনৈতিক নেতা-পালিনেতা, দুজন সদস্যৰ উপৰি কাৰিকৰী সদস্য হিচাপে সংশ্লিষ্ট উন্নয়ন খণ্ডৰ কোনো এজন কনিষ্ঠ অভিযন্তাক ৰখা হয়। নামত এই নিৰ্মাণ কমিটী থাকে যদিও প্ৰকৃততে নগাঁও জিলাত বছৰ বছৰ ধৰি আনটাইড ফাণ্ডৰ কামসমূহ মন্ত্ৰী-বিধায়ক, পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ একাংশ বিষয়াৰ মনৰ পছন্দৰ একাংশ লোককহে কৰিবলৈ দিয়া নিয়ম প্ৰচলিত হৈ আহিছে। ফলত এই কামসমূহত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈ আহিছে। আনটাইড ফাণ্ডৰ কামৰ ব্যৱহাৰিক প্ৰমাণপত্ৰৰ বাবদ কনিষ্ঠ অভিযন্তাক লাভাংশৰ দুই শতাংশ ধন আদায় দিব লাগে বুলিও অভিযোগ উঠিছে। জিলাখনত আনটাইড ফাণ্ডৰ ধনেৰে আঁচনি ৰূপায়ণৰ নামত বছৰ বছৰ ধৰি ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈ আছে যদিও এই সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষই সদায় চকুমুদা কুলিৰ ভাওহে ধৰি অহা বুলি ৰাইজে অভিযোগ তুলিছে। স্মৰ্তব্য যে নগাঁও জিলাত আনটাইড ফাণ্ডৰ আঁচনি ৰূপায়ণৰ নামত বিগত ২০০৪-০৫তো দুই কোটি ৩১ লাখ টকা, ২০০৫-০৬ত তিনি কোটি ৯৮ লাখ ৬৭ হেজাৰ টকা, ২০০৬-০৭ত তিনি কোটি ৮১ লাখ ২২ হেজাৰ টকা, ২০০৭-০৮ত এক কোটি ৬২ লাখ ১১ হেজাৰ টকা, ২০০৮-০৯ আৰু ২০০৯-১০তো কে'বা কোটি টকা আবণ্টন দি কেতবোৰ অপ্ৰয়োজনীয় আঁচনি ৰূপায়ণৰ নামত অবাধ লুণ্ঠন চলোৱা হৈছিল। জিলাখনত আনটাইড ফাণ্ডৰ সন্দৰ্ভত সংঘটিত দুৰ্নীতিৰ তদন্ত কৰিলেই বহু ৰৌ-বৰালি জালত পৰাৰ সম্ভাৱনা আছে যদিও এই সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষই সদায় নেতিবাচক ভূমিকাহে পালন কৰি অহা পৰিলক্ষিত হৈছে।

## শ্যামা প্ৰসাদ মুখাৰ্জীৰ মৃত্যুবাৰ্ষিকী পালন

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ২৩ জুন ঃ** সমগ্ৰ দেশৰ লগতে কোকৰাঝাৰ জিলাৰ শক্তিআশ্ৰম আৰু বনৰগাঁৱত শ্যামা প্ৰশাদ মুখাৰ্জীৰ ৬৮ সংখ্যক মৃত্যুবাৰ্ষীক পালন কৰে বিজেপিৰ ফকিৰাগ্ৰাম মণ্ডল আৰু বনৰগাঁও মণ্ডলে। উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ফকিৰাগ্ৰাম মণ্ডল বিজেপিৰ সভাপতি মনোজ কুমাৰ ৰায়ে শক্তি আশ্ৰমত অনুষ্ঠিত অনুষ্ঠানটোত মুখাৰ্জীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি আৰম্ভ কৰে। বক্তাসকলে শ্যামা প্ৰশাদ মুখাৰ্জীৰ জীৱন আৰু দৰ্শন সম্পৰ্কে আলোকপাত কৰে। উক্ত অনুষ্ঠানত ফকিৰাগ্ৰাম সমষ্টিৰ অধীনত থকা বিজেপিৰ যুৱ মৰ্চা, মহিলা মৰ্চা আদিৰ কৰ্মকৰ্তাসকলৰ লগতে ভিচিডিচিৰ অধ্যক্ষসকলো উপস্থিত থাকে। ইপিনে, বনৰগাঁও মণ্ডল বিজেপিয়ে অনুষ্ঠিত কৰা উক্ত অনুষ্ঠানত থাকি বিজেপিৰ বনৰগাঁও মণ্ডল সভাপতি ছাইখোজাতাও নাৰ্জাৰী আৰু বিভাষ কুমাৰ দাস আদিয়ে শ্ৰদ্ধা জ্ঞাপন কৰে।

## মিছামাৰীৰ গৰুবন্ধাত বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ



**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৩ জুন ঃ** শোণিতপুৰৰ মিছামাৰীত আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা। মিছামাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভূপেন্দ্ৰ ৰাউতে আজি পুৱা গৰুবন্ধাত এখন বলেৰ' বাহনৰ পৰা অৰুণাচলী সুৰাখিনি জব্দ কৰে। অৰুণাচলী সুৰাখিনি চতিয়াৰ পূৰ্ণ কুৰ্মী আৰু মনোজ ভূঞাই চিজুচাৰ পৰা অবৈধভাৱে মিছামাৰীৰ গৰুবন্ধালৈ সৰবৰাহ কৰিছিল। উক্ত ঘটনাত আৰক্ষীয়ে দুজন যুৱকক গ্ৰেপ্তাৰ কৰে।

## ফকিৰাগ্ৰাম, শক্তি আশ্ৰমত ক'ভিড প্ৰতিষেধক প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ২৩ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম, শক্তি আশ্ৰম আদি অঞ্চলতো মেগা প্ৰতিষেধক অভিযানত ৰাইজে সঁহাৰি আগবঢ়াইছে। উল্লেখ্য যে গ্ৰামাঞ্চলত প্ৰথম অৱস্থাত ৰাইজৰ সঁহাৰি আশাব্যঞ্জক নাছিল। পঞ্জীয়ন প্ৰক্ৰিয়াত বহুতো সমস্যাৰ সন্মুখীন হৈছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ পাছতে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে কোকৰাঝাৰতো সঁহাৰি আশাব্যঞ্জক হৈছে।

## লোক সংস্কৃতিবিদ-পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাৰ জন্মদিন পালন

### ৰচনাৱলী প্ৰকাশ কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৩ জুন ঃ** লোক সংস্কৃতি বিষয়ৰ পাণ্ডিত্যবাৰিধি, বিশিষ্ট গৱেষক, পণ্ডিত প্ৰফেচৰ অৱ এমেৰিটাৰ্ছ অধ্যাপক ড° নবীন চন্দ্ৰ শৰ্মাৰ জন্মদিন উপলক্ষে কালি সন্ধিয়া প্ৰযুক্তি মুক্তধাৰা মাধ্যমৰ গুগল মীটৰ জৰিয়তে অসম সাহিত্য সভাৰ পত্ৰিকা-সম্পাদক তথা ধুবুৰী ভোলানাথ মহাবিদ্যায়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাৰ সঞ্চালনাত এক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সাহিত্য সভাৰ ডিফু আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক জয় সিং টকবেই সভা উদ্বোধন কৰে। ভাষণ প্ৰসংগত টকবেই কাৰ্বি সংস্কৃতিৰ বিষয়ে ৰেখাপাত কৰাৰ লগতে ড° নবীন চন্দ্ৰ শৰ্মাৰ পাণ্ডিত্যৰ সন্দৰ্ভত আলোকপাত কৰে। সভাখনৰ কাৰ্যসূচী শিশু শিল্পী ময়ূৰী শৰ্মা আৰু প্ৰসেনজিৎ শৰ্মাই পৰিবেশন কৰা গোৱালপৰীয়া লোক গীতেৰে আৰম্ভ হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু ড° নবীন চন্দ্ৰ শৰ্মাৰ পৰিচয় দাঙি ধৰে ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদে। আদৰণি ভাষণ প্ৰদান কৰে ধুবুৰী জনকৃষ্টি সমাজৰ সভাপতি দেবেন্দ্ৰ নাথ শৰ্মাই। অনুষ্ঠানৰ প্ৰাৰম্ভতে সঞ্চালক ড° উপেন্দ্ৰজিৎ শৰ্মাই কয় যে ড° নবীন চন্দ্ৰ শৰ্মা বহুমুখী পাণ্ডিত্যৰ অধিকাৰী ব্যক্তি। তেওঁৰ গ্ৰন্থ অধ্যয়ন অবিহনে শিক্ষাৰ্থীয়ে অসমীয়া বিষয়ত স্নাতক, স্নাতকোত্তৰ আৰু লোক সংস্কৃতি বিষয়ত ডিগ্ৰী লাভ কৰাটো অসম্ভৱ। এই বিৰল পাণ্ডিত্যৰ ব্যক্তিজনে প্ৰতিভাৰ জোখাৰে বিশেষ স্বীকৃতি নাপালে। এইজন প্ৰফেচাৰ অৱ এমেৰিটাৰ্ছ পণ্ডিতৰ সমগ্ৰ গ্ৰন্থ ড° নবীন চন্দ্ৰ শৰ্মাৰ ৰচনাৱলী নামেৰে অসম চৰকাৰে অনতি পলমে প্ৰকাশ কৰিব লাগে বুলি সভাত প্ৰস্তাৱ দাঙি ধৰে। অসমৰ বিভিন্ন অঞ্চলৰ পৰা অংশ লোৱা ব্যক্তিসকলে একমুখে এই প্ৰস্তাৱ সমৰ্থন কৰি চৰকাৰক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়। অনুষ্ঠানত 'অসমত লোক সংস্কৃতি চৰ্চা আৰু ড° নবীন চন্দ্ৰ শৰ্মা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই। ডাঃ কলিতাই অসমৰ লোক-সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰাৰ লগতে ড° নবীন চন্দ্ৰ শৰ্মাৰ লোক সংস্কৃতি অধ্যয়নৰ পদ্ধতিৰ বিতং ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, গৱেষক পণ্ডিত, লোক সংস্কৃতিবিদ ড° উপেন ৰাভা হাকাছামে ড° নবীন চন্দ্ৰ শৰ্মাৰ বহুমুখী প্ৰতিভা সন্দৰ্ভত ৰেখাপাত কৰাৰ লগতে তেওঁৰ অনবদ্য সৃষ্টিৰ পোষকতা কৰে। কবিতা পাঠেৰে পণ্ডিতজনলৈ জন্মদিনৰ অভিনন্দন জনায় মাজুলীৰ নৱপ্ৰজন্মৰ কবি-সাহিত্যক শংকু সিদ্ধ নাথ আৰু পাপু বৰাই। মিচিং ঐনিতমেৰে জন্মদিনৰ শুভেচ্ছা জনায় যোৰহাটৰ পৰা ইন্দিৰা পাও গগৈয়ে। মঙলদৈৰ পৰা ড° মোহিনী গোস্বামী, নগাঁৱৰ পৰা ড° ৰজিতা কলিতা মৰল, ছিপাঝাৰ পৰা ড° প্ৰসন্ন কুমাৰ নাথ, ডিফুৰ দেবেন কাকতি, গোৱালপাৰা জিলা সাহিত্য সভাৰ সম্পাদক জিতুমণি দাস, দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা, ধুবুৰীৰ পৰা মিহিৰ দাস, চাপৰৰ পৰা তিলক প্ৰসাদ আদিয়ে ড° নবীন চন্দ্ৰ শৰ্মালৈ জন্মদিনৰ ওলগ জনাই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ব্যাস ওজাপালি আৰু নাঙেলী গীত পৰিবেশন কৰে শিল্পী মুকুট চন্দ্ৰ হাজৰিকাই।

## শালবাৰীত বিপিএফে বিতৰণ কৰিলে ছেনিটাইজাৰ-মাস্ক



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৩ জুন ঃ** কৰ'নাৰ সংক্ৰমণ ৰোধৰ বাবে শালবাৰী মহকুমাত প্ৰশাসনৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীসকল তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে। চৰকাৰে জাৰি কৰা ক'ভিড সম্পৰ্কীয় নীতি-নিৰ্দেশনা মানি সাৱধানতা অৱলম্বন কৰিবলৈ স্থানীয় লোকসকলক প্ৰশাসনৰ লগতে বিভিন্ন দল-সংগঠনে আহ্বান জনাই বিভিন্ন সামগ্ৰী বিতৰণ কৰিছে। ইতিমধ্যে মহকুমাটোৰ আৰক্ষী প্ৰশাসনে মাস্ক বিতৰণ কৰি ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিছে। আজি বিপিএফৰ শালবাৰী জিলা কমিটীৰ উদ্যোগত শালবাৰীত পথাচাৰীৰ মাজত ছেনিটাইজাৰ আৰু মাস্ক বিতৰণ কৰা হয়। বিটিআৰৰ শালবাৰী পৰিষদীয় সমষ্টিৰ এমচিএলএ জয় মুছাহাৰীৰ তৎপৰতাত আজি এহেজাৰ বটল হেণ্ড ছেনিটাইজাৰ আৰু দুহেজাৰৰো অধিক মাস্ক বিতৰণ কৰা হয়। বিপিএফৰ এই সাহায্য বিতৰণ কাৰ্যসূচীত শালবাৰী জিলা যুৱ বিপিএফ, ৰূপহী প্ৰাইমাৰী কমিটী আৰু শালবাৰী প্ৰাইমাৰী কটীৰ ভালেকেইগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

## কুমাৰীকাটা আঞ্চলিক গাঁওৰক্ষী বাহিনীৰ ক'ভিড সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৩ জুন ঃ** সাম্প্ৰতিক ক'ভিডসৃষ্ট ভয়াবহ পৰিৱেশ তথা তীৰ, জুৱা, সুৰা আৰু ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে গ্ৰামাঞ্চলৰ ৰাইজক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যে তামুলপুৰ থানাৰ অন্তৰ্গত বিভিন্ন গাঁওৰক্ষী বাহিনীৰ শাখাসমূহে গ্ৰহণ কৰিছে সজাগতামূলক পদক্ষেপ। কালি তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত কুমাৰীকাটা আৰক্ষী চকীৰ অধীনস্থ ৩৭ খন গাঁওৰক্ষী বাহিনীৰ এখন সভা কুমাৰীকাটা আৰক্ষী চকীত থকা গাঁওৰক্ষী বাহিনীৰ সভাকক্ষত অনুষ্ঠিত হয়। কুমাৰীকাটা আঞ্চলিক গাঁওৰক্ষী বাহিনীৰ সভাপতি ৰাজেশ প্ৰধানৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি তামুলপুৰ থানাৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠক দিলীপ দাসে সম্প্ৰতি সমগ্ৰ ৰাজ্যতে দেখা দিয়া ক'ভিড-১৯ৰ ভয়াবহতাৰ বিষয়ে সদৰী কৰি ইয়াৰ বিষয়ে ৰাইজক সজাগ আৰু সচেতন কৰাৰ বাবে গাঁওৰক্ষী বাহিনীৰ লোকসকলক লৈ আহ্বান জনায়। চক্ৰ সংগঠকগৰাকীয়ে তামুলপুৰ মহকুমাৰ বিভিন্ন ঠাইত একাংশ অসাধু লোকে চলাই থকা তীৰ, সুৰা আৰু নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় বন্ধ কৰাৰ বাবে গাঁওৰক্ষী বাহিনীয়ে কেনেদৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে সেই বিষয়ে বক্তব্য আগবঢ়ায়। সামাজিক বাতাবৰণ বিনষ্ট কৰিব পৰা তীৰ-জুৱা, নিচাযুক্ত দ্ৰব্য প্ৰচলনৰ বিৰুদ্ধে ৰাইজক সজাগ-সচেতন কৰিবলৈ গাঁওৰক্ষী বাহিনীৰ সদস্যসকললৈ আহ্বান জনায়। সভাত কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নিলভজ্যোতি নাথেও চমু বক্তব্য আগবঢ়ায়। সজাগতা সভাখনত কুমাৰীকাটা আঞ্চলিক গাঁওৰক্ষী বাহিনীৰ ৩৭ খন গাঁওৰক্ষী সমিতিৰ সভাপতি-সম্পাদকসকল উপস্থিত থাকে।

## সজল ফাউণ্ডেছনৰ শতাধিক চালকৰ মাজত চাউল-মাস্ক বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২৩ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোঁসাইগাঁও মহকুমাৰ অসম-পশ্চিমবংগ সীমান্তৱৰ্তী শ্ৰীৰামপুৰৰ হাইস্কুলৰ খেলপথাৰত বৃহত্তৰ শ্ৰীৰামপুৰ অঞ্চলৰ টটো চলাই জীৱিকা নিৰ্বাহ কৰাসকলৰ মাজত যোৱা ২১ জুনত চাউল আৰু মাস্ক বিতৰণ কৰা হয়। সজল ফাউণ্ডেছনৰ মুখ্য কৰ্ণধাৰ তথা বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ পৰিষদীয় সদস্য সজল সিংহই অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ, দামৰাপাৰা, জাৰাগুৰি, গকুলকাটা, বাজুগাঁও, দাৰাগুৰী আদি অঞ্চলৰ ছয় শতাধিক টটো চালকৰ মাজত সাহায্য হিচাপে চাউল আৰু মাস্ক বিতৰণ কৰে। প্ৰতিটো পৰিয়ালক সাহায্য হিচাপে ১০ কিলোগ্ৰামকৈ চাউল যোগান ধৰা হয়। এই বিষয়ে এমচিএলএ সজল সিংহই কয় যে তলাবন্ধৰ ফলত টটো চালকসকলে যথেষ্ট আৰ্থিক সংকটৰ সন্মুখীন হৈছে। পৰিয়ালক পোহ-পাল দিয়াটো তেওঁলোকৰ বাবে কঠিন হৈ পৰিছে। টটো চালকসকলৰ অধিকাংশই দৰিদ্ৰ সীমাৰেখাৰ তলৰ শ্ৰেণীৰ। তেওঁলোকৰ প্ৰয়োজন মতে যথেষ্ট কম তথাপি যৎকিঞ্চিত সাহায্য দিবলৈ পাই সুখী হৈছো। তেওঁ কয় যে ক'ভিড-১৯ পৰিস্থিতিয়ে খাটিখোৱা ৰাইজৰ বাবে কঠিন সমস্যাৰ সৃষ্টি হৈছে। তেওঁলোক যাতে অনাহাৰে থাকিবলগীয়া নহয় তাৰ বাবে দৰিদ্ৰৰ মাজত চাউল বিতৰণ কৰা হৈছে।

## বকোৰ বন্দাপাৰাত দুৰ্ঘটনাত নিহত এক

**অগ্ৰদূত বাৰ্তা**

**বকো, ২৩ জুন ঃ** বকোৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ মৃত্যুদূতত পৰিণত হৈছে। সঘনাই নিয়ন্ত্ৰণহীন বাহন দুৰ্ঘটনাত পতিত হৈ বহুজনে প্ৰাণ হেৰুৱাইছে। বহুজন চিৰদিনৰ বাবে ঘূণীয়া হৈছে। ইয়াৰ মাজতে কালি বকোৰ বন্দাপাৰা তিনিআলিত এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। ছুইফট ডিজায়াৰ আৰু চেভ্ৰলেট বিটৰ মুখামুখি সংঘৰ্ষত ছুইফট ডিজায়াৰখন পথৰ কাষত থকা ১০ ফুট গভীৰতা খাল এটাত সোমাই পৰে। থিতাতে নিহত হয় জখলাবন্ধা নিবাসী চালক নৃপেন তাছা (৩২)। একেদৰে জখলাবন্ধা নিবাসী বাহনখনৰ আৰোহী মল্লিকা হাজং (৫২)সহ পুত্ৰ মহেশ হাজং (২৪) আৰু ভাগিনীয়েক সুমন হাজং (১৭)ক তৎকালীনভাৱে বকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰা হয়। ভয়াৱহ পথ দুৰ্ঘটনাটোত মল্লিকা হাজঙৰ অৱস্থা সংকটজনক হোৱাত জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰিছে। গোৱালপাৰা জিলাৰ ধূপধৰাৰ আত্মীয়ৰ ঘৰত আলহী খাই নগাঁৱৰ জখলাবন্ধালৈ গৈ থকাৰ পথত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ পাছতে চেভ্ৰলেট বিটৰ চালকজন পলায়ন কৰে। দুৰ্ঘটনাত পতিত ছুইফট ডিজায়াৰৰ নম্বৰ এ এছ-১২ বি চি-৬৮৩৬। আনহাতে, আনখনৰ নম্বৰ হৈছে এ এছ-০১ এ এল-০৬৬৮। দুয়োখন বাহন বকো আৰক্ষীয়ে জব্দ কৰিছে।

## বঙাইগাঁৱৰ আদৰ্শ ক'ভিড প্ৰতিষেধক প্ৰদান কেন্দ্ৰ পৰিদৰ্শন মন্ত্ৰী দাসৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৩ জুন ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, যোগান আদি বিভাগ তথা বঙাইগাঁৱৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত দাসে কালি বঙাইগাঁৱত উপস্থিত হৈ জিলাখনৰ ভাওলাগুৰি নগৰ স্বাস্থ্য কেন্দ্ৰৰ অধীনত চেন্ট এলবাৰ্ট হাইস্কুলত স্থাপন কৰা আদৰ্শ ক'ভিড প্ৰতিষেধক প্ৰদান কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ ক'ভিড প্ৰতিষেধক কেন্দ্ৰটোত প্ৰতিষেধক প্ৰদান কৰাৰ বাবে যেনেদৰে পৰ্যায়ক্ৰমে নাম পঞ্জীয়ন, ক'ভিড পৰীক্ষা প্ৰতিষেধক প্ৰদান, নিৰীক্ষণ, পুনৰীক্ষণ আদি ব্যৱস্থা কৰা হৈছে সেয়া পৰিদৰ্শন কৰি সন্তোষ প্ৰকাশ কৰে। মন্ত্ৰীজনে মেগা ক'ভিড প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত জিলাখনৰ কালিৰ সংখ্যা চাই সন্তোষ প্ৰকাশ কৰে, কিয়নো নিৰ্ধাৰিত লক্ষ্যতকৈ কিছু বেছিসংখ্যক প্ৰদান কৰা হৈছে। ইয়াৰ পাছত আবেলিৰ ভাগত আৱৰ্ত ভৱনত জিলা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়া, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া নাদিৰা হুছেইন, অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য), অতিৰিক্ত উপায়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া আদিকে ধৰি জিলা স্বাস্থ্য সমিতিৰ বিষয়ববীয়াসকলৰ লগত এক পৰ্যালোচনা সভাত মিলিত হয়। সভাত ক'ভিড প্ৰতিষেধক পালি বৰ্তমান কিমান মজুত আছে আৰু অনাৰ ব্যৱস্থা কি কৰা হৈছে আদি বিষয়ত আলোচনা কৰে। আনহাতে, মন্ত্ৰীজনে পঞ্চায়ত সদস্য, আশাকৰ্মী, আত্মসহায়ক গোটৰ সদস্য, শিক্ষক আদিক সাধাৰণ ৰাইজক ক'ভিড প্ৰতিষেধক লোৱাৰ বাবে সজাগ কৰিবলৈ কয়। উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই বঙাইগাঁও অসামৰিক চিকিৎসালয়ত নিৰ্মীয়মাণ আই চি ইউ কক্ষৰ কাম প্ৰায় সম্পূৰ্ণ বুলি কয়; কিন্তু ইয়াৰ বাবে কিছুমান আৱশ্যকীয় সামগ্ৰী দিল্লীৰ পৰা আনিব লাগিব আৰু যাতায়াত বন্ধ থকা বাবে সেয়া সম্ভৱ হৈ উঠা নাই।

## জনীয়াত শাক-পাচলিৰ বীজ বিতৰণ

**কলগাছিয়া, ২৩ জুন ঃ** ছেলকু ফাউণ্ডেছন নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সৌজন্যত আৰু বৰপেটা জিলাৰ জনীয়া আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদৰ উদ্যোগত কালি জনীয়াত কৃষি কাৰ্যৰ লগত লোকৰ মাজত উন্নতমানৰ বিভিন্ন প্ৰকাৰৰ শাক-পাচলিৰ বীজ বিতৰণ কৰা হয়। উল্লেখ্য যে ক'ভিড-১৯ মহামাৰীৰ ভয়াৱহতাৰ সময়ত খেতিয়কলৈ জিকা, ভেণ্ডি, বেঙেনা, তিতা কেৰেলা, ডাংগুটি, জাতিলাউ, ৰঙালাউৰ বীজ আদি কৰি আঠ বিধ উন্নতমানৰ পাচলি বীজ যোগান ধৰে। বৰপেটা জিলাৰ দুশগৰাকী খেতিয়কলৈ বীজ বিতৰণৰ কাৰ্যসূচী হাতত লৈছে যদিও ২২ জুনত ৪০গৰাকী হিতাধিকাৰীলৈ ক'ভিড নিয়ম মানি বীজ বিতৰণ কাৰ্যসূচী আৰম্ভ কৰা হয়। তদুপলক্ষে জনীয়া আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদৰ সম্পাদক আব্দুল মালিকৰ পৰিচালনাত অনুষ্ঠুপীয়াকৈ আয়োজিত বীজ বিতৰণী সভাত জনীয়া প্ৰেছ ক্লাবৰ সম্পাদক মইনুল হক চৌধুৰীয়ে এনজিঅ' দুটাৰ জনহিতৈষী ভূমিকা সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। উক্ত সভাত আইজিএছএছএছৰ বৰপেটা আৰু ধুবুৰী জিলাৰ সমন্বয়ক মকিব শিকদাৰো উপস্থিত থাকে।

## কৃষি কৰ্মেৰে স্বাৱলম্বিতাৰ নিদৰ্শন মঙলদৈৰ আদৰ্শ কৃষক জিয়াৰুদ্দিনৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৩ জুন ঃ** যিটো সময়ত অসমীয়া লোকে উন্নত মানৰ কৃষি কৰ্মৰ প্ৰতি উদাসীন বুলি অভিযোগ আছে সেই সময়তে মঙলদৈৰ নিকতৱৰ্তী মোল্লাপাৰা গাঁৱৰ কৃষক জিয়াৰুদ্দিন আহমেদে বিভিন্ন ধৰণৰ কৃষি কৰ্মৰে এক সুকীয়া স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। শ শ বিঘা বিভিন্ন প্ৰজাতিৰ ধান খেতিৰ উপৰি তেওঁ ১৬-১৭ বিঘা পৰিমাণৰ মাটিত মাকৈ, দুই বিঘা মাটিত জলকীয়াৰ লগতে নানা প্ৰকাৰৰ শাক-পাচলি যেনে তিঁয়হ, জিকা, ভেণ্ডি আদি যথেষ্ট পৰিমাণে খেতি কৰি সন্তোষজনক উৎপাদনেৰে নিবনুৱাৰ বাবে এক প্ৰেৰণাৰ উৎস হৈ পৰা দেখা গৈছে। কিন্তু 'পথাৰ আমাৰ বজাৰ আমাৰ' এই শ্ল'গানৰ প্ৰতি আকৰ্ষিত হৈ থলুৱা খেতিয়কজনে আশানুৰূপ উৎপাদন কৰিবলৈ সক্ষম হ'লেও তলাবন্ধই সৃষ্টি কৰা নেতিবাচক পৰিৱেশত বজাৰ দখল কৰিব নোৱাৰি মূৰে-কপালে হাত দিবলগীয়া হৈছে। গাঁথিৰ ধন ভাঙি কৃষিক এক উদ্যোগলৈ পৰ্যবসিত কৰি অভিলেখ পৰিমাণৰ উৎপাদন কৰি ৰাজ্যখনৰ অৰ্থনীতি টনকিয়াল কৰি আদৰ্শৰ প্ৰতিষ্ঠা কৰা এনে কৃষকৰ ফচল সংৰক্ষণ আৰু বিক্ৰীৰ ক্ষেত্ৰত এক ফলপ্ৰসূ নীতি গ্ৰহণৰ বাবে পদক্ষেপ লোৱাটো অতীৱ প্ৰয়োজন বুলি সচেতন মহলে মতপ্ৰকাশ কৰিছে। চৰকাৰৰ এনে প্ৰচেষ্টাই নিবনুৱা যুৱক-যুৱতীসকল কৃষি উদ্যোগৰ প্ৰতি আকৰ্ষিত কৰি জিয়াৰুদ্দিনৰ দৰে আদৰ্শ কৃষকৰ পথ ল'বলৈ প্ৰেৰণা যোগাব বুলিও ৰাইজে আশা প্ৰকাশ কৰিছে।

## নতুন ট্ৰেন্সফৰ্মাৰ স্থাপনেৰে স্বাস্থ্য কেন্দ্ৰত পুনৰ বিদ্যুৎ যোগান

**বিশেষ সংবাদদাতা**

**বৰপেটা/কলগাছিয়া, ২৩ জুন ঃ** এবছৰৰ মূৰত জিলা উপায়ুক্ত তেজ প্ৰসাদ ভুচালৰ তৎপৰতাত ৰহা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত পুনৰ বিদ্যুৎ সংযোগ স্থাপন কৰা হৈছে। বৰপেটা জিলাৰ সৰভোগ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰহাত থকা স্বাস্থ্য কেন্দ্ৰটোত থকা বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰটো ২০১৯তে বিকল হৈছিল। ইয়াৰ পাছত কিছুদিন সৌৰ চালিত বিদ্যুতেৰে চিকিৎসালয়খন চলোৱা হৈছিল যদিও তাতো বিজুতি ঘটাত কেন্দ্ৰটি সম্পূৰ্ণ অন্ধকাৰত ডুব যায়। এই বিষয়ে জানিব পাৰি সাম্প্ৰতিক কৰ'নাজনিত পৰিস্থিতিত ইয়াৰ গুৰুত্ব উপলব্ধি কৰি উপায়ুক্ত ভুচালে কোনো নিৰ্ধাৰিত পুঁজি অবিহনে চিকিৎসালয়খনত নতুন ট্ৰেন্সফৰ্মা স্থাপন কৰাৰ ব্যৱস্থা কৰে।

## ৰাভা সংগীত প্ৰতিযোগিতাত শিশু শিল্পী ইশ্বান আফ্ৰিদীৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৩ জুন ঃ** বৃহত্তৰ গুৱাহাটী মহানগৰ শিল্পী সমাজৰ উদ্যোগত সদৌ অসম ভিত্তিত অনুষ্ঠিত 'বিষ্ণু ৰাভা' অনলাইন সংগীত প্ৰতিযোগিতাৰ 'ক' শাখাত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে ইশ্বান আফ্ৰিদী। প্ৰতিভাবান শিশু শিল্পী হিচাপে সমগ্ৰ ৰাজ্যতে ইতিমধ্যে পৰিচিত লাভ কৰিছে আফ্ৰিদীয়ে। দৰং জিলাৰ বাহগড়াৰ ফিজনুৰ আলী আৰু নীলু ফিৰীয়া ইয়াছমিনৰ সন্তান পঞ্চম শ্ৰেণীৰ ছাত্ৰ আফ্ৰিদীয়ে সংগীত জগতত ইটোৰ পাছত সিটো সফলতাৰে বৃহত্তৰ দুমুনিচকী আৰু গণেশকুঁৱৰী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শিশু শিল্পীজনে বৃহত্তৰ গুৱাহাটী মহানগৰ শিল্পী সমাজৰ উদ্যোগত সদৌ অসম ভিত্তিত অনুষ্ঠিত 'বিষ্ণু ৰাভা' অনলাইন সংগীত প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰাৰ সমান্তৰালভাৱে দৰং জিলাৰ সামাজিক অনুষ্ঠান পথৰু সমন্বয় গোষ্ঠী'য়ে আয়োজন কৰা 'কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা'ৰ গীতৰ অনলাইন প্ৰতিযোগিতাতো প্ৰেৰণা মূলক বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। শিশু শিল্পীজনৰ এনে সাফল্যত সাধাৰণতে উৎফুল্লিত হৈছে অঞ্চলবাসী। উল্লেখ্য যে আফ্ৰিদীয়ে ৰাজ্যখনৰ কে'বাটাও আগশাৰীৰ নিউজ চেনেলত ইতিমধ্যে সংগীত পৰিৱেশন কৰি ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হৈছে।

## সোণাপুৰত বাহনসহ ধৃত তিনি ছাগলী চোৰ

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৩ জুন ঃ** সোণাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত টেঁপেচীয়াত আজি স্থানীয় ৰাইজে ছাগলী চুৰি কাৰ্যত ব্যৱহাৰ কৰা এখন ইয়ন বাহন জব্দ কৰাৰ লগতে পাঁচটা চুৰি ছাগলী উদ্ধাৰ কৰে। চোৰকেইজনে এ এছ-০১ জেচি-৮৬০৭ নম্বৰৰ যাত্ৰীবাহী বাহনখনত কমলাজাৰী, সোনাইগাও আদি অঞ্চলৰ পৰা ছাগলী চুৰি কৰি গাঁৱৰ ভিতৰুৱা পথেদি আহি আছিল। এই কথা স্থানীয় একাংশ ৰাইজে জানিব পাৰি টেঁপেচীয়াত চোৰকেইজনক আগভেটা দিয়ে। ৰাইজৰ ৰুদ্ৰ মূৰ্তি দেখি চোৰকেইজনে বাহন আধাতে এৰি পাহাৰৰ দিশে পলায়ন কৰিবলৈ চেষ্টা কৰে যদিও ৰফিকুল ইছলাম (২৭) আৰু ৰাহিদুল খান (২৬) নামৰ চোৰ দুজনক ৰাইজে খেদি খেদি কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। ধৃত ছাগলী চোৰকেইজন মহানগৰীৰ গড়চুকৰ। ইতিমধ্যে সোণাপুৰ আৰক্ষীয়ে চুৰি কাৰ্যত ব্যৱহৃত ইয়ন বাহনখন জব্দ কৰাৰ লগতে পাঁচটা ছাগলী উদ্ধাৰ কৰে। শেহতীয়াকৈ পাপু দে নামৰ আন এজন চোৰকো সোণাপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আনহাতে, আৰক্ষীয়ে বাহনখনৰ পৰা মানিবেগ, আধাৰ কাৰ্ড, পেন কাৰ্ডৰ লগতে বহু আপত্তিজনক নথি-পত্ৰ উদ্ধাৰ কৰিছে।

## শালমাৰাত শালিধানৰ কঠীয়া সিঁচিব নোৱাৰি বিপাঙত কৃষক

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৩ জুন ঃ** বিগত কিছুদিন ধৰি প্ৰয়োজনীয় বৰষুণ নিদিয়া বাবে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ কৃষকসকল বিপাঙত পৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে জেঠ আৰু আহাৰৰ প্ৰথম ভাগত কৃষকসকলে শালিধানৰ কঠীয়া সিঁচাৰ বাবে উপযুক্ত সময় হোৱা কঠীয়া টোমৰ পৰা সাঁচি থোৱা ধান উলিয়াই কঠীয়া সিঁচাৰ প্ৰস্তুতি চলায়। কিন্তু উপযুক্ত সময়ত প্ৰয়োজনীয় বৰষুণৰ পানীৰ অভাৱৰ বাবে ব্যৰ্থ হৈছে কঠীয়া সিঁচাত। উত্তৰ শালমাৰা মহকুমাৰ কৃষি প্ৰধান অঞ্চল সৃজনগ্ৰাম, খামাৰপাৰা, বৰঘোলা, সোণাখুলি, পাখিৰীগুৰী, দহেলাপাৰা, পাচনীয়া, মালেগড়, বইটামাৰী, উত্তৰ শালমাৰা, ধনতোলা, দেওহাটী, কেৰখাবাৰী আদি অঞ্চলৰ কৃষকসকলে কঠীয়া সিঁচিবলৈ ব্যৰ্থ হোৱাত মূৰে-কপালে হাত দি থাকিব লগা হোৱা পৰিস্থিতিৰ সৃষ্টি হৈছে। বৰষুণৰ অপেক্ষাত থকা কৃষকসকলক সকাহ দিয়াৰ বাবে কাণসাৰ নাই বিয়াগোম কৃষি আৰু জলসিঞ্চন বিভাগৰ এনে অৱস্থাত অনাগত ভৱিষ্যতক লৈ শংকিত হৈ পৰিছে কৃষকসকল। উল্লেখ্য যে ৰাজ্যৰ জলসিঞ্চন বিভাগে পানী যোগানৰ বাবে সময়ে সময়ে একো একোখন বিয়াগোম আঁচনি গ্ৰহণ কৰি আহিছে যদিও দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ লুণ্ঠনৰ বাবে তেনে আঁচনি ভেঁকোভাওনাত পৰিণত হৈ আহিছে। মন কৰিবলগীয়া যে মহকুমাটোৰ টাপাট্টাৰী, বইটামাৰী আৰু সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ বিভিন্ন পঞ্চায়ত অঞ্চলত ৪২০ গৰাকী কৃষকৰ মাজত ২০১৫-১৬ বিত্তীয় বৰ্ষত গভীৰ নলী-নাদ বহুওৱাৰ বাবে ১৮ কোটি টকা আবণ্টন দিছিল যদিও প্ৰায় কেইটা নলী-নাদৰ পৰা পানী উত্তোলন কৰা সম্ভৱ হৈয়ে নুঠিল। দুই-এঠাইত পৰীক্ষামূলকভাৱে পানী উত্তোলন কৰিয়েই দায়িত্ব সামৰে বিভাগটোৱে।

No. DME/B.Sc (N) 233/2020/14018

**ADMISSION NOTICE**

**Admission into the 1st year B.Sc. Nursing course in the 3 Government Nursing College of Assam for the session,2020**

This is for information of all concerned that the provisional select list of candidate after the 2nd round online counseling for admission into the 1st year B.Sc. Nursing course in the Three Government Nursing Collges of Assam for the session, 2020 held on 19th June, 2021 has been published which is now available in the offical website of this Directorate www.dme.assam.gov.in. The selected candidates are hereby directed to report for admission to the Principal of the respective Colleges along with all their original testimonials, Admit Card of CEE, 2020, etc. on 28th & 29th June. If the candidates fail to get admitted within stipulated time, their allotted seat shall be forfeited.

Sd/-
Director of Medical Education, Assam

Janasanyog/D/1590/21






এবছুৰ দক্ষ-গুণগত শিক্ষা অভিযান

# শালবাৰীত এবছুৰ শিক্ষানুষ্ঠান চাফাই অভিযান

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৩ জুন ঃ** এবছুৰ দক্ষ আৰু গুণগত শিক্ষা অভিযানৰ অংশৰূপে যোৱা ১৮ জুনত সংগঠনটোৰ শালবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত শালবাৰী মহকুমা সদৰত শিক্ষানুষ্ঠানবোৰত চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে কৰ'না মহামাৰীৰ সমস্যাৰ পৰিপ্ৰেক্ষিতত বন্ধ হৈ থকা শালবাৰী মহকুমা সদৰত অৱস্থিত শিক্ষানুষ্ঠান ক্ৰমে শালবাৰী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, শালবাৰী মহাবিদ্যালয়, শালবাৰী জুনিয়ৰ কলেজ, শালবাৰী প্ৰাথমিক বিদ্যালয়ৰ লগতে মহকুমা সদৰৰ নিকটৱৰ্তী অঞ্চলৰ শিক্ষানুষ্ঠানসমূহৰ চৌহদত চাফাই অভিযান চলায় এবছুৰ শালবাৰী আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে। তদুপৰি শিক্ষানুষ্ঠানসমূহত ছেনিটাইজেছনো কৰে। আৰম্ভণিতে চাফাই অভিযান কাৰ্যসূচীৰ শালবাৰী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত উদ্বোধন কৰে এবছুৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি উমেশ দৈমাৰীয়ে। উদ্বোধনী অনুষ্ঠানত শালবাৰী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শৰৎ চন্দ্ৰ দাসৰ লগতে বিদ্যালয়খনৰ শিক্ষক, কৰ্মচাৰী, এবছুৰ বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য যে শালবাৰী মহকুমাৰ অন্তৰ্গত শালবাৰীৰ উপৰি ৰূপহী, খৌলা বিজনী, গেজেৰ বিজনী, হস্তিনাপুৰ, বিজনী মৌজা, গোৰৰ্ধনা, বাঁহবাৰী, খাৰিজা বিজনী মুঠ আঠখন এবছুৰ আঞ্চলিক সমিতিয়ে নিজৰ নিজৰ অঞ্চলত অৱস্থিত শিক্ষানুষ্ঠানসমূহতো এবছুৰ বিষয়ববীয়াই চাফাই অভিযান আৰু ছেনিটাইজেছন কৰে।

# যুৱ-ছাত্ৰৰ 'কলাগুৰু' শীৰ্ষক নৃত্য প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৩ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী চহৰ সমিতিৰ উদ্যোগত বিষ্ণু ৰাভা দিৱস উপলক্ষে 'কলাগুৰু' শীৰ্ষক নলবাৰী জিলা ভিত্তিত আয়োজন কৰা একক নৃত্য প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰে। নলবাৰী জিলাৰ বিভিন্ন অঞ্চলৰ তথা শিক্ষানুষ্ঠানৰ প্ৰায় অৰ্ধশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল এই নৃত্য প্ৰতিযোগিতাত। নলবাৰী চহৰ সমিতিয়ে জনোৱা অনুসৰি, এই নৃত্য প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে গৰিমা দত্ত (বিদ্যাপুৰ), দ্বিতীয় স্থান লাভ কৰে জিজ্ঞাসা চক্ৰৱৰ্তী (চ'ক বজাৰ), তৃতীয় স্থান লাভ কৰে মধুস্মিতা সিন্‌হাই (পল্লা ৰোড)। বিজয়ী আটাইকেইগৰাকী প্ৰতিযোগীৰ লগতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সৌষ্ঠৱ বৃদ্ধি তথা আয়োজক সমিতিক উৎসাহ যোগোৱা সকলো প্ৰতিযোগীক অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী চহৰ সমিতিৰ সভাপতি নয়ন শৰ্মা আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি বৰ্মন, সাংস্কৃতিক সম্পাদিকা মৃদুস্মিতা ৰাজবংশীয়ে ধন্যবাদ জ্ঞাপন কৰি কয় যে বিজয়ী প্ৰতিযোগীসকলক ডাকযোগে বা স্বগৃহত উপস্থিত হৈ পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব।

# মানাহৰ বনৰক্ষীক ৰেইন কোট প্ৰদান ডব্লিউ ডব্লিউ এফৰ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৩ জুন ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বনকৰ্মীসকলক যোৱা ২১ জুনৰ পৰা ৰেইনকোট প্ৰদানৰ কাম আৰম্ভ কৰিছে ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াই। মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সহযোগত ৰাষ্ট্ৰীয় উদ্যানখনত কৰ্মৰত বনৰক্ষী, মাউতসকলক এই প্ৰতিকূল পৰিস্থিতিৰ মাজতো নিজ কৰ্মৰ প্ৰতি উৎসাহ যোগোৱাৰ উপৰি বাৰিষাৰ দিনসমূহত অৰণ্যত পহৰাৰ সুবিধাৰ্থে সংস্থাটোৱে প্ৰদান কৰিব ৰেইনকোট। সংস্থাটোৱে ৰেইনকোট প্ৰদান কৰিবলগীয়া এই কাৰ্যসূচীৰ আজি মানাহৰ বাঁহবাৰী ৰেঞ্জৰ মহল কেম্পত মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰত সঞ্চালক অমল চন্দ্ৰ শৰ্মাৰ উপস্থিতিত ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াৰ লেণ্ডস্কেপ কো-অৰ্ডিনেটৰ দেৱ কুমাৰ দত্তই আৰম্ভ কৰে। উল্লেখ্য যে মানাহৰ বাঁহবাৰী, ভূঞাপাৰা, পাণবাৰী ৰেঞ্জৰ লগতে বৰনদী অভয়াৰণ্যৰ ৭৭৯ গৰাকী বনকৰ্মীক সংস্থাটোৱে প্ৰদান কৰিব ৰেইনকোট। আজি বাঁহবাৰী ৰেঞ্জত বনৰক্ষীসকলক ৰেইনকোট প্ৰদান কৰাৰ পাছতে ক্ৰমান্বয়ে আন ৰেঞ্জৰ বনকৰ্মীসকলক ৰেইনকোট প্ৰদান কৰা হ'ব বুলি কয় সংস্থাটোৰ বিষয়া দেৱ কুমাৰ দত্তই।

# কামৰূপ জিলাত ১১,৬৮৯ গৰাকীক টিকাকৰণ

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৩ জুন ঃ** দেশৰ ১৮ বছৰৰ উৰ্ধ্বৰ প্ৰতি গৰাকী লোককে ক'ভিডৰ প্ৰতিষেধক ছিটা প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ আৰম্ভ কৰা বিশেষ বিনামূলীয়া টিকাকৰণ অভিযানৰ অংশৰূপে কামৰূপ জিলাতো বিনামূলীয়া ছিটা প্ৰদানৰ অভিযান আৰম্ভ হৈছে। প্ৰতিদিনে ১০,০০০ প্ৰতিষেধক প্ৰদান কৰাৰ বাবে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া লক্ষ্যত উপনীত হ'বলৈ জিলাখনত ১১১ টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ স্থাপন কৰা হৈছে। তদুপৰি জিলাখনত থকা ১২ টা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হৈছে। সেই অনুসৰি আজিৰ দিনটোত উল্লেখযোগ্য সফলতাৰে নিৰ্ধাৰিত লক্ষ্যতকৈও অধিক প্ৰতিষেধক প্ৰদান কৰিবলৈ জিলা স্বাস্থ্য বিভাগ সক্ষম হৈছে। বাতৰি যুগুতোৱাৰ পৰলৈকে সংগৃহীত তথ্য মতে কালি জিলাখনত এতিয়ালৈ অভিলেখ সংখ্যক ১১,৬৮৯ লোকক টিকাকৰণ কৰা হৈছে। আনহাতে, জিলাখনত এতিয়ালৈ সৰ্বমুঠ ৩,৩২,৯৬৭ পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ২,৭৫,৬১৫ গৰাকী প্ৰথম পালি আৰু ৫৭,৩৫২ গৰাকীয়ে দ্বিতীয় পালি ছিটা গ্ৰহণ কৰিছে। উল্লেখ্য যে জিলাখনত ক'ভিড-১৯ৰ সংক্ৰমণ ক্ৰমান্বয়ে নিয়ন্ত্ৰণাধীন হৈ আহিছে।

# নগৰবেৰাত 'জল জীৱন মিছন' আঁচনি সন্দৰ্ভত সজাগতামূলক সভা

**আলোপতি, ২৩ জুন ঃ** ২০২৪ৰ ভিতৰত দেশৰ প্ৰতিটো পৰিয়ালত বিশুদ্ধ খোৱাপানী যোগানৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰিবলৈ লোৱা 'জল জীৱন মিছন' সন্দৰ্ভত যোৱা ১৭ জুনত কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাত এক সজাগতামূলক সভা অনুষ্ঠিত হয়। স্বেচ্ছাসেৱী সংস্থা 'আমাৰ প্ৰয়াস' গোষ্ঠীৰ উদ্যোগত আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বকো উপ-সংমণ্ডলৰ সহযোগত নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয় সজাগতা সভা। 'আমাৰ প্ৰয়াস' গোষ্ঠীৰ পৰিচালন সঞ্চালক আনোৱাৰ হুছেইনে সভাত সঞ্চালনা কৰি 'জল জীৱন মিছন' আঁচনি সন্দৰ্ভত বহলাই ব্যাখ্যা কৰি বিশুদ্ধ খোৱাপানীৰ গুৰুত্ব আৰু এই ক্ষেত্ৰত ৰাইজৰ মাজত অধিক সজাগতা বৃদ্ধিৰ পোষকতা কৰে। তদুপৰি তেওঁ ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ ৬০ খন গাঁৱত আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত সকলো পৰ্যায়ৰ লোকৰ সহায়-সহযোগিতা কামনা কৰে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বকো সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা খনিন্দ্ৰ নাথ শৰ্মা, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা, কামৰূপ জিলা পানী আৰু অনাময় সমিতিৰ জিলা সমন্বয়ক জলি কলিতাই আঁচনিখনৰ লগতে বিশুদ্ধ খোৱাপানীৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। সভাত নগৰবেৰা আঞ্চলিক মৌজা কমিটীৰ সভাপতি উদয় শংকৰ মেধি, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী অভিযন্তা ক্ৰমে প্ৰণৱ ডেকা, টিংকু কলিতা, ৰিজু ৰয়, বিভিন্ন গাঁও পঞ্চায়তৰ সভাপতি, গাঁওবুঢ়া সন্থাৰ প্ৰতিনিধি, সংবাদ মাধ্যমৰ লোকৰ লগতে 'আমাৰ প্ৰয়াস' গোষ্ঠীৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# গোসাঁইগাঁৱত দিন দুপৰতে মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৩ জুন ঃ** দুদিনমান পূৰ্বে দিন দুপৰতে লোক চক্ষুৰ আগত পালছাৰ মটৰ চাইকেলত অহা দুই চোৰে গোসাঁইগাঁও চহৰখনৰ সদাব্যস্ত টি পি পথত ই-ৰিক্সাত ঘৰ অভিমুখে আহি থকা এগৰাকী মহিলাৰ ডিঙিৰ পৰা এক তোলা ওজনৰ সোণৰ চেইন কাঢ়ি নিয়া ঘটনাৰ মাৰ নৌযাওঁতেই যোৱা ২০ জুনত পুনৰ সংঘটিত হ'ল এখন মটৰ চাইকেল চুৰিৰ ঘটনা। উক্ত ঘটনা সংঘটিত হৈছে চহৰখনৰ তিনি নম্বৰ ৱাৰ্ডত। চহৰৰ উপকণ্ঠৰ হাকমা গাঁৱৰ বাসিন্দা সৌমদৌন বসুমতাৰীয়ে পুৱা ৮-১৫ বজাত এ এছ-১৬ ডি- ৫৫০৩ নম্বৰৰ ক'লা বৰণৰ পালছাৰ মটৰ চাইকেলখন লৈ নিজ গৃহৰ পৰা গোসাঁইগাঁও চহৰৰ তিনিআলিৰ সমীপত অৱস্থিত কেশৱ ডেকা প্ৰাথমিক বিদ্যালয়ৰ কাষত থকা এঘৰ আত্মীয়ৰ ঘৰলৈ আহে। তেওঁ বিদ্যালয়খনৰ সন্মুখত পথৰ দাঁতিত মটৰ চাইকেলখন ৰাখি গৃহস্থৰ ঘৰত প্ৰৱেশ কৰে। অলপ সময় তাৰ পৰা বিদায় লৈ আহি মটৰ চাইকেলখন যথা স্থানত নেদেখি স্বাভাৱিকতে হতভম্ব হৈ পৰে বসুমতাৰী। তেওঁ আশে-পাশে বাহনখন বিচাৰি চলাথ কৰে যদিও সন্ধান উলিওৱাত ব্যৰ্থ হয় আৰু সেয়া চোৰৰ কাম বুলি নিশ্চিত হয়। পাছত তেওঁ ঘটনা সন্দৰ্ভত গোসাঁইগাঁও থানাত এখন এজাহাৰ দাখিল কৰিছে।

# সমাজকৰ্মী বাবুৰাম দৈমাৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৩ জুন ঃ** ১৯৫২ত জন্মগ্ৰহণ কৰা বড়ো সাহিত্য সভাৰ স'তে প্ৰতিষ্ঠা কালৰে পৰা জড়িত হৈ অহাৰ উপৰি বাথৌ ধৰ্মীয় সংস্থা, ১৯৮১ত কাউন্সিলৰ, বড়োফা হাইস্কুলৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সম্পাদক চিদলী ডেভেল'পমেণ্ট ব্লক, বেংতল শিৱ্ৰাই ইংলিছ স্কুলৰ স'তে জড়িত চিৰাং জিলা বাথৌ ধৰ্মীয় সংস্থাৰ উপদেষ্টা বাবুৰাম দৈমাৰী আৰু নাই। চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী খাগ্ৰাবাৰী গাঁৱৰ বাসিন্দা দৈমাৰীৰ ৯২ বছৰত মৃত্যু হয়।

# লংকাৰ শনিবজাৰত লাজুকী বান্দৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**লংকা, ২৩ জুন ঃ** ইয়াৰ পৰা প্ৰায় ২৫ কিঃমিঃ নিলগৰ লামডিং সংৰক্ষিত বনাঞ্চলৰ কাষৰীয়া শনিবজাৰ অঞ্চলত স্থানীয় ৰাইজে বনভূমিত লাজুকী বান্দৰ এটা দেখি বন বিভাগক খবৰ দিয়ে। বন বিভাগৰ লোকে খবৰ পাই আহি অতি যত্নেৰে বান্দৰটো উদ্ধাৰ কৰি আনে। বৰ্তমান লাজুকী বান্দৰটো লংকা আঞ্চলিক বন বিভাগৰ কাৰ্যালয়তে ৰখা হৈছে। উল্লেখনীয় যে লাজুকী বান্দৰ এবিধ দুষ্প্ৰাপ্য বন্যপ্ৰাণী আৰু এইবিধ প্ৰাণী লাহে লাহে নিঃশেষ হোৱাৰ পথত। পাছত বান্দৰটো লংকাৰ পশু চিকিৎসকৰ দ্বাৰা পৰীক্ষা-নিৰীক্ষা কৰি সুস্থ হোৱাৰ পাছত লামডিং বনাঞ্চলত এৰি দিয়া হয়।

# চকৰি ফেঁটী সাপ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৩ জুন ঃ** নগাঁও জিলাৰ পূব হাতীচোঙৰ ব্ৰাহ্মণগাঁও চাৰিআলিৰ সমীপৰ ফুলনিআটিৰ দীপশিখা বৰা হাজৰিকাৰ ঘৰৰ পৰা পৰহি সন্ধিয়া ৱাইল্ড এইড অসমৰ স্বেচ্ছাসেৱক তথা প্ৰকৃতিপ্ৰেমী যুৱক দেৱজ্যোতি (দাদু)নাথ নামৰ যুৱকজনে প্ৰায় চাৰে পাঁচ ফুট দৈৰ্ঘ্যৰ এডাল চকৰি ফেঁটী সাপ উদ্ধাৰ কৰে। পৰিয়ালটোৰ পাকঘৰত সাপডালে বিচৰণ কৰি থাকোতে বিশেষ কৌশলেৰে দেৱজ্যোতি নাথে আয়ত্ত কৰে। নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ জ্যেষ্ঠ বনকৰ্মী প্ৰণৱজ্যোতি (কাকু) বৰুৱা আৰু নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা বিশিষ্ট প্ৰকৃতিপ্ৰেমী ড° স্মৰজিৎ ওজাৰ সহযোগত উদ্ধাৰ কৰা সাপডাল নিৰীক্ষণৰ পাছত ওচৰৰ জংঘলত এৰি দিয়া হয়। উল্লেখ্য যে আজি প্ৰকৃতিপ্ৰেমী দেৱজ্যোতি নাথে একেটা অঞ্চলৰে গেদাৰবড়িৰ আন এজন লোকৰ ঘৰৰ পৰাও প্ৰায় চাৰে চাৰি কিলোগ্ৰাম ওজনৰ পাঁচ ফুট দৈৰ্ঘ্যৰ এডাল সাপ উদ্ধাৰৰে সতীৰ্থৰ সহযোগত নিৰীক্ষণৰ পাছত কাষৰীয়া জংঘলত এৰি দিয়ে।

# উত্তৰ গুৱাহাটী ৰহধলাত নামানে ক'ভিড নিয়ম

## আমিনগাঁৱতো নাই সজাগতা

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৩ জুন ঃ** উত্তৰ গুৱাহাটীৰ সৰ্বত্ৰে সাময়িক তলাবন্ধৰ প্ৰভাৱ পৰাৰ বিপৰীতে ৰহধলা আৰু আমিনগাঁও আৰক্ষী চকীৰ পাছফালে দেখা গ'ল বিপৰীত ছবি। দিনৰ দুই বজাৰ পাছতো ৰহধলাৰ সকলো দোকান-বজাৰ খুলি আৰক্ষী প্ৰশাসনৰ নিষ্ক্ৰিয়তাক স্পষ্ট ৰূপত দাঙি ধৰিলে। খাদ্য সামগ্ৰীৰ পৰা ঘৰ সজা সামগ্ৰীলৈ সকলো ধৰণৰ দোকান খুলি অবাঞ্ছিত জনসমাগম সৃষ্টি কৰি আহিছে। যি সময়ত সমীপৰ ভেটামুখ, ৰংমহল, ৰজাদূৱাৰকে ধৰি সকলোৱে ক'ভিড বিধি পালন কৰি দোকান-পোহাৰ বন্ধ কৰি কৰ'নাৰ বিৰুদ্ধে যুঁজ দিছে, সেই সময়তে ৰহধলাৰ দোকানীসকলৰ কৰ্মকাণ্ডই চকু কপালত তুলিছে। উত্তৰ গুৱাহাটী গৌৰীপুৰ আৰক্ষী চকীৰ নিচেই ওচৰৰ ৰহধলাৰ দোকান বন্ধ কৰিবলৈ অক্ষম আৰক্ষীয়ে সাধাৰণ পথাচাৰীৰ ক্ষেত্ৰত বৰমতা দেখুওৱা বুলি ৰাইজে অভিযোগ কৰিছে। ইফালে, আমিনগাঁও আৰক্ষী চকীৰ গাতে থকা বজাৰৰ পিছফালে জনসমাগম নেদেখে আমিনগাঁও আৰক্ষীয়ে। লোকসকল সকলো সময়তে মাস্ক পৰিদান নকৰাকৈ ৰাজহুৱা স্থানলৈ অহা-যোৱা কৰি ৰোগ সংক্ৰমণ প্ৰতিৰোধত বাধাৰ সৃষ্টি কৰি আহিছে। কামৰূপ আৰক্ষী প্ৰশাসনলৈ ৰাইজৰ অনুৰোধ নিয়ম নমনা লোকৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰক। কিয়নো এই ধৰণৰ আৰক্ষীৰ সোপাটিলা নীতিৰ বাবেই ন ন অঞ্চলত পুনৰ ক'ভিডে ভয়াৱহ ৰূপ লৈছে।

# আৰ্তজনলৈ সহায়ৰ হাত ওৰাং জেনিথ ক্লাবৰ

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৩ জুন ঃ** ক'ভিডৰ এই জটিল পৰিৱেশৰ মাজত আৰ্তজনলৈ সহায়ৰ হাত আগবঢ়ায় ওৰাঙৰ ক্ৰীড়া সংগঠক জেনিথ ক্লাৱে। ক্লাবটোৱে ৫১ টা দৰিদ্ৰ পৰিয়ালৰ মাজত বিতৰণ কৰিলে অত্যাৱশ্যকীয় সামগ্ৰীসহ ১০ বিধ খাদ্য সামগ্ৰী। ক'ভিড মহামাৰীৰ জটিল সময়ত তীব্ৰ আৰ্থিক সংকটত ভুগি বহু দৰিদ্ৰ পৰিয়ালে এমুঠি অন্নৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। ক'ভিডৰ জটিল পৰিস্থিতিৰ বাবে অভাৱৰ সন্মুখীন হৈ বহু পৰিমাণে কষ্টকৰ জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। সেই দুৰ্দশাগ্ৰস্ত দৰিদ্ৰ পৰিয়ালসমূহক কিছু সহায় কৰাৰ বাবে ৰবিবাৰে ৰাভা দিৱসৰ দিনটোত আগবাঢ়ি আহিল ওৰাঙৰ অন্যতম ক্ৰীড়া সংগঠন জেনিথ ক্লাব। অসমৰ বিভিন্ন জনগোষ্ঠী আৰু জাতিসত্তাৰ মাজত ঐক্য-সম্প্ৰীতি প্ৰতিষ্ঠা কৰি আকাশৰ দৰে সুবিশাল উদাৰতা আৰু হিমালয়ৰ দৰে সুউচ্চ মানসিকতা লৈ আগবাঢ়ি অহা মহান সংস্কৃতিবান, আজন্ম বিপ্লৱী, ৰাজনীতি, সমাজনীতি, সংস্কৃতি সকলোতে স্বকীয় ব্যক্তিত্ব আৰু প্ৰতিভাৰে প্ৰভূত বিস্তাৰ কৰা বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথিত গণশিল্পীজনক শ্ৰদ্ধা জনাই এনেদৰে দৰিদ্ৰ পৰিয়ালসমূহক খাদ্য-সামগ্ৰী প্ৰদান কৰে জেনিথ ক্লাবে। খাদ্য সামগ্ৰী প্ৰদান কৰাৰ লগতে ৰুগীয়া লোকসকলক কিছু আৰ্থিক সকাহ প্ৰদান কৰাৰ বাবে অৰ্থ সাহায্যও প্ৰদান কৰে ক্লাবটোৱে। উল্লেখ্য যে ওৰাঙৰ অন্যতম ক্ৰীড়া সংগঠন জেনিথ ক্লাবে ক্ৰীড়াৰ লগতে বিভিন্ন সামাজিক কাম-কাজৰ লগতো জড়িত হৈ আহিছে। ৰাভা দিৱস উপলক্ষে জেনিথ ক্লাবে হাতত লোৱা দৰিদ্ৰ পৰিয়ালক খাদ্য সামগ্ৰী প্ৰদানৰ কাৰ্যসূচী মুকলি কৰে কলাগুৰু বিষ্ণু ৰাভা স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল চন্দ্ৰ হাজং, ওৰাং আৰক্ষী থানাৰ আৰক্ষী বিষয়া দীপক দাস আৰু সমাজসেৱক দীপক শইকীয়াই। ক্লাবটোৰ এনে পদক্ষেপক সকলোৱে প্ৰশংসা কৰে।



*ঠেলামৰাত বন্যহস্তীয়ে বিধ্বস্ত কৰা এটি গৃহ, বুধবাৰে।*

# পলাশবাৰীৰ বৰিহাট চিকিৎসালয়ৰ কৰ্মীক জনসেৱাৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৩ জুন ঃ** দক্ষিণ কামৰূপৰ অগ্ৰণী সাহিত্যানুষ্ঠান নৱাৰুণ সাহিত্য সভাৰ জনকল্যাণমূলক অনুষ্ঠান জনসেৱাৰ উদ্যোগত কালি পলাশবাৰীৰ বৰিহাটস্থিত উমাকান্ত আৰু চন্দ্ৰকান্ত গোস্বামী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসক তথা কৰ্মীসকলক একোখনকৈ গামোচাৰে সম্বৰ্ধনা জনায়। মহামাৰী ক'ভিড-১৯ৰ সময়ত জনসাধাৰণক নিঃস্বাৰ্থভাৱে সেৱা কৰাৰ বাবে জনসেৱাৰ সদস্যসকলে এই সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জনসেৱাৰ মুখ্য আহ্বায়ক মিতুমনি দাস, আহ্বায়ক ৰাজীৱ চৌধুৰী, হেমন্ত ঠাকুৰীয়া, মন্টু কলিতা, অনুৰূপ মহন্ত, কল্প কলিতা, আশীষৰঞ্জন দাস, ব্ৰজেন দাস, স্পৰ্শ অসমৰ ৰত্ন দাস, সচেতন নাগৰিক ধৰ্ম দাস আদি উপস্থিত থাকে। সাহিত্যানুষ্ঠান নৱাৰুণ সাহিত্য সভাৰ জনকল্যাণমূলক অনুষ্ঠান জনসেৱাৰ এনে আদৰণীয় পদক্ষেপক শলাগ লৈছে অঞ্চলটোৰ জনসাধাৰণে।

# আমিনগাঁৱৰ টিকাকৰণ শিবিৰ পৰিদৰ্শন মন্ত্ৰী পাটোৱাৰীৰ

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৩ জুন ঃ** 'ৰেল চলিব পাৰে, বিমান চলিব পাৰে, কিন্তু চলিব নোৱাৰে জাহাজ। জাহাজ চলাবলৈ সকলোকে পৰীক্ষা কৰিব লাগিব। পৰীক্ষা কৰিবলৈ আৰু যাত্ৰী নিয়ন্ত্ৰণ কৰিবলৈ কৰ্মচাৰীৰ অভাৱ।' আমিনগাঁৱৰ টিকাকৰণ শিবিৰ পৰিদৰ্শন কৰি এইদৰে কয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। ইফালে, ৰ' ৰ' জাহাজ সম্পৰ্কতো মন্তব্য কৰে পৰিবহণ মন্ত্ৰীজনে। তেওঁ কয় যে ৰ' ৰ' জাহাজঘাটত চপাবলৈ বৰ টান হেনো। পাৰত লাগি জহি-খহি গৈছে জাহাজ তিনিখন। মেৰামতিৰ বাবে পঠিয়াব লাগিব ৰাজ্যৰ বাহিৰত হেনো। ইফালে, ৰ' পেক্স জাহাজ চলি আছে বুলি ঘোষণা কৰি মন্ত্ৰী পাটোৱাৰীয়ে গুৱাহাটীলৈ আন তিনি অত্যাধুনিক জাহাজ অহাৰ বাতৰি দিয়ে। আমিনগাঁও শৰাইঘাট হাইস্কুলত সকলোৰে বাবে বিনামূলীয়া টিকাকৰণৰ এক শিবিৰ পৰিদৰ্শন কৰি মন্ত্ৰী পাটোৱাৰীয়ে বুজ লয়। উল্লেখ্য যে কামৰূপ জিলাত আৰম্ভণিৰ দিনটোত ১০ হেজাৰ টিকাকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰি ১৫ হেজাৰ টিকাকৰণ কৰিবলৈ সক্ষম হয়।

# এমাহে বিকল দেওমৰনৈস্থ এটিএম সেৱা কেন্দ্ৰ

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ২৩ জুন ঃ** ভাৰতীয় ষ্টেট বেংকৰ মঙলদৈ শাখাৰ অধীনস্থ দেওমৰনৈ এটিএম সেৱা কেন্দ্ৰটো বিগত প্ৰায় এমাহ ধৰি বিকল হৈ থকাৰ বাবে অঞ্চলটোৰ গ্ৰাহকসকল হাৰাশাস্তিৰ সন্মুখীন হৈছে। উল্লেখ্য যে ক'ভিড প্ৰট'কলৰ বাবে বৰ্তমান বিত্তীয় প্ৰতিষ্ঠানসমূহৰ লেনদেন দিনৰ এক বজাতেই বন্ধ হোৱাৰ ফলত গ্ৰাহকসকলে নিজৰ জমা ধন উলিওৱাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। সেয়েহে বৃহত্তৰ দেওমৰনৈ অঞ্চলৰ এটিএম সেৱা কেন্দ্ৰটো অতি শীঘ্ৰে কাৰ্যক্ষম কৰি তুলিবলৈ দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে অঞ্চলটোৰ ৰাইজে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# ক্ষতিগ্ৰস্ত হ'ব পাৰে অসমীয়া মাধ্যমৰ বিদ্যালয়

## বিদ্যালয় একত্ৰীকৰণক লৈ পূব নলবাৰীৰ খাতা কেন্দ্ৰত সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৩ জুন ঃ** অসম চৰকাৰৰ শেহতীয়া এক সিদ্ধান্তৰ বাবে একাংশ ৰাইজৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আধা কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা যিবোৰ নিম্ন প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এশতকৈ কম, প্ৰতিটো শ্ৰেণীত ৪০জনতকৈ কম থকা আৰু এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা উচ্চ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণ সন্দৰ্ভত চৰকাৰীভাৱে জাৰি কৰা নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত পূব নলবাৰী শিক্ষা খণ্ডৰ অধীনস্থ এক নম্বৰ খাতা মণ্ডল সমল কেন্দ্ৰৰ এখন জৰুৰী সভা কালি ক্ষুদ্ৰ চেনিকুছি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। ক'ভিড প্ৰট'কল সম্পূৰ্ণৰূপে মানি অনুষ্ঠিত সভাখনত পৌৰোহিত্য কৰে সমল কেন্দ্ৰটোৰ সমন্বয়ক সুভাষ বৰ্মনে। সভাত উত্তৰ-পূব খাতা বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়-ক্ষুদ্ৰ চেনিকুছি প্ৰাথমিক বিদ্যালয় আৰু দিব্যজ্যোতি বালিকা বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়-প্ৰেম নাৰায়ণ প্ৰাথমিক বিদ্যালয়-৮৩৩ নম্বৰ গন্ধিয়াতোলা প্ৰাথমিক বিদ্যালয়ৰ একত্ৰীকৰণ সন্দৰ্ভত আলোচনা কৰা হয়। সমন্বয়ক সুভাষ বৰ্মনে বিভাগীয় নীতি-নিৰ্দেশনা তুলি ধৰাত শিক্ষকসকলে বিদ্যালয় পৰিচালনা সমিতিৰে প্ৰস্তাৱটো আলোচনা কৰাৰ পোষকতা কৰে যদিও চৰকাৰীভাৱে সময় নিদিয়াত শিক্ষকসকল বিপাঙত পৰে। উত্তৰ-পূব খাতা বিদ্যাপীঠৰ হৈ প্ৰধান শিক্ষক ৰজনীকান্ত হালৈ, জ্যেষ্ঠ সহকাৰী শিক্ষক অমূল্য তালুকদাৰ, ক্ষুদ্ৰ চেনিকুছি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী যামিনী দাস, দিব্যজ্যোতি বালিকা বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক যাদৱ দাস, সহকাৰী শিক্ষকদ্বয় অৰবিন্দ ডেকা আৰু চক্ৰধৰ পাঠক, প্ৰেম নাৰায়ণ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱেন দাস আৰু ৮৩৩ নম্বৰ গন্ধিয়াতোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যতীন বৈশ্যই নিজ নিজ অভিমত তুলি ধৰে। বিদ্যালয়ৰ একত্ৰীকৰণৰ কথাখিনি প্ৰচাৰ হোৱাৰ লগে লগে স্থানীয় ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। একাংশই একত্ৰীকৰণ প্ৰক্ৰিয়া আদৰণি জনোৱাৰ বিপৰীতে আন একাংশই অসমীয়া মাধ্যমৰ বিদ্যালয় ক্ষতিগ্ৰস্ত হ'ব বুলি আশংকা ব্যক্ত কৰে।

# ধিঙত নিচা জাতীয় টেবলেটসহ এজনক আটক

অগ্ৰদূত বাৰ্তা

**ধিং, ২৩ জুন ঃ** নগাঁও জিলা আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ নেতৃত্বত ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে ড্ৰাগছ বিৰোধী অভিযান। নিতৌ জিলাখনৰ বিভিন্ন স্থানত উৎখাত কৰা হৈছে ড্ৰাগছৰ ঘাটি, আটক হৈছে এজনৰ পাছত এজনকৈ ড্ৰাগছ সৰবৰাহকাৰী। ধিঙতো অব্যাহত আছে এই ড্ৰাগছ বিৰোধী অভিযান। নগাঁও জিলা আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ নেতৃত্বত ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে ড্ৰাগছ বিৰোধী অভিযান। কালি ধিঙৰ সোণাৰি গাঁৱৰ কাবিল আলী নামৰ লোকজনৰ ঘৰৰ পৰা নগাঁও, জাজৰি আৰু ধিং আৰক্ষীয়ে অভিযান চলাই প্ৰায় তিনি হেজাৰ নিচা জাতীয় টেবলেট আৰু ৮৬ হেজাৰ নগদ ধন উদ্ধাৰ কৰাৰ লগতে এখন বিলাসী গাড়ী জব্দ কৰে। ইতিমধ্যে কাবিল আলীক ধিং আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে।

# জটিল ৰোগত আক্ৰান্ত হৈ শিক্ষয়িত্ৰীৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৩ জুন ঃ** পলাশবাৰী বিধানসভা সমষ্টিৰ নহিৰা-গুইমাৰা আঞ্চলিক হাইস্কুলৰ শিক্ষয়িত্ৰী তথা বাটৰহাট গোসাঁই মেধিপাৰাৰ সমাজসেৱক পংকজলোচন গোস্বামীৰ পত্নী প্ৰণীতা গোস্বামীয়ে জটিল ৰোগত আক্ৰান্ত হৈ দিল্লীৰ গংগাৰাম হাস্পতালত চিকিৎসাধীন অৱস্থাত যোৱা ২১ জুনৰ নিশা শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত প্ৰণীতা গোস্বামীৰ বয়স আছিল ৫২ বছৰ। কিছুদিন পূৰ্বে গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰা হৈছিল যদিও স্বাস্থ্যৰ অৱস্থা গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে বিশেষ বিমানেৰে যোৱা ২০ জুনত বিয়লি দিল্লীস্থিত গংগাৰাম হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসাৰ বাবে প্ৰায় ৫০ লাখ টকাৰ প্ৰয়োজন হোৱাত সুহৃদ কে'বাগৰাকীও লোকে সহায়ৰ হাত আগবঢ়াইছিল। পেছাত শিক্ষয়িত্ৰী যদিও মৃদুভাষী তথা সমাজসেৱিকা হিচাপেও পৰিচিত গোস্বামীৰ যোৱা নিশা প্ৰায় ১২ বজাত মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, উপ-সভাপতি দুলু আহমেদ, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰ, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, সাংবাদিক সংস্থা, ই পি মিডিয়া ফ'ৰাম ছাউথ কামৰূপ, কামৰূপ জিলা সাংবাদিক পৰিষদ, দক্ষিণ কামৰূপ প্ৰেছ ক্লাব, দক্ষিণ কামৰূপ জিলা সাংবাদিক সংস্থা, অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত গোস্বামীয়ে স্বামীসহ পুত্ৰ-কন্যাৰ লগতে বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# ধন নিদিলে বিশেষভাৱে সক্ষম আঁচনিৰ সুযোগ নাপায়

## দৃষ্টিহীন যুৱকৰ জীৱন সংগ্ৰাম ঃ জীৱনৰ স'তে যুঁজিবলৈ প্ৰস্তুত দৃষ্টিহীন প্ৰাণজিৎ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৩ জুন ঃ** এজন দৃষ্টিহীন যুৱক। জীৱনৰ মাথোঁ ২২টা বসন্ত গৰকা যুৱকজনে হঠাতে দৃষ্টিশক্তি হেৰুৱাই আজি তিনিটা বছৰে কঠিন জীৱন সংগ্ৰামত ব্ৰতী হৈ আছে। কিন্তু হেৰুৱাই পেলোৱা নাই জীৱনৰ ছন্দ। বাগ্‌সা আৰু ওদালগুৰি জিলাৰ সীমান্তৱৰ্তী পানেৰী সমষ্টিৰ এখন ভিতৰুৱা গাঁও দহলাহাবি। ভেৰগাঁও উন্নয়ন খণ্ডৰ হৰিশিঙা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰাণজিৎ দাসৰ কাহিনী এয়া। প্ৰয়াত ৰাজেন দাস আৰু মাতৃ সাৰদা দাসৰ প্ৰথম পুত্ৰ প্ৰাণজিৎ। পিতৃৰ বিয়োগৰ পাছত এইজন চফল সুঠাম ডেকা প্ৰাণজিতে ঘৰখন চলাই আছিল বিভিন্ন কাম-বন কৰি। কিন্তু কালৰ গতিত ২০১৭ৰ পৰা চকুৰ ৰোগত ভুগিবলৈ আৰম্ভ কৰে প্ৰাণজিতে। প্ৰায় এবছৰৰ পাছত সম্পূৰ্ণ দৃষ্টিশক্তি হেৰুৱাই পেলায় প্ৰাণজিতে। ক'ত চিকিৎসা কৰা নাই প্ৰাণজিতে? তেওঁ বন্ধুবৰ্গৰ লগতে পৰিয়ালে বিভিন্ন স্থানতে চিকিৎসা কৰায় প্ৰাণজিতৰ দৃষ্টিশক্তি ঘূৰাই আনিবলৈ। প্ৰথমে জিএমচিএইছ তাৰ পাছত শংকৰদেৱ নেত্ৰালয়। গুৱাহাটীৰ বিভিন্ন ব্যক্তিগত চিকিৎসালয়। তাৰ পাছত নেপালৰ চকু চিকিৎসালয়। চেন্নাই আৰু বাংগালুৰুলৈ লৈ গ'ল কিন্তু দৃষ্টিশক্তি ঘূৰি নাহিল প্ৰাণজিতৰ। শেষত বহু চকু পানী টুকি এতিয়া জীৱনৰ এই বাস্তৱক স্বীকাৰ কৰি লৈছে প্ৰাণজিতে। ২০১১ত খাগ্ৰাবাৰী জনতা হাইস্কুলৰ পৰা মেট্ৰিক আৰু ২০১৩ত নাওকাটা মিলন হাইস্কুলৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা উত্তীৰ্ণ হয় মেধাৱী প্ৰাণজিৎ। এতিয়া সময়ৰ স'তে যুঁজিবলৈ লাহে লাহে শিকাৰ বাদে যেন আন কোনো উপায় নাই। প্ৰাণজিতে গুৱাহাটীত বিশেষভাৱে সক্ষমসকলৰ বাবে থকা ডিপ্ল'মা কৰে। পঢ়া-শুনাত চোকা প্ৰাণজিতে ভালদৰে চলাব জানে ম'বাইল। জীৱনৰ স'তে সংগ্ৰামত ব্যস্ত প্ৰাণজিতে মাতৃ আৰু কনিষ্ঠ ভ্ৰাতৃৰ লগতে পেহীয়েক এগৰাকীৰ স'তে দহলাহাবিত এতিয়াও জীৱনৰ সোণালী সপোন ৰচিছে। কিন্তু কেতিয়াবা যেন ভাগৰি পৰে। আৰ্থিক অনাটনে জুৰুলা কৰা পৰিয়ালটোৱে এতিয়া চলিবলৈ অসুবিধা হৈছে। বিশেষকৈ আংশিক তলাবন্ধই জুৰুলা কৰি পেলাইছে প্ৰাণজিতৰ ঘৰখনক। বিশেষভাৱে সক্ষমসকলৰ বাবে থকা বিভিন্ন আঁচনিৰ সুফল লাভৰ পৰা বঞ্চিত প্ৰাণজিৎ। তেনে আঁচনিৰ সুফল লাভ কৰিব লাগিলে কাৰ্যালয়ে কাৰ্যালয়ে উৎকোচ দিব লাগে বুলি অভিযোগ প্ৰাণজিৎ আৰু যুৱকজনৰ পৰিয়ালৰ। সেয়েহে আজিলৈ বহু কষ্ট কৰি দীনদয়াল দিব্যাংগ আঁচনিৰ পেঞ্চনটোও লাভ কৰিব পৰা নাই। চৰকাৰী বিভিন্ন আঁচনিৰ পৰা বঞ্চিত এই যুৱকজনলৈ সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনাইছে পৰিয়ালৰ লগতে বন্ধুবৰ্গই। প্ৰাণজিতৰ একাউণ্ট নম্বৰ ৩১৯৩০৬৫১৪৮৮, আইএফএছচি নম্বৰ-এছবিআইএন ০০১০৪১৩ নম্বৰত সহায় বিচাৰিছে। যোগাযোগৰ নম্বৰ ৬০০৩৬৩৪২৫৭। ৰাইজৰ সহযোগিতাৰ লগতে চৰকাৰী বিভিন্ন বিভাগ যিসমূহে কেৱল কাগজতে তেওঁলোকৰ বেছিভাগ আঁচনি সীমাবদ্ধ ৰাখে তেনে বিভাগসমূহক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।






# ভাৰতক হৰুৱাই চেম্পিয়ন নিউজিলেণ্ড

## আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল




**লণ্ডন, ২৩ জুন ঃ** নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ খিতাপ লাভ কৰিছে। ছয় দিন ধৰি চলা ফাইনেলত কিৱি বাহিনীয়ে আঠ উইকেটত পৰাস্ত কৰে ভাৰতক। উল্লেখ্য যে ভাৰতে দিয়া 139 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে দ্বিতীয় ইনিংছত দুই উইকেটত 140 ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয় আৰু ইতিহাস গঢ়ি প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ চেম্পিয়ন হোৱাৰ গৌৰৱ লাভ কৰে। দ্বিতীয় ইনিংছত চাপৰ মাজতো নিউজিলেণ্ডৰ অধিনায়ক কেন উইলিয়ামছন (52] আৰু ৰ'জ টেইলৰে (43] অপৰাজিত দায়িত্বশীল বেটিং কৰি দলক বিজয়লক্ষ্যত উপনীত কৰায়। উল্লেখ্য যে কিৱি বাহিনীৰ দুই অপেনাৰ লাথাম (9] আৰু ক'নৱে (19] ক ভাৰতৰ ৰবিচন্দ্ৰন অশ্বিনে বিদায় দিয়াৰ পাছত 96 ৰাণৰ যুটি হয় দুই অভিজ্ঞ বেটছমেন উইলিয়ামছন আৰু টেইলৰৰ মাজত। অৱশ্যে নিউজিলেণ্ডৰ অধিনায়কক বুমৰাহে আৰু টেইলৰক পূজাৰাই জীৱনদান দিয়ে। উল্লেখ্য যে বৰষুণৰ বাবে এই টেষ্টখনৰ দুটা দিন খেল অনুষ্ঠিত হোৱা নাছিল। সেয়ে আই চি চিয়ে পূৰ্বে ঘোষণা কৰাৰ দৰেই পাঁচ দিনৰ পৰিবৰ্তে এটা অতিৰিক্ত দিন খেলোৱা হয় আৰু আজি ষষ্ঠ দিনৰ খেল অনুষ্ঠিত হয়। ভাৰতে প্ৰথম ইনিংছত 32 ৰাণ পিছ পৰাৰ পাছত আজি অন্তিম দিনা চাহ বিৰতিৰ পূৰ্বে 170 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু নিউজিলেণ্ডৰ সন্মুখত 139 ৰাণৰ বিজয়লক্ষ্য ৰাখে। ভাৰতৰ হৈ ঋষভ পণ্টে 41 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় চেতেশ্বৰ পূজাৰা (15], বিৰাট কোহলি (13], অজিংক্য ৰাহানে (15], ৰবীন্দ্ৰ জাডেজা (16] আৰু ৰবীচন্দ্ৰন অশ্বিন (7]¼ উল্লেখ্য যে ভাৰতৰ দুই অপোনৰ শুভমন গিল (8] আৰু ৰোহিত শৰ্মা (30] কালিয়েই আউট হৈছিল। নিউজিলেণ্ডৰ হৈ ছাউথীয়ে চাৰিটা, বৌল্টে তিনিটা আৰু জামিছনে দুটা উইকেট পায়। উল্লেখ্য যে বৰ্ষাবিঘ্নিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনত নিউজিলেণ্ডে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল। ভাৰতৰ 217 ৰাণৰ প্ৰত্যুত্তৰত নিউজিলেণ্ডে 249 ৰাণত প্ৰথম ইনিংছ সামৰি 32 ৰাণৰ অগ্ৰগতি লাভ কৰিছিল। নিউজিলেণ্ডৰ হৈ অধিনায়ক কেন উইলিয়ামছনে প্ৰথম ইনিংছতো 49 ৰাণ কৰিছিল। আনহাতে, দলৰ দুই অপেনাৰ ক'নৱে (54 ৰাণ) আৰু লাথামে (30 ৰাণ) সুন্দৰ আৰম্ভণি দিছিল। আনহাতে, জামিছনৰ 21 আৰু ছাউথীৰ 30 ৰাণৰ সহায়ত নিউজিলেণ্ডে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৈ ছামিয়ে চাৰিটা তথা ঈশান্তে তিনিটা উইকেট লাভ কৰাৰ বিপৰীতে ৰবীচন্দ্ৰন অশ্বিনে দুটা আৰু ৰবীন্দ্ৰ জাডেজাই এটা উইকেট পায়। উল্লেখ্য যে বৰষুণৰ বাবে টেষ্টখনৰ প্ৰথম আৰু চতুৰ্থ দিনা খেল পৰিত্যক্ত হয়। টছত হাৰি পোনতে বেটিং কৰা ভাৰতে 217 ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰথম ইনিংছত ভাৰতৰ হৈ ৰাহানে 49, বিৰাটে 44, ৰোহিতে 34 আৰু শুভমনে 25 ৰাণ কৰিছিল। বিপৰীতে জামিছনে পাঁচটা উইকেট লাভ কৰি নিউজিলেণ্ডক আৰম্ভণিৰ পৰাই মেচ নিজৰ আয়ত্বত ৰখাত সহায় কৰে।

## আজিৰ খেল




বলিভিয়া-উৰুগুৱে
নিশা ঃ ২.৩০ বজাত
চিলি-পাৰাগুৱে
পুৱা ঃ ৫.৩০ বজাত
(২৫ জুন)

## ২৬ জুনৰ পৰা ইউৰো কাপৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল

# ৱেলছৰ মুখামুখি হ'ব ডেনমাৰ্ক, ইটালীয়ে খেলিব অষ্ট্ৰিয়াৰ বিৰুদ্ধে



**লণ্ডন, ২৩ জুন ঃ** চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল আৰম্ভ হ'ব অহা 26 জুনৰ পৰা। আজি নিশা সমাপ্ত হ'ব গ্ৰুপৰ মেচ। 24 আৰু 25 জুনত কোনো মেচ নাই। উল্লেখ্য যে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত ইতিমধ্যে আঠটা দল প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দল কেইটা হ'ল ৱেলছ, ডেনমাৰ্ক, ইটালী, অষ্টিয়া, নেদাৰলেণ্ডছ, বেলজিয়াম, ক্ৰ'ৱেছিয়া আৰু ইংলণ্ড। আজি নিশাৰ চাৰিখন মেচৰ সমাপ্তিৰ পাছত বাকী আঠটা দল নিৰ্ণয় হ'ব। অহা 26 জুনত হ'বলগা প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দুখন মেচৰ এখনত ৱেলছৰ মুখামুখি হ'ব ডেনমাৰ্ক আৰু ইটালীয়ে খেলিব অষ্টিয়াৰ বিৰুদ্ধে। অন্য মেচৰ সূচী এতিয়াও নিশ্চিত হোৱা নাই। আজি নিশাৰ চাৰিখন মেচৰ সমাপ্তিৰ পাছত সূচী নিৰ্ণয় হ'ব।


ভাৰতৰ বাবে খলনায়ক বিৰাট


মেচৰ শ্ৰেষ্ঠ জেমিছন

### স্পৰ্শ কৰিব নাডাল-ফেডেৰাৰক

# গ্ৰেণ্ডশ্লাম উইম্বলডনৰ খিতাপ জয়ৰ লক্ষ্য ন'ভাক ডক'ভিচৰ



**লণ্ডন ২৩ জুন ঃ** ন'ভাক ডক'ভিছে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত খিতাপ জয় কৰি ৰাফেল নাডাল আৰু ৰ'জাৰ ফেডেৰাৰক স্পৰ্শ কৰাৰ লক্ষ্য লৈছে। উল্লেখ্য যে ডক'ভিছে যোৱা সপ্তাহত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ খিতাপ লাভ কৰিছিল। ফাইনেলত ন'ভাক ডক'ভিচে প্ৰতিদ্বন্দ্বী ষ্টেফান'ছক 6-7, 2-6, 6-3, 6-2, 6-4 ৰ ব্যৱধানত পৰাস্ত কৰে। উল্লেখ্য যে এয়া ডক'ভিচৰ কেৰিয়াৰৰ 19 নম্বৰ গ্ৰেণ্ডশ্লাম খিতাপ। ইফালে, ৰাফেল নাডাল আৰু ৰ'জাৰ ফেডেৰাৰে মুঠ 20 টা গ্ৰেণ্ডশ্লাম খিতাপ লাভ কৰিছে। এইবাৰ দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অপেনৰ খিতাপ লাভ কৰি ডক'ভিচে 52 বছৰ পাছত চাৰিওখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ দুবাৰকৈ লাভ কৰাৰ অনন্য গৌৰৱ অৰ্জন কৰিছে। উল্লেখ্য যে ইয়াৰপূৰ্বে 1969 ত ৰড লাভাৰে এই গৌৰৱ অৰ্জন কৰিছিল। এইবাৰৰ ফ্ৰেন্স অপেনত ডক'ভিচে কেবাবাৰো প্ৰদৰ্শন কৰিলে যুঁজাৰু মানসিকতা, দৃঢ়তা আৰু সহজে পৰাজয় নমনা মনসিকতা। প্ৰথম দুটা ছেট হৰুওৱাৰ পাছতো সফল প্ৰত্যাৱৰ্তন কৰাটো ডক'ভিচৰ অভ্যাসত পৰিনত হৈছে। ফাইনেলৰ পূৰ্বে আকৰ্ষনীয় ছেমিফাইনেলত ৰাফেল নাডালৰ মুখামুখি হৈছিল ডক'ভিচ। চাৰি ঘণ্টাৰ মেচখনত চাৰিটা ছেটৰ অন্তত ডক'ভিচে 3-6, 6-3, 7-6, 6-2 ৰ ব্যৱধানত জয়ী হৈ ফাইনেত স্থান নিশ্চিত কৰে। উল্লেখ্য যে নাডালে আসন্ন উইম্বলডনত নেখেলাৰ কথা ব্যক্ত কৰিছে। ফৰ্মত নাই ফেডেৰাৰো। সেয়ে খিতাপৰ প্ৰবল দাবীদাৰ ডক'ভিছ।

### ড্ৰ খেলাত ব্যৰ্থ হৈ সুযোগ হেৰুৱালে চেক গণৰাজ্যই ঃ মেচৰ নায়ক ষ্টাৰলিং

# জয়ৰে গ্ৰুপৰ শীৰ্ষস্থানেৰে যোগ্যতা অৰ্জন ইংলণ্ডৰ



**লণ্ডন, ২৩ জুন ঃ** ইংলণ্ডে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ নিজৰ অন্তিমখন গ্ৰুপ মেচত চেক গণৰাজ্যক একমাত্ৰ গ'লত পৰাস্ত কৰি সাত পইণ্টৰে শীৰ্ষত থাকি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশাৰ মেচখনত ইংলণ্ডৰ হৈ বিজয়সুচক গ'লটো খেলৰ 12 মিনিটত দিয়ে ষ্টাৰলিঙে। উল্লেখ্য যে ইংলণ্ডে চলিত ইউৰো কাপত জয়ৰে অভিযান আৰম্ভ কৰাৰ পাছত ৱেম্বলি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ নিজৰ দ্বিতীয় মেচত গ'লশূন্য ড্ৰ খেলিছিল স্কটলেণ্ডৰ বিৰুদ্ধে। সেয়ে অন্তিম মেচত ইংলণ্ডক নকআউট ৰাউণ্ডত প্ৰৱেশৰ বাবে জয় বা ড্ৰ প্ৰয়োজন আছিল। দলে জয় অৰ্জন কৰি আত্মবিশ্বাসৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ৱেম্বলি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ প্ৰথমখন মেচত ইংলণ্ডে একমাত্ৰ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ক্ৰ'ৱেছিয়াক। মেচখনত খেলৰ প্ৰথমাৰ্ধ গ'লশূন্য হোৱাৰ পাছত 57 মিনিটত ইংলণ্ডৰ হৈ বিজয়সুচক গ'লটো দিয়ে ষ্টাৰলিঙে। উল্লেখ্য যে ইংলণ্ডে ইউৰো কাপ লাভ কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু বিগত ৰাছিয়া ফিফা বিশ্বকাপত দলে ছেমিফাইনেল খেলি চমক সৃষ্টি কৰিছিল। এইবাৰ ইউৰোত সেই চমক পুনৰ প্ৰতিফলিত কৰাৰ লক্ষ্য দলৰ। ইফালে, যোৱানিশাৰ মেচৰ ফলাফলত হতাশ হয় চেক গণৰাজ্য। উল্লেখ্য যে মেচখনত যদি ইংলণ্ডৰ বিৰুদ্ধে চেক গণৰাজ্যই ড্ৰও খেলে তেন্তে উভয় দলৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ নিশ্চিত আছিল। উল্লেখ্য যে এই গ্ৰুপত সাত পইণ্টৰে ইংলণ্ড শীৰ্ষত থাকে যদিও চেক গণৰাজ্য আৰু ক্ৰ'ৱেছিয়া চাৰি পইণ্টৰে সমান থকাৰ পাছতো গ'লৰ গড়ৰ বাবে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে ক্ৰ'ৱেছিয়া। অৱশ্যে দলৰ ক্ষীণ আশা এতিয়াও আছে। উল্লেখ্য যে প্ৰথম মেচত জয়ৰে আত্মবিশ্বাসী চেক গণৰাজ্যই দ্বিতীয় মেচত ক্ৰ'ৱেছিয়াৰ বিৰুদ্ধে অগ্ৰগতি লৈয়ো জয়লাভ কৰিব নোৱাৰাটো দলৰ বাবে হতাশাজনক আছিল। পেটৰিকৰ দুটা গ'লৰ সহায়ত প্ৰতিযোগিতাত নিজৰ প্ৰথম মেচত চেক গণৰাজ্যই 2-0 গ'লত পৰাস্ত কৰিছিল স্কটলেণ্ডক।

# এ অ' এৰ অলিম্পিক দিৱস পালন

**গুৱাহাটী, ২৩ জুন ঃ** আন্তৰ্জাতিক অলিম্পিক দিৱস উপলক্ষে আজি নেহৰু ষ্টেডিয়ামত থকা অসম অলিম্পিক সন্থাৰ কাৰ্যালয়তো অলিম্পিক দিৱস পালন কৰা হয়। ভাৰ্চুৱেল অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি নৰিন্দৰ বাট্ৰা, অসম অলিম্পিকৰ সভাপতি সৰ্বানন্দ সোনোৱাল, উপসভাপতি বিষুওৰাম নুনিছা, সম্পাদক লক্ষ্য কোৱৰ আদি। অনুষ্ঠানত কোনো অলিম্পিয়ান ক্ৰীড়াবিদ নাছিল। অসম অলিম্পিক সন্থাই সম্বৰ্ধনা জনাই ৱাই চুব্বা ৰাও, বিনীত ৰায় আৰু বিনোদ নেগীক।

## অন্তিম মেচত তিনিটা গ'ল কৰি গড়ৰ পৰিসংখ্যাৰে যোগ্যতা অৰ্জন

# স্কটলেণ্ডক হৰুৱাই প্ৰি-কোৱাৰ্টাৰত ক্ৰ'ৱেছিয়া



**গ্লাছগো, ২৩ জুন ঃ** চাপৰ মাজত থাকি গ্ৰুপৰ অন্তিম মেচখন খেলা ক্ৰ'ৱেছিয়াই সফলতা অৰ্জনৰে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে বিগত ফিফা বিশ্বকাপৰ ৰাণাৰ্ছআপ ক্ৰ'ৱেছিয়া চলিত ইউৰো কাপৰ গ্ৰুপৰ পৰাই বিদায় লোৱাৰ সন্ধিক্ষণত উপনীত হৈছিল। ক্ৰ'ৱেছিয়াই গ্ৰুপৰ প্ৰথম দুখন মেচত জয়ৰ পৰা বঞ্চিত হয়। কিন্তু যোৱানিশা মৰণপণ গ্ৰুপৰ তৃতীয় মেচত দলে 3-1 গ'লৰ ব্যৱধানত স্কটলেণ্ডক হৰুৱাই প্ৰথম জয়ৰ সফলতা লাভ কৰাৰ লগতে প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলতো প্ৰৱেশ কৰে। মেচখনত ক্ৰ'ৱেছিয়াৰ হৈ গ'ল কৰে ভালাচেক (17 মিনিট), ম'ড্ৰিক (62 মিনিট) আৰু পেৰিচিকে (77 মিনিট)। আনহাতে, স্কটলেণ্ডৰ হৈ একমাত্ৰ গ'লটো দিয়ে মেকগ্ৰেগ'ৰে (42 মিনিট)। উল্লেখ্য যে বিৰতিলৈ মেচ 1-1 হৈ থকাৰ পাছত ম'ড্ৰিকে ক্ৰ'ৱেছিয়াৰ হৈ বিজয় গ'ল কৰাৰ পাছত পেৰিচিকে দলৰ হৈ তৃতীয়টো গ'ল কৰি ক্ৰ'ৱেছিয়াৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ নিশ্চিত কৰে। উল্লেখ্য যে এই গ্ৰুপত সাত পইণ্টৰে ইংলণ্ড শীৰ্ষত থাকে যদিও চেক গণৰাজ্য আৰু ক্ৰ'ৱেছিয়া চাৰি পইণ্টৰে সমান থকাৰ পাছতো গ'লৰ গড়ৰ বাবে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে ক্ৰ'ৱেছিয়া। ইয়াৰপূৰ্বে নিজৰ দ্বিতীয় মেচখনত ক্ৰ'ৱেছিয়া মুখামুখি হৈছিল চেক গণৰাজ্যৰ। 1-1 গ'লত ড্ৰ খেলি উভয় দলে পইণ্ট ভগাই লয়। খেলৰ 37 মিনিটত চেক গণৰাজ্যৰ হৈ ছচিকে গ'ল কৰি দলৰ বিৰতিলৈ 1-0 গ'লত আগুৱাই ৰাখে যদিও দ্বিতীয়াৰ্ধ আৰম্ভ হোৱাত মেচত সমতা স্থাপন কৰে ক্ৰ'ৱেছিয়াই। খেলৰ 47 মিনিটত ক্ৰ'ৱেছিয়াৰ হৈ গ'লটো কৰে পেৰিছিকে। তাৰপাছত মেচত কোনো গ'ল নহ'ল। আনহাতে, গ্ৰুপ 'ডি'ৰ প্ৰথম মেচত ইংলণ্ডে একমাত্ৰ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ক্ৰ'ৱেছিয়াক। মেচখনত খেলৰ প্ৰথমাৰ্ধ গ'লশূন্য হোৱাৰ পাছত 57 মিনিটত ইংলণ্ডৰ হৈ বিজয়সুচক গ'লটো দিয়ে ষ্টাৰলিঙে। ইফালে, প্ৰথম মেচত স্কটলেণ্ড 2-0 গ'লত পৰাস্ত হৈছিল চেক গনৰাজ্যৰ বিৰুদ্ধে। কিন্তু দ্বিতীয় মেচত দলে ইংলণ্ডৰ লগত ড্ৰ খেলি আত্মবিশ্বাসী হৈ আছিল। কিন্তু মৰণপণ মেচখনত যুঁজ দিব নোৱাৰিলে স্কটলেণ্ডে।



# গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ অলিম্পিক দিৱস

**ক্ৰীড়া বাৰ্তা, কমাৰবান্ধা, ২৩ জুন ঃ** আন্তৰ্জাতিক অলিম্পিক দিৱস উপলক্ষে আজি গোলাঘাট জিলা ক্ৰীড়া সন্থাই কৰ'নাৰ নিয়ম পালন কৰি কাৰ্যসূচী ৰূপায়ন কৰে। উপ সভাপতি নৃপেন বৰুৱা আৰু সম্পাদক সঞ্জীৱ সন্দিকৈ উপস্থিত থকা আন্তৰ্জাতিক অলিম্পিক দিৱসৰ অনুষ্ঠানতে প্ৰয়াত মিলখা সিঙৰ মৃত্যুত শোকপ্ৰকাশ কৰা হয়। আজিৰ অনুষ্ঠানত স্থানীয় ক্ৰীড়াপ্ৰেমীয়েও অংশ লয়।

# ২-০ ত টেষ্ট শৃংখলা জয় দক্ষিণ আফ্ৰিকাৰ



**ছেইণ্ট লুছিয়া, ২৩ জুন ঃ** দক্ষিণ আফ্ৰিকাই ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটোৰ দ্বিতীয়খন টেষ্টতো জয়লাভ কৰি 2-0 ত শৃংখলা দখল কৰিছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই ঘৰুৱা দলৰ সন্মুখত 324 ৰাণ বিজয়লক্ষ্য দিছিল যদিও এই লক্ষ্য লৈ বেটিং কৰা ৱেষ্ট ইণ্ডিজে 165 ৰাণত দ্বিতীয় ইনিংছ সামৰি 158 ৰাণত পৰাজয় স্বীকাৰ কৰে। দক্ষিণ আফ্ৰিকাৰ মেহৰাজে হেট্ৰিকসহ পাঁচটা উইকেট পায়। উল্লেখ্য যে টেষ্টখনৰ প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল দক্ষিণ আফ্ৰিকাই। পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত 298 ৰাণ কৰে। আলহী দলৰ হৈ এলগাৰে 77 ৰাণ আৰু ডিক'কে 96 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে দ্বিতীয় দিনাৰ খেলৰ অন্তত 149 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু দক্ষিণ আফ্ৰিকাই 149 ৰাণৰ অগ্ৰগতি লাভ কৰে প্ৰথম ইনিংছত। কেৰিবিয়ান দলৰ হৈ ব্লেকউদে 49 আৰু হ'পে 43 ৰাণ কৰে। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ 174 ৰাণতে সামৰে। ডুছানে 75 আৰু ৰাবাডাই 40 ৰাণ কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই শৃংখলাৰ প্ৰথমখন টেষ্টত এক ইনিংছ আৰু 63 ৰাণত জয়লাভ কৰি 1-0 ত আগবাঢ়ি আছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই দুখন টেষ্ট আৰু পাঁচখন টি-20 মেচ খেলিবলৈ ৱেষ্ট ইণ্ডিজ ভ্ৰমণ কৰিছে। দ্বিতীয় টেষ্টৰ সামৰণিৰ পাছত দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখন টি-20 মেচ অহা 26 জুনৰ পৰা তিনি জুলাইলৈ অনুষ্ঠিত হ'ব।

# ফাইনেলত ৬০ হেজাৰ দৰ্শকক প্ৰৱেশৰ অনুমতি



**লণ্ডন, ২৩ জুন ঃ** চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচখন অহা 11 জুলাইত লণ্ডনৰ ৱেম্বলি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইংলণ্ড চৰকাৰে ফাইনেল মেচৰ বাবে ৱেম্বলি ষ্টেডিয়ামত 60 হেজাৰ দৰ্শক প্ৰৱেশৰ অনুমতি প্ৰদান কৰিছে। উল্লেখ্য যে এইবাৰ 11 খন চহৰত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ মেচ অনুষ্ঠিত হৈছে যদিও ছেমিফাইনেল দুখন আৰু ফাইনেল মেচখন অনুষ্ঠিত হ'ব লণ্ডনৰ ৱেম্বলি ষ্টেডিয়ামত। এইবাৰ ইউৰো কাপ এখন দেশত হোৱাৰ পৰিবৰ্তে ইউৰোপৰ মুঠ 11 খন মূখ্য চহৰত অনুষ্ঠিত হৈছে প্ৰতিযোগিতাৰ মেচ। উল্লেখ্য যে মেচ অনুষ্ঠিত হোৱা চহৰ কেইখন হ'ল ঃ লণ্ডন, ছেভিলা, গ্লাছগো, ক'পেনহেগেন, বুডাপেষ্ট, আমষ্টাৰদাম, ৰোম, মিউনিখ, বাকু, ছেইণ্ট পীটাৰ্ছবাৰ্গ আৰু বুখাৰেষ্ট। প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল আৰম্ভ হ'ব অহা 26 জুনৰ পৰা। অংশ লোৱা 24 টা দলৰ পৰা 16 টা দলে পৰবৰ্তী ৰাউণ্ডলৈ উত্তৰন কৰিব। প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰা সকলো মেচ নকআউট হ'ব। প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলা 16 টা দলৰ পৰা আঠ দলে খেলিব কোৱাৰ্টাৰ ফাইনেল। তাৰপাছত ছেমিফাইনেল আৰু ফাইনেল।



# পানীৰ দৰত বিক্ৰী হৈছে শ্ৰমজীৱী কৃষকৰ ধান

## কৰ'নাই দিশহাৰা কৰিলে কৃষকক ঃ ছশ টকাৰ ধানৰ মূল্য হৈছেগৈ ৩৫০-৪০০ টকা

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ২৩ জুন ঃ** বানবিধ্বস্ত মৰিগাঁও জিলাত ফচলৰ উপযুক্ত দাম লাভ নকৰি মূৰে-কপালে হাত দিছে কৃষকে। ভয়াৱহ কৰ'নাই জুৰুলা কৰি তোলা কৃষক ৰাইজে এইবাৰ উপযুক্ত দামত ধান বিক্ৰী কৰিব নোৱাৰি হতাশ হৈ পৰিছে। ৰাজ্যৰ ভিতৰতে কৃষিৰ জৰিয়তে অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলাত চমকপ্ৰদ সফলতা প্ৰদৰ্শন কৰা জিলাখনৰ বিভিন্ন অঞ্চলৰ কৃষকৰ চোতালত এতিয়া দ'ম হৈ পৰি আছে অন্ন। বহু পৰিশ্ৰমৰ বিনিময়ত উৎপাদন কৰা বৰো ধানৰ খেতিৰ এতিয়া বজাৰৰ অভাৱ হৈছে। যাৰ ফলত পথাৰতে নষ্ট হৈছে মূৰৰ ঘাম মাটিত পেলাই চহা ৰাইজে উৎপাদন কৰা ফচল। স্থানীয় কৃষকে জনোৱা মতে, বিগত বৰ্ষত বৰো ধানৰ বজাৰ কৰ'নাৰ বাবে সংকুচিত হৈছিল। এইবাৰ কৃষকসকলে আশা কৰিছিল যে ধানৰ মূল্য কিছু বৃদ্ধি পাব। কিন্তু এই আশা সম্পূৰ্ণভাৱে ধূলিস্যাৎ হ'ল, কিয়নো কৰ'নাৰ প্ৰকোপ বৃদ্ধিহে পালে।

'তলাবন্ধৰ ফলত পুনৰ ধানৰ মূল্য কমিল। ছশ টকাৰ নতুন বৰো ধানৰ মূল্য এতিয়া প্ৰায় ৫০ শতাংশ পৰ্যন্ত হ্ৰাস পাইছে। বজাৰত প্ৰতিমোন বৰো ধানৰ মূল্য ৩৫০-৪০০ টকা হৈছে। ফলত নিজৰ চোতালতে উপায়ান্তৰ হৈ কৃষকে ধানবোৰ পেলাই থ'বলগীয়া হৈছে।' এইদৰে কয় এজন কৃষকে। বিভিন্নজনৰ পৰা ধাৰ লৈ



কৰা খেতিৰ ফচলৰ এই দুৰ্দশাগ্ৰস্ত অৱস্থাই কৃষকসকলৰ মাজত হাহাকাৰৰ সৃষ্টি কৰিছে। জিলাখনৰ ৰহা, মায়ং, চটাবড়ি, মনোহা, ঘগুৱা, গভৰাটুপ, ভূৰাগাঁও, কুশতলী, ভূৰবন্ধা, মিকিৰভেটা, নেলী, বাৰপূজীয়া, ধৰমতুল, হাবি বৰঙাবাৰী, লাহৰীঘাট আদিত কৃষকসকলে উৎপাদিত ধান বিক্ৰী কৰিব নোৱাৰি হতাশ হৈছে। ৰাজ্য চৰকাৰৰ কৃষি বিভাগে বিষয়টোৰ প্ৰতি গুৰুত্ব দিয়া নাই বুলি অভিযোগ উঠিছে। জিলাখনৰ ভূৰাগাঁও, মনহা, দলবাৰী আদিত কৃষি বিভাগে পূৰ্বতে চৰকাৰীভাৱে ধান ক্ৰয় কৰিছিল যদিও এইবাৰ এতিয়ালৈকে এনে ব্যৱস্থা লোৱা নাই। ফলত সামগ্ৰিকভাৱে কৃষকসকল ভাগি পৰিছে। এই পৰিস্থিতিত দিক্‌বিদিক হেৰুৱাই পেলোৱা ৰহাৰ ভোগোৰাম ডেকাই কয়, 'আমি এইবেলি নিগমে মৰিলো। ধাৰ কৰি বৰো ধানৰ খেতি কৰিছিলো। এতিয়া শালি ধানৰ বতৰ। ইপিনে, বৰো ধানকে বিক্ৰী কৰিব পৰা নাই। ধান কোনেও নিকিনে, আমি কেনেকৈ চলিম।' নাওকটাৰ কৃষক বিদিৰাম কাকতিয়ে কয়, 'মই ৩০ বিঘা মাটিত গভৰাটুপত বৰো খেতি কৰিছিলো। বজাৰ নাই। ধানৰ দাম বৃদ্ধি নোপোৱাত ৩৫০ টকা মোনতে বিক্ৰী কৰিবলগীয়া অৱস্থা হ'ল। চৰকাৰে কৃষকৰ বেদনা উপলব্ধি কৰা নাই।' কৃষকসকলে চৰকাৰক অনতি পলমে ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনাইছে।



# প্ৰবঞ্চক বিজয় মালিয়া, নিৰৱ মোদী আৰু মেহুল চ'কছিৰ সম্পত্তি বাজেয়াপ্ত

**বেংকলৈ ক্ষতিপূৰণৰ অংশ হস্তান্তৰ ই ডিৰ ঃ এই পৰ্যন্ত ১৮,১৭০.০২ কোটি মূল্যৰ সম্পত্তি জব্দ**

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৩ জুন ঃ** বেংকৰ ঋণৰ নামত জালিয়াতিৰে হেজাৰ হেজাৰ কোটি টকা আত্মসাৎ কৰি পলাতক হৈ থকা দেশৰ বৃহৎ ব্যৱসায়ী বিজয় মালিয়া, নিৰৱ মোদী আৰু মেহুল চ'কছিৰ সম্পত্তি বাজেয়াপ্ত কৰিলে বিত্তীয় তদন্তকাৰী সংস্থা প্ৰৱৰ্তক সঞ্চালকালয়ে। তিনিও পলাতক ব্যৱসায়ীৰ ৯৩৭১ জব্দকৃত সম্পত্তি বেংকসমূহলৈ হস্তান্তৰ কৰে ই ডিয়ে। এই পৰ্যন্ত তদন্তকাৰী সংস্থাটোৱে বিদেশত থকা ৯৬৯ কোটি মূল্যৰ সম্পত্তিসহ মুঠ ১৮,১৭০,০২ কোটিৰ সম্পত্তি জব্দ কৰিছে। এই সমুদায় মূল্য বেংকে সন্মুখীন হোৱা লোকচানৰ ৮০.৪৫ শতাংশ হ'ব। প্ৰবঞ্চনাৰ ফলত সন্মুখীন হোৱা ধনৰ ক্ষতিপূৰণৰ বাবে এই জব্দকৃত সম্পত্তি বেংকলৈ হস্তান্তৰ কৰিছে।

'আজি পৰ্যন্ত ১৮,১৭০.০২ কোটি মূল্যৰ সম্পত্তি জব্দ কৰা হৈছে। ধনৰ অবৈধ লেনদেন প্ৰতিৰোধ আইন ২০০২ৰ অধীনত এনে কৰা হৈছে। ৩২৯.৬৭ কোটি টকা জব্দ কৰা হৈছে আৰু ৯০৪১.৫ কোটি মূল্যৰ সম্পত্তি ৰাজহুৱা খণ্ডৰ বেংকক প্ৰদান কৰা হৈছে। ই বেংকে সন্মুখীন হোৱা ক্ষতিৰ ৪০ শতাংশ পূৰণ কৰিব।' এইদৰে আজি কয় ই ডিৰ বিষয়াই। এই সন্দৰ্ভত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে এক টুইটত কয় যে পলাতক আৰু বিত্তীয় কেলেংকাৰিৰ অভিযুক্তক সক্ৰিয়ভাৱে অনুসৰণ কৰা হ'ব। তেওঁলোকৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছে আৰু প্ৰাপ্য উদ্ধাৰ কৰা হৈছে।

বিজয় মালিয়া, মেহুল চ'কছি আৰু নিৰৱ মোদীৰ প্ৰত্যাৰ্পণৰ গোচৰ বিচাৰাধীন হৈ আছে। এই তিনি পলাতক অভিযুক্তই তেওঁলোকৰ কোম্পানীৰ জৰিয়তে ৰাজহুৱা খণ্ডৰ বেংকৰ ধন সৰকোৱাৰ ফলত বেংকসমূহে মুঠ ২২,৫৮৫.৮৩ টকা লোকচানৰ সন্মুখীন হয়।

চি বি আইৰ এজাহাৰৰ পাছত ই ডিয়ে ফাদিল কৰে ঘৰুৱা আৰু আন্তৰ্জাতিক অবৈধ লেনদেনৰ বৃহৎ মকৰাজাল। ঋণৰ ধনেৰে বিদেশত গচ্ছিত ধনৰ বৃহৎ তথ্য উদ্ধাৰ কৰে ই ডিয়ে। তদন্তকাৰী সংস্থাটোৱে জনোৱা মতে, তিনি অভিযুক্তই নানা জালিয়াতিৰ সহায়েৰে বেংকৰ ধন সৰকাইছিল। তদন্ত সম্পূৰ্ণ হোৱাৰ পাছত ব্ৰিটেইন, এণ্টিগুৱা আৰু বাবুৰ্ডাত সম্প্ৰতি থকা অভিযুক্তসকলক দেশলৈ প্ৰত্যাপণৰ বাবে অনুৰোধ জনোৱা হয়। ইতিমধ্যে বিজয় মালিয়াৰ প্ৰত্যাৰ্পণৰ বাবে ব্ৰিটেইনৰ এখন নিম্ন আদালতে ৰায় দিয়াৰ পাছত উচ্চ ন্যায়ালয়ে এই নিৰ্দেশ বাহাল ৰাখিছিল। ইয়াৰ পাছত ব্ৰিটেইনৰ উচ্চতম ন্যায়ালয়ৰ আৱেদনৰ ক্ষেত্ৰত মালিয়াক অনুমোদন দিয়া হোৱা নাই। ফলত তেওঁৰ ভাৰতলৈ প্ৰত্যৰ্পণ নিশ্চিত হৈছে। ব্ৰিটেইনৰ একেখন আদালতেই নিৰৱ মোদীক ভাৰতলৈ প্ৰেৰণৰ বাবে নিৰ্দেশ দিছে। ভাৰতে জনোৱা প্ৰত্যৰ্পণৰ অনুৰোধ মৰ্মে বিগত দুবছৰ ধৰি লণ্ডনত কাৰাবন্দী হৈ আছে নিৰৱ মোদী।












অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com